www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❒ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সফলতাৰ ক্ষেত্ৰত মানুহক ইঞ্চি, টকা, শিক্ষা বা পৰিয়ালৰ পটভূমিৰে জোখা নহয়; ইয়াক জোখা হয় চিন্তা কৰাৰ প্ৰকৃতি আৰু আকাৰৰ ওপৰত। - ডেভিড ছৱাৰ্টছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ১৬৫ ❒ বৃহস্পতিবাৰ ❒ ৯ এপ্ৰিল, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 165 ❒ Thursday ❒ 9th April, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 8

■ কংগ্ৰেছক 'প্ৰৱঞ্চক আৰু গাড্ডাৰ' আখ্যা দি তীব্ৰ ক্ষোভ প্ৰকাশ ■



## ভোটগ্ৰহণৰ মাত্ৰ কেইঘণ্টামান পূৰ্বে কংগ্ৰেছ ত্যাগ প্ৰাৰ্থী সুৰেণ দৈমাৰীৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোটগ্ৰহণৰ মাত্ৰ ১২ ঘণ্টা বাকী থকা অৱস্থাত ৰাজ্যৰ ৰাজনীতিত এক অপ্ৰত্যাশিত আৰু নজিৰবিহীন ঘটনা সংঘটিত হৈছে। ৪৬ নং ওদালগুৰি (সংৰক্ষিত) বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী সুৰেণ দৈমাৰীয়ে হঠাতে দল ত্যাগ কৰি পদত্যাগ কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে। ভোটদানৰ ঠিক আগমুহূৰ্তত ❒ ৬ পৃষ্ঠাত





❒ গ্ৰেপ্তাৰৰ ভয়ত আত্মগোপন কৰি থকাৰ অভিযোগ ❒

## অগ্ৰিম জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন পৱন খেড়াৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৮ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি বৰ্তমান তীব্ৰ বিপদত পৰিছে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ মিডিয়া বিভাগৰ অধ্যক্ষ পৱন খেড়া। গ্ৰেপ্তাৰৰ আশংকাত আত্মগোপন কৰি থকপৱন খেড়াই বুধবাৰে অগ্ৰিম জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছে। ❒ ৬ পৃষ্ঠাত

ভোটবেংকৰ বাবে বহিঃৰাজ্যৰ পৰা দলে-দলে আগমন

## অসমলৈ সন্দেহজনক লোকৰ সোঁত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** কাইলৈ ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনত সন্দেহজনক লোকৰ আগমন বৃদ্ধি পাইছে। বহিঃৰাজ্যৰ পৰা দলে দলে লোক অসমলৈ আহি ভোট দিবলৈ প্ৰস্তুত হৈছে বুলি খবৰে ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই সন্দেহজনক লোকসকলে ❒ ৬ পৃষ্ঠাত

■ ৭২২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ২ কোটি ৫০ লাখৰো অধিক ভোটাৰে ■

# আজি ৰাজ্যত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ

### ১২৬টা সমষ্টিত একেদিনাই ভোটগ্ৰহণ; সুস্থ, নিৰাপদ আৰু স্বচ্ছ নিৰ্বাচনৰ বাবে সম্পূৰ্ণ সাজু নিৰ্বাচন আয়োগ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০২৬ৰ বাবে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত আজি একেদিনাই ভোটগ্ৰহণ অনুষ্ঠিত হ'বলৈ গৈ আছে। মুক্ত, নিকা, নিৰাপদ আৰু স্বচ্ছভাৱে ভোটগ্ৰহণ সম্পন্ন কৰাৰ বাবে অসম নিৰ্বাচন আয়োগ সম্পূৰ্ণ সাজু হৈ উঠিছে। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ নেতৃত্বত বিভিন্ন বিভাগে তীব্ৰতাৰে কাম কৰি আছে। নিৰ্বাচন আয়োগে আইন-শৃংখলা, ব্যয় নিয়ন্ত্ৰণ আদি সকলো দিশতে কঠোৰ নিৰীক্ষণৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। লগতে ভোটাৰ সচেতনতা বৃদ্ধিৰ বাবে SVEEP (Systematic Voters' Education and Electoral Participation) কাৰ্যসূচীৰ অধীনত বিস্তৃত সজাগতামূলক প্ৰচাৰ চলোৱা হৈছে। ❒ ৬ পৃষ্ঠাত



চিকিৎসালয়ৰ পৰা ঘৰলৈ যাবলৈ অনুমতি

## ক্ৰমাৎ সুস্থ হৈ উঠিছে গৰিমা শইকীয়া গাৰ্গ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৮ এপ্ৰিল ঃ** প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ স্বাস্থ্য ক্ৰমাৎ উন্নতিৰ দিশে আগবাঢ়িছে। ❒ ৬ পৃষ্ঠাত

■ নিৰ্বাচনী সভাত আৰএছএছ, বিজেপিক 'বিষাক্ত সাপ' বুলি তুলনাৰ অভিযোগ ■

## মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে এজাহাৰ দাখিল আৰএছএছৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে অসমৰ দুখন থানাত এজাহাৰ দাখিল কৰিছে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰএছএছ)-এ। নিৰ্বাচনী সভাত সংগঠন আৰু বিজেপিৰ মতাদৰ্শক 'বিষাক্ত সাপ'ৰ সৈতে তুলনা কৰি অপমানজনক, উচটনিমূলক আৰু সাম্প্ৰদায়িকভাৱে স্পৰ্শকাতৰ মন্তব্য ❒ ৬ পৃষ্ঠাত







ভোটদানৰ পূৰ্বে দেওঘৰস্থিত বিখ্যাত মন্দিৰত পূজা আগবঢ়ালে মুখ্যমন্ত্ৰীয়ে

## ঝাৰখণ্ডৰ বাবা বৈদ্যনাথ ধাম মন্দিৰত পূজা-অৰ্চনা মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ ঠিক এদিন পূৰ্বে বুধবাৰে ঝাৰখণ্ডৰ দেওঘৰত উপস্থিত হৈছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। দেওঘৰ ❒ ৬ পৃষ্ঠাত

UPIৰ জৰিয়তে ১.২৫ শতাংশ অধিক ধন দিব লাগিব আদায়

## ১০ এপ্ৰিলৰ পৰা টোলগেটত বন্ধ নগদ ধনৰ লেনদেন সেৱা

টোলগেটত দীঘলীয়া শাৰী আৰু যানজট হ্ৰাস কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰালয়ৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত





**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** দেশৰ সকলো ৰাষ্ট্ৰীয় ঘাই পথ আৰু এক্সপ্ৰেছৱে'ৰ টোলগেটত ১০ এপ্ৰিলৰ পৰা নগদ ধনৰ লেনদেন সম্পূৰ্ণৰূপে বন্ধ কৰা হ'ব। ইয়াৰ পৰিৱৰ্তে FASTag বা UPIৰ জৰিয়তে টোলকৰ পৰিশোধ কৰিব লাগিব। বৈধ FASTag নথকা বাহনৰ ক্ষেত্ৰত UPIৰ জৰিয়তে ধন দিলে নিৰ্ধাৰিত টোলকৰতকৈ ১.২৫ শতাংশ অধিক ধন আদায় কৰা হ'ব। ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ঘাই পথ মন্ত্ৰালয়ে এক অধিসূচনা ❒ ৬ পৃষ্ঠাত

ঢেঁকৰগড়া ব্লকৰ সংখ্যালঘু বিভাগৰ অধ্যক্ষ আমিৰ আলিক হত্যা কৰি পেলাই থৈ যোৱাৰ সন্দেহ; শৰীৰৰ বিভিন্ন স্থানত আঘাতৰ চিন

## যোৰহাটৰ ককিলামুখত কংগ্ৰেছ নেতাৰ মৃতদেহ উদ্ধাৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** যোৰহাট জিলাত এক চাঞ্চল্যকৰ অঘটন সংঘটিত হৈছে। টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত ঢেঁকৰগড়া ব্লকৰ সংখ্যালঘু বিভাগৰ অধ্যক্ষ আৰু কংগ্ৰেছ নেতা আমিৰ আলিক হত্যা কৰা হৈছে। কিছু সময়ৰ পূৰ্বে ককিলামুখ অঞ্চলৰ মথাউৰিৰ ওপৰত ❒ ৬ পৃষ্ঠাত

নিৰ্বাচনৰ পূৰ্বে বিৰোধী দলপতি তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ অনুৰোধ

## অসমবাসীলৈ ৰাহুল গান্ধীৰ অনুৰোধ- 'হিংসা, দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে ভোট দিয়ক'



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** কাইলৈ ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধী ❒ ৬ পৃষ্ঠাত

হৰমুজ প্ৰণালীৰ নিৰাপদ চলাচলৰ বিনিময়ত চুক্তি

## মধ্যপ্ৰাচ্যত শান্তিৰ নিশ্বাস ! আমেৰিকা-ইৰাণৰ দুই সপ্তাহৰ যুদ্ধবিৰতি ঘোষণা



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** অৱশেষত মধ্যপ্ৰাচ্যৰ যুদ্ধবিধ্বস্ত পৰিৱেশত শান্তিৰ আশা জাগিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত দুই সপ্তাহৰ যুদ্ধবিৰতিৰ ঘোষণা কৰা হৈছে। কিছু সময় পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰে যে, আগন্তুক দুই সপ্তাহলৈ ইৰাণৰ বিৰুদ্ধে আক্ৰমণ স্থগিত ❒ ৬ পৃষ্ঠাত

ধুমুহা-বৰষুণৰ প্ৰভাৱত নদীপথৰ যাতায়াত লেহেমীয়া, ৰেম্প সলনি কৰি চলোৱা হৈছে ফেৰী

## ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিক বৃদ্ধি: নিমাতী-অফলামুখ ফেৰী সেৱা ব্যাহত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** অসমত অব্যাহত আছে ধুমুহা আৰু ধাৰাসাৰ বৰষুণৰ তাণ্ডৱ। ❒ ৬ পৃষ্ঠাত





ভুৱা সম্পত্তিৰ তালিকা সামাজিক মাধ্যমত প্ৰচাৰৰ অভিযোগ

## বিপিএফৰ আইটি চেলৰ বিৰুদ্ধে গোচৰ ৰুজু দ্বীপেন বড়োৰ

**ষ্টাফ ৰিপৰ্টাৰ, ওদালগুৰি, ৮ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ওদালগুৰি সমষ্টিৰ পৰা ইউপিপিএলৰ প্ৰাৰ্থী দ্বীপেন বড়োৱে বিপিএফৰ আইটি চেলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। তেওঁৰ ভুৱা সম্পত্তি তালিকা সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ অভিযোগত ❒ ৬ পৃষ্ঠাত



# ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক খৈৰাবাৰী অধিৱেশনৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ৮ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ পশ্চিম খৈৰাবাৰী প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত ৪ আৰু ৫ এপ্ৰিল ২০২৬ শনি আৰু দেওবাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায় ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক খৈৰাবাৰী অধিৱেশনখনি। মৃৎশিল্পৰ সৈতে জড়িত কুমাৰ জনগোষ্ঠীৰ ওদালগুৰি জিলা কুমাৰ সন্মিলনখনি ৪ এপ্ৰিল শনিবাৰে বন্তি প্ৰজলন আৰু প্ৰতিনিধি সভা অনুষ্ঠিত কৰে। ৫ এপ্ৰিল দেওবাৰে ৰাতিপুৱা ভাগৱত পাঠ, ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ পতাকা উত্তোলন, স্মৃতি তৰ্পন, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন, গছপুলি ৰোপণ অনুষ্ঠিত কৰে। দুপৰীয়া ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ কাৰ্যকৰী সভাপতি অৰুন শইকীয়াৰ সঞ্চালনায়ত "কুমাৰ সম্প্ৰদায়ৰ সামগ্ৰীক উন্নয়ত সন্মিলনৰ ভূমিকাৰ" ওপৰত আলোচনা চক্ৰত অনুষ্ঠিত কৰে। অনুষ্ঠানত টংলা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক দুগ্ধ কুমাৰ, ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ প্ৰাক্তন সভাপতি দুৰ্গেশ্বৰ কুমাৰ, চিৰাং জিলাৰ ২নং অ'গুৰি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বিপুল কুমাৰ, ওদালগুৰিৰ বিদ্যুৎ বিভাগৰ গাণনিক বিষয়া নৱজিৎ কুমাৰ, দলগাওঁ ৩নং গলন্দি প্ৰথমিক বিদ্যালয়ৰ শিক্ষক কৰুণা কুমাৰ উপস্থিত থাকে। অন্যহাতে ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ সভাপতি সোণাৰাম কুমাৰৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাত প্ৰয়াত "প্ৰশান্ত কুমাৰৰ পবিত্ৰ সোঁৱৰণত" মৃৎশিল্পী, জ্যেষ্ঠ নাগৰিক আৰু কৃৰ্তি ছাত্ৰ - ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। সদৌ অসম কুমাৰ সন্মিলনৰ সম্পাদক হেমন্ত কুমাৰ দাসে উদ্বোধন কৰা মুকলি সভাত নিৰ্দিষ্ট ব্যক্তাৰ ভাষণ প্ৰদান কৰে সদৌ অসম কুমাৰ সন্মিলনৰ প্ৰধান সম্পাদক মাজবাটৰ গোপাল হাজৰিকাই। সভাত মুখ্য অতিথি আসন অলংকৃত কৰে টংলাৰ প্ৰাঞ্জল প্ৰতীম কুমাৰ আৰু ওদালগুৰি জিলা বিদ্যুৎ বিভাগৰ একাউনটেণ্ট নৱ কুমাৰে। বিশিষ্ট অতিথি হিসাপে উপস্থিত থাকে দলগাওঁ ৩নং মাধৱ গোসাই প্ৰথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বীনা পাল, ৰৌতা গৰৈমাৰি প্ৰথমিক বিদ্যালয়ৰ শিক্ষক অচ্যুত কুমাৰে। সভাত সন্মানীয় অতিথিৰ আসনত বহে সদৌ অসম কুমাৰ সন্মিলনৰ উপ সভাপতি শৰৎ চন্দ্ৰ দাস, ভেৰগাওঁ জিলা অনান্য পিছপৰা শ্ৰেণীৰ সভাপতি দুৰ্গেশ্বৰ কুমাৰ, কুমাৰ উন্নয়ন পৰিষদৰ সদস্য উমেশ কুমাৰ দাস, ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ উপ সভাপতি শৰৎ কুমাৰ। আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰে দৰং জিলা কুমাৰ সন্মিলনৰ সভাপতি জিতেন কুমাৰ দাস, দৰং জিলা কুমাৰ সন্মিলনৰ সম্পাদক নীল কুমাৰ মেধি, পশ্চিম খৈৰাবাৰী প্ৰথমিক বিদ্যালয়ৰ শিক্ষক কমল আচাৰ্য্য, ওদালগুৰি জিলা আৰ, এচ, এচৰ ব্যৱস্থা প্ৰমুখ ধ্ৰুৱজ্যোতি বড়োৰ, লগতে ডাক সেৱা অৱসৰী কৰ্মচাৰী প্ৰবিন দাস। সভাত নিদিষ্ট ব্যক্তাৰ ভাষণত গোপাল হাজৰিকাই উপাধিয়ে জাতিৰ চিনাকি দিয়াৰ লগতে ব্যক্তিগত চিনাকি দাঙি ধৰে বুলি বক্তব্য প্ৰদান কৰে। নিজৰ জাতিৰ জ্ঞাতি নহলে মুক্তি পোৱা নাযায় সেয়ে সৰ্বপ্ৰথমে নিজৰ জাতিক ভাল পাব লাগিব তাৰ পিছত নিজৰ ল'ৰা ছোৱালীক নিজৰ জাতিক ভাল পাবলৈ শিকাব লাগিব আৰু তেতিয়াহে সমন্বয়ৰে আগবাঢ়ি এখন সুস্থ সমাজ গঢ়ি উঠিব। লগতে হাজৰিকাই কুমাৰ জাতিক আহ্বান জনাই কয় যে মৃতশিল্পৰ জৰিয়তে কুমাৰ জাতিৰ পৰিচয় দাঙি ধৰি সমাজত মুৰ দাঙি চৰকাৰৰ ফালৰ পৰা সুকীয়া আসন গ্ৰহণ কৰিবলৈ সক্ষম হ'ব পাৰিব লাগিব গতিকে মৃৎশিল্পৰ সৈতে জড়িত হৈ থাকিবলৈ সকলো কুমাৰ পৰিয়ালক আহ্বান জনায়।

## গোলকগঞ্জত লোকনৃত্য কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, গোলকগঞ্জ, ৮ এপ্ৰিল ঃ** শুক্ল ধবজ ডেন্স একাডেমীৰ উদ্যোগত কোচ-ৰাজবংশী লোকনৃত্য, কুশান নৃত্য আৰু গোয়ালিনী নৃত্যৰ এখন কৰ্মশালাৰ সফল সামৰণি ঘটে। অঞ্চলটোত বিশেষকৈ গোয়ালিনী আৰু কুশান নৃত্য দলৰ অভাৱ দূৰ কৰাৰ উদ্দেশ্যে এই কৰ্মশালাৰ আয়োজন কৰা হৈছিল। শুক্ল ধ্বজ ডেন্স একাডেমী আৰু পশ্চিম ধুবুৰী জিলা আত্ৰাছুৰ জিলা সভাপতিয়ে জনোৱা মতে, এই প্ৰশিক্ষণ শিবিৰে স্থানীয় নৃত্যশিল্পীসকলক প্ৰস্তুত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিশেষকৈ অহা ২৫ আৰু ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া সাত বেষমাক উচ্ছাহ-উদ্দীপনাৰে উদযাপন কৰিবলৈ আগতীয়াকৈ নাচনীসকলক সাজু কৰাত এই কৰ্মশালাই সহায় কৰিছে। কৰ্মশালাখন কোকৰাঝাৰৰ মুখ্য প্ৰশিক্ষক দিলীপ ৰায় আৰু সহ-প্ৰশিক্ষক ৰেশ্মি দাসৰ তত্ত্বাৱধানত অনুষ্ঠিত হয়। ইয়াত শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰি বিভিন্ন লোকনৃত্যৰ কৌশল আয়ত্ত কৰে। শুক্ল ধ্বজ ডেন্স একাডেমীৰ অধ্যক্ষ জীৱন সাহাৰ এই প্ৰশংসনীয় পদক্ষেপত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে আগন্তুক দিনত এনে অনুষ্ঠান অধিক সংখ্যক আয়োজন কৰাৰ দাবী জনায় শ্যাম কোচে।

# তিনিচুকীয়া নিৰ্বাচনী জিলাৰ চিভিল চেক্টৰ, পুলিচ চেক্টৰ আৰু জ'নেল বিষয়াসকলৰ সৈতে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ গুৰুত্বপূৰ্ণ সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৮ এপ্ৰিল ঃ** সমাগত অসম বিধানসভা নিৰ্বাচন-২০২৬ৰ ৯ এপ্ৰিলত হ'বলগীয়া ভোটগ্ৰহণ সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ তিনিচুকীয়া জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। নিৰ্বাচন সংক্ৰান্তিয় জৰুৰী বিষয়সমূহৰ ওপৰত বিশদভাৱে আলোকপাত কৰিবলৈ আজি তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া সুমিত সত্তাৱন আৰু তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰৰ অধ্যক্ষতাত নিৰ্বাচনত নিয়োজিত জ'নেল বিষয়া, চিভিল চেক্টৰ আৰু পুলিচ চেক্টৰ বিষয়াসকলৰ সৈতে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ, সৰ্বানন্দ সিংহ ষ্টেডিয়ামত এখনি জৰুৰী সভা অনুষ্ঠিত হয়। সভাত জিলা নিৰ্বাচনী বিষয়া সুমিত সত্তাৱনে নিৰ্বাচনৰ সামগ্ৰী বিতৰণৰ পৰিকল্পনা, পোলিং-প্ৰিজাইডিং বিষয়াসকলৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ যাতায়তৰ পৰিকল্পনা তথা যোগাযোগ সন্দৰ্ভত বিতংভাৱে আলোকপাত কৰে। তেওঁ জ'নেল বিষয়াসকলৰ লগতে চেক্টৰ বিষয়াসকলৰ ওপৰত ন্যস্ত দায়িত্ব সন্দৰ্ভতো আলোচনা কৰে। তেখেতে জিলা নিৰ্বাচনী বিষয়াই নিৰ্বাচনৰ দাযিত্বত নিয়োজিত বিষয়াসকলক ধনাত্মক দৃষ্টিভংগীৰে সন্মিলিতভাৱে নিজ নিজ কৰ্তব্য সম্পাদন কৰিবলৈ আহ্বান জনায়। তেওঁ সকলোকে ভাৰতীয় নিৰ্বাচনী আয়োগৰ নীতি-নিৰ্দেশনা অনুযায়ী কাম কৰিবলৈ নিৰ্দেশ দিয়ে। তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰে নিৰ্বাচনত নিয়োজিত প্ৰতিগৰাকী বিষয়াক কোনো বেমেজালি নোহোৱাকৈ নিষ্ঠাসহকাৰে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া নুজহাৎ ন'ছৰিন, ৮৫ নং মাকুম বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সংঘমিত্ৰা বৰুৱা, ৮৬ নং তিনিচুকীয়া বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া ড° মন্দিৰা বৰুৱা, শদিয়া আৰক্ষী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আঞ্চল চৌহান আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক অৰুনিমা ভূঞা, অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় দাস প্ৰমুখ্যে নিৰ্বাচন সংক্ৰান্তিয় বিভিন্ন কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলো উপস্থিত থাকে। উল্লেখযোগ্য যে, বৰগুৰিস্থিত জনতা মহাবিদ্যালয় আৰু ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ, সৰ্বানন্দ সিংহ ষ্টেডিয়ামত কাইলৈ অৰ্থাৎ ৮ এপ্ৰিল, বুধবাৰে পুৱা ৬ বজাৰ পৰা বিভিন্ন ভোট গ্ৰহণ কেন্দ্ৰলৈ যাবলগীয়া প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক সা-সামগ্ৰীসমূহ বিতৰণ কৰা হব। স্মৰ্তব্য যে, তিনিচুকীয়া নিৰ্বাচনী জিলাত মুঠ ১, ২৮১টা ভোটগ্ৰহণ কেন্দ্ৰত ১০, ০৮, ৭০৬ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। শদিয়া বিধানসভা সমষ্টিৰ ২৬৮টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ২, ০২, ৮৭৯ ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ হৈছে ১, ০১, ৮০৮ গৰাকী, মহিলা ভোটাৰ ১, ০১, ০৬৮ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হৈছে ৩ গৰাকী। সেইদৰে ডুমডুমা বিধানসভা সমষ্টিৰ ১৮১টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ১, ৪৮, ৭৮৬ ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ হৈছে ৭০, ২৮৫ গৰাকী, মহিলা ভোটাৰ ৭৮, ৪৯৭ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হৈছে ৪ গৰাকী। মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ ২২২টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ১, ৭৬, ৯১৯ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ হৈছে ৮৬৮২৩ গৰাকী, মহিলা ভোটাৰ ৯০, ০৯৬ গৰাকী। ডিগবৈ বিধানসভা সমষ্টিৰ ১৮৯টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ১, ৪৭, ৭১৫ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ হৈছে ৭১, ১৮২ গৰাকী, মহিলা ভোটাৰ ৭৬, ৫৩১ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হৈছে ২ গৰাকী। মাকুম বিধানসভা সমষ্টিৰ ২০৫টা ভোটগ্ৰহণ কেন্দ্ৰত (২০৪টা মূল ভোট গ্ৰহণ কেন্দ্ৰ আৰু ১টা সহযোগী ভোটকেন্দ্ৰ) মুঠ ১, ৫৯, ২১৭ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ হৈছে ৭৫, ৮৬৭ গৰাকী, মহিলা ভোটাৰ ৮৩, ৩৪৪ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হৈছে ৬ গৰাকী। আনহাতে তিনিচুকীয়া বিধানসভা সমষ্টিৰ ২১৬টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ১, ৭৩, ১৯০ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ হৈছে ৮৪, ৪৩৬ গৰাকী, মহিলা ভোটাৰ ৮৮৭৩৬ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হৈছে ১৮ গৰাকী।

**১৬৫ টাকৈ ভোটগ্ৰহণ কেন্দ্ৰক ক্ৰিটিকেল হিচাপে চিহ্নিত**

তিনিচুকীয়া নিৰ্বাচনী জিলাত প্ৰতিটো বিধানসভা সমষ্টিতে একোটাকৈ আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰ নং ৪৫ (শদিয়া মহাবিদ্যালয়), ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰ নং ১০৪ (ডুমডুমা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়-সোঁ দিশ), ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰ নং ১০০ (পাৰ্বতীপুৰ প্ৰাথমিক বিদ্যালয়), ৮৪ নং ডিগবৈ বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰ নং ১৩৮ (ৰাষ্ট্ৰীয় বিদ্যালয়-সোঁ দিশ), ৮৫ নং মাকুম বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰ নং ১৪৪ (গোপালকৃষ্ণ হাইস্কুল-সোঁ দিশ), আৰু ৮৬ নং তিনিচুকীয়া বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰ নং ১২৯ (তিনিচুকীয়া মহাবিদ্যালয়-বাওঁ দিশ) আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে স্থাপন কৰা হব। তিনিচুকীয়া জিলাৰ নিৰ্বাচনী জিলাৰ ১৬৫ টাকৈ ভোটগ্ৰহণ কেন্দ্ৰ ক্ৰিটিকেল হিচাপে চিহ্নিত কৰা হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰিবৰ বাবে ইতিমধ্যে ৮১ নং শদিয়া বিধানসভা সমষ্টিক ৬টা জ'ন আৰু ৩০টা চেক্টৰত, ৮২ নং ডুমডুমা বিধানসভা সমষ্টিক ৭টা জ'ন আৰু ২০টা চেক্টৰত, ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিক ৭টা জ'ন আৰু ২১টা চেক্টৰত, ৮৪ নং ডিগবৈ বিধানসভা সমষ্টিক ৫টা জ'ন আৰু ১৭টা চেক্টৰত, ৮৫ নং মাকুম বিধানসভা সমষ্টিক ৬টা জ'ন আৰু ১৯টা চেক্টৰত, আৰু ৮৬ নং তিনিচুকীয়া বিধানসভা সমষ্টিক ৬টা জ'ন আৰু ১৮টা চেক্টৰত বিভক্ত কৰা হৈছে। ইয়াৰ লগতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে ৩৭ গৰাকী জ'নেল বিষয়া, ১২৫ গৰাকী চেক্টৰ বিষয়া, ১২৮১ গৰাকী প্ৰিজাইডিং আৰু ৩৮৪৩ গৰাকী প্ৰথম পুলিং, দ্বিতীয় পুলিং আৰু তৃতীয় পুলিং বিষয়া নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ বাবে ২৭ গৰাকী আৰু ভোটগণনাৰ বাবে ৯৬ গৰাকী মাইক্ৰ অৱজাৰভাৰ নিয়োগ কৰা হৈছে। তিনিচুকীয়া নিৰ্বাচনী জিলাত কেৱল মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰ হৈছে ৩০০ টা। ইয়াৰে ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ ৪৭ টা, ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ ৩৪ টা, ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টি ৪১ টা, ৮৪ নং ডিগবৈ বিধানসভা সমষ্টি ৩৪ টা, ৮৫ নং মাকুম বিধানসভা সমষ্টি ৩০টা আৰু ৮৬ নং তিনিচুকীয়া বিধানসভা সমষ্টিৰ ১১৪টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। এইবাৰ বিধানসভা নিৰ্বাচনত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিং কৰা হ'ব। ইতিমধ্যে বিধানসভা নিৰ্বাচনৰ সৈতে জড়িত যিকোনো তথ্য পাবৰ বাবে অথবা যিকোনো অভিযোগ দাখিলৰ বাবে জিলা আয়ুক্ত কাৰ্যালয়ত ২৪ ঘণ্টাই কাৰ্যকৰী হৈ থকা এটি নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। ৰাইজে নিৰ্বাচন সংক্ৰান্তিয় যিকোনো তথ্য পাবৰ বাবে লগতে যিকোনো অভিযোগ দাখিলৰ বাবে নিয়ন্ত্ৰণ কক্ষৰ 18003453936 অথবা ১৯৫০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## কৰ্তব্যৰত অৱস্থাত মৃত্যুমুখত পৰা আৰক্ষী জোৱানলৈ নগাঁও প্ৰশাসনৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ ধিঙত নিৰ্বাচনী কৰ্তব্য পালন কৰি থকা অৱস্থাতে যোৱা নিশা আকস্মিক অসুস্থতাৰ বাবে মৃত্যুক সাৱটি লোৱা জাগীৰোডৰ নিবাসী চি.আৰ.পি.এফ.ৰ হেড কনিষ্টবল চন্দন ৰায় (৪১)ৰ প্ৰতি নগাঁও প্ৰশাসনৰ তৰফৰ পৰা আজি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। নগাঁও আৰক্ষী নিৱেশত



আয়োজিত এটি অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই উপস্থিত থাকি বীৰ জোৱানজনৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাস প্ৰমুখ্যে আৰক্ষী প্ৰশাসনৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়ায়ো শ্ৰদ্ধাঞ্জলি জনায়। তেখেতৰ প্ৰতি সন্মান জনাই নগাঁও আৰক্ষীৰ তৰফৰ পৰা 'গাৰ্ড অৱ অনাৰ' আৰু চালামী প্ৰদান কৰা হয়। অনুষ্ঠানত দেশৰ প্ৰতি আগবঢ়োৱা তেখেতৰ উৎসৰ্গিত সেৱা, ত্যাগ আৰু চৰম কৰ্তব্যনিষ্ঠাক জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা শ্ৰদ্ধাৰে স্মৰণ কৰা হয়।

## বৰপেটাৰোড ৰে'লৰ ষ্টেচনত ৰে'লৰ খুন্দাত অচিনাক্ত মহিলাৰ মৃত্যু

**অসম বাৰ্তা, বৰপেটাৰোড, ৮ এপ্ৰিল ঃ** বৰপেটাৰোড ৰে'লৱে ষ্টেচনৰ অন্তৰ্গত সৰুপেটা ৰে'লষ্টেচন আৰু বৰপেটাৰোড ৰে'ল ষ্টেচনৰে মাজত ৰে'লৰ খুন্দাত এগৰাকী অচিনাক্ত মহিলাৰ মৃত্যু হয়। নিহত মহিলা গৰাকীৰ বয়স আনুমানিক ৬০ বছৰ হ'ব। বৰপেটাৰোডৰ ৰে'লৱে ষ্টেচনৰ পূব ফালে সৰুপেটা আৰু বৰপেটাৰোডৰ মাজত ৰে'লৰ খুন্দাত নিহত হয় মহিলা গৰাকী। পৰৱৰ্তী সময়ত বৰপেটাৰোড ৰেলৱে পুলিচ ঘটনাস্থলীত উপস্থিত হয় যদিও মৃত অৱস্থাত মহিলা গৰাকীক উদ্ধাৰ কৰে। বাতৰি লিখা সময়লৈকে মৃতদেহটো চিনাক্ত হোৱা নাই। মৃত মহিলা গৰাকীক ৰে'লৰ খুন্দাত মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। মৃত মহিলা গৰাকী পিন্ধনত - বগা, সেউজীয়া শাড়ী আৰু ৰঙ্গৰ ব্লাউজ পৰিধান কৰি আছিল। বৰপেটাৰোড ৰে'ল আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰি বৰপেটা মেডিকেল কলেজৰ মৰ্গত ৰখা হৈছে।

## শিৱসাগৰত গধূৰ বাহন চলাচলত সাময়িক নিষেধাজ্ঞা

**অসম বাৰ্তা, গেলেকী, ৮ এপ্ৰিল ঃ** সমাগত অসম বিধানসভা নিৰ্বাচন। ২০২৬ উপলক্ষে শিৱসাগৰ জিলা প্ৰশাসনে ভোটগ্ৰহণৰ কামত নিয়োজিত পলিং বিষয়াসকলৰ সুচল তথা সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ উদ্দেশ্যে গধুৰ বাহন চলাচলত সাময়িকভাৱে নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা দণ্ডাধীশ মৃদুল য়াদৱে জাৰি কৰা এক আদেশ অনুসাৰে, শিৱসাগৰৰ ষ্টেচন চাৰিআলিৰ পৰা জয়সাগৰ তিনিআলিলৈকে পথটোত গধুৰ যানবাহন (ট্ৰাক) চলাচল দুটা নিৰ্দিষ্ট সময়ছোৱাত বন্ধ থাকিব। প্ৰথম পৰ্যায়ৰ নিষেধাজ্ঞা ৭ এপ্ৰিল তাৰিখে নিশা ৯: ০০ বজাৰ পৰা ৮ এপ্ৰিল তাৰিখৰ দুপৰীয়া ২: ০০ বজালৈ বলবৎ থাকিব। দ্বিতীয় পৰ্যায়ত ৯ এপ্ৰিল তাৰিখে বিয়লি ৪: ০০ বজাৰ পৰা ১০ এপ্ৰিলৰ নিশা ১২: ০০ বজালৈ কাৰ্যকৰী হ'ব। ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ নিৰ্বাচনী বিষয়া-কৰ্মচাৰী বহন কৰা বাহনসমূহৰ সুৰক্ষিত গতি নিশ্চিত কৰাৰ বাবেই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জনসাধাৰণ আৰু সংশ্লিষ্ট সকলো পক্ষক জনস্বাৰ্থত আৰু নিৰ্বাচনকালীন সুশৃংখল যান-জঁট ব্যৱস্থাপনা বজাই ৰাখিবলৈ এই নিৰ্দেশ কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনোৱা হৈছে।

**NAME CORRECTION**

In my Assam Gramin Vikash Bank Passbook bearing, A/C No.-7147010011637, my name has been wrongly recorded as Balamali Ray instead of Batamayi Ray. But my actual name is Batamayi Ray, which is recorded in my Aadhar Card bearing Aadhar No. 2239 6043 4625. Both Batamayi Ray and Balamali Ray is the same name and i.e. myself. Applying for correction at the appropriate authority.

Batamayi Ray
W/O- Chukuri
R.O.- Uttar Raipur Pt.-III
P.O.- Raipur
P.S.- Golakganj
Dist - Dhubri, Assam

AB-43/2026

## সৰুপথাৰৰ কৰ্দৈগুৰি বৰনামঘৰত অখণ্ড ভাগৱত পাঠৰ সামৰণি অনুষ্ঠানৰ খাদ্যত বিষক্ৰিয়া

**অসম বাৰ্তা, সৰুপথাৰ, ৮ এপ্ৰিল ঃ** সৰুপথাৰত সংঘটিত হৈছে খাদ্য বিষক্ৰিয়াৰ ঘটনা। ১৭ জনকৈ লোক আক্ৰান্ত হৈছে। অখণ্ড ভাগৱত পাঠ সামৰণি অনুষ্ঠাৰ পিছতেই সংঘটিত হৈছে এই ঘটনা। সৰুপথাৰৰ কৰ্দৈগুৰি বৰনামঘৰত অখণ্ড ভাগৱত পাঠৰ সামৰণি অনুষ্ঠানৰ খাদ্যত বিষক্ৰিয়া হৈ শৌচ, বমি, জ্বৰত আক্ৰান্ত। ১৭ জনকৈ লোকৰ সৰুপথাৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। চিকিৎসকে জানিবলৈ দিয়া অনুসৰি খাদ্যত বিষক্ৰিয়া। প্ৰথমতে এজন ৰোগী সোমবাৰে সৰুপথাৰ চিকিৎসালয়লৈ আহিছিল। কিন্তু ৰোগীৰ সংখ্যা বাঢ়িল। ১৭ জনলৈ বৃদ্ধি। গোলাঘাটৰ পৰা চিকিৎসকৰ দল আহি খাদৰ্ব নমুনা সংগ্ৰহ কৰি অনুসন্ধান অব্যাহত ৰাখিছে। সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ৰ মুখ্য স্বাস্থ্য বিষয়া ডাঃ অজিত গগৈয়ে জানিবলৈ দিয়া মতে, ৬ তাৰিখেই চিকিৎসালয়ত বিষক্ৰিয়াত আক্ৰান্ত ৰোগী অহাৰ উমান পাইছিল। ৭ তাৰিখে চিকিৎসালয়খনত ৪জন ৰোগী আহিছিল। তেতিয়াই ঘটনাটো চিকিৎসকে সন্দেহ কৰিল। তাৰ পিছতেই চিকিৎসকে অনুসন্ধান কৰিল, খাদ্যত বিষক্ৰিয়া ধৰা পৰিল। বুধবাৰে পুনৰ ৮ জনকৈ লোক চিকিৎসালয়খনত ভৰ্তি হৈছে। মুঠতে বিষক্ৰিয়াত আক্ৰান্ত ৰোগীৰ সংখ্যা ১৭ জনলৈ বৃদ্ধি পায়। ইপিনে কেইজনমান লোকে আৰোগ্যও লাভ কৰিছে। খাদ্যত বিষক্ৰিয়া ৰোগী এজনে মন্তব্য কৰি কয়, "কৰ্দৈগুৰি বৰ নামঘৰত সোমবাৰে অৰ্থাৎ ইংৰাজী ৬ এপ্ৰিলত ভাগৱত অনুষ্ঠানৰ সামৰণি অনুষ্ঠান আছিল। সেইদিনা ভাগৱত সামৰণিত ৰাইজে এটি প্ৰীতিভোজ খাইছিল। প্ৰীতিভোজৰ ক্ষেত্ৰত হয়তো কিবা ৰন্ধা-বঢ়া ক্ষেত্ৰত নাইবা কিবা বিসংগতিত বহুত মানুহৰ তেনেকৈ শৌচ, বমি আৰু কিছুমানৰ পেটৰ বিষ খাবলৈ আৰম্ভ কৰিছিল। তেনেকৈ মোৰো হৈছে। আমি মাছভাত খাইছিলো। মাছভাত খালো, তাৰ পিছত দেখিলো মোৰো তেনেকৈ শৌচ হ'বলৈ আৰম্ভ কৰিলে। ততাতৈয়াকৈ মই সৰুপথাৰ অসামৰিক চিকিৎসালয়লৈ আহিলো আৰু ইয়াত ভৰ্তি হ'লো।"

# "নিৰ্ভয়েৰে আমি আগবাঢ়ি আহোঁ, অভিলেখ ভোটদানৰে অসম সুনাম গঢ়ো" বাণীৰে ফ্লেগমাৰ্চ হোজাই আৰক্ষী আৰু প্ৰশাসনৰ

**অসম বাৰ্তা, লংকা, ৮ এপ্ৰিল ঃ** হোজাই জিলাৰ আৰক্ষী লগতে হোজাই জিলা প্ৰশাসনে আজি জিলাখনৰ বিভিন্ন ঠাইত ফ্লেগমাৰ্চ কৰি গণতন্ত্ৰৰ এক উৎসৱ ভোটদান শান্তিপূৰ্ণভাৱে সফল ৰূপায়ণৰ আহ্বান জনায়। আগন্তুক নিৰ্বাচন উপলক্ষে আইন-শৃংখলা সুদৃঢ় কৰি তোলা আৰু ৰাইজৰ মাজত বিশ্বাস আৰু নিৰাপত্তাৰ অনুভূতি জাগ্ৰত কৰাৰ উদ্দেশ্যে এই ফ্লেগমাৰ্চ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। হোজাই জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ নেতৃত্বত অনুষ্ঠিত এই কাৰ্যসূচীত চি আৰ পি এফ, এচ এছ বি, স্থানীয় আৰক্ষী, লগতে অন্যান্য কেন্দ্ৰীয় আৰু ৰাজ্যিক সুৰক্ষা বাহিনীৰ জোৱানসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। লংকাৰ মূল ৰাজপথ, জনবহুল বজাৰ এলাকা, আৰু সংবেদনশীল হিচাপে চিনাক্ত কৰা অঞ্চলসমূহত এই ফ্লেগমাৰ্চ পৰিচালনা কৰা হয়, যাৰ ফলত সাধাৰণ জনতাৰ মাজত সজাগতা বৃদ্ধি পায়। এই উপলক্ষে জিলা প্ৰশাসনে জানিবলৈ দিয়ে যে ভোটদানৰ দিনা প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কেন্দ্ৰীয় বাহিনীৰ মোতায়েন, নিয়মীয়া টহল, চিচিটিভি ব্যৱস্থা, আৰু দ্ৰুত প্ৰতিক্ৰিয়া দল সাজু কৰি ৰখা হ'ব যাতে যিকোনো অপ্ৰিয় ঘটনা আগতেই নিয়ন্ত্ৰণ কৰিব পৰা যায়। ইয়াৰ উপৰিও নিৰ্বাচনী বিধি ভংগ কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্টকৈ উল্লেখ কৰে। জিলা আয়ুক্তগৰাকীয়ে কয় যে, হোজাই জিলাই সদায় শান্তিপূৰ্ণভাৱে নিৰ্বাচন সম্পন্ন কৰাৰ ক্ষেত্ৰত এক ভাল পৰম্পৰা ৰক্ষা কৰি আহিছে। এইবাৰো সেই পৰম্পৰা অক্ষুণ্ণ ৰাখি অধিক সংখ্যক ভোটাৰৰ



অংশগ্ৰহণেৰে এক নতুন অভিলেখ গঢ়িবলৈ সকলো নাগৰিকক আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা হয়। তেওঁ লগতে কয় যে, ভোটদানৰ জৰিয়তে প্ৰতিজন নাগৰিকে নিজৰ গণতান্ত্ৰিক অধিকাৰ প্ৰয়োগ কৰাৰ লগতে সমাজৰ উন্নয়নত অংশীদাৰ হ'ব পাৰে। আৰক্ষী বিভাগৰ তৰফৰ পৰা ৰাইজক অপপ্ৰচাৰৰ পৰা আঁতৰি থাকিবলৈ আৰু কোনো সন্দেহজনক পৰিস্থিতি দেখা পালে তৎক্ষণাত আৰক্ষীক অৱগত কৰিবলৈ অনুৰোধ জনোৱা হয়। সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাইজৰ সহযোগিতা অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰা হয়। সামগ্ৰিকভাৱে, এই ফ্লেগমাৰ্চ কাৰ্যসূচীয়ে হোজাই জিলাত নিৰ্বাচনী পৰিৱেশ অধিক সুস্থ, সুৰক্ষিত আৰু বিশ্বাসযোগ্য কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাইজেও এই পদক্ষেপক সমৰ্থন জনাই শান্তিপূৰ্ণভাৱে ভোটদানত অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

**দুধনৈ নিচানগ্ৰাম হাইস্কুলক 'আদৰ্শ ভোট গ্ৰহণ কেন্দ্ৰ' হিচাপে ঘোষণা**

# গণতন্ত্ৰৰ উৎসৱলৈ সাজু গোৱালপাৰা; আজি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ; দুধনৈৰ সীমান্তত নিৰাপত্তাৰ অভেদ্য দুৰ্গ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৮ এপ্ৰিল ঃ** আমাৰ ভোট আমাৰ অধিকাৰ। অপেক্ষাৰ অন্ত পৰিল। গণতন্ত্ৰৰ অধিকাৰ সাব্যস্ত কৰা উৎসৱত উৎসাহেৰে অংশগ্ৰহণ কৰিবলৈ সাজু ভোটাৰ ৰাইজ। গোৱালপাৰা জিলাৰ চাৰিওটা বিধানসভা সমষ্টিত আজি অনুষ্ঠিত হ'ব ভোটদান প্ৰক্ৰিয়া। ৰাতিপুৱা ৭ বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই ভোটদানৰ বাবে জিলা নিৰ্বাচনী বিভাগৰ লগতে জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। শান্তিপূৰ্ণ আৰু নিকা ভোটদান নিশ্চিত কৰিবলৈ জিলাখনত গঢ়ি তোলা হৈছে অভেদ্য নিৰাপত্তা বেষ্টনী। প্ৰশাসনা তথ্য অনুসৰি, গোৱালপাৰা জিলাৰ চাৰিওটা সমষ্টিত এইবাৰ বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে মহিলা শক্তিক। জিলাখনৰ ১০১০টা ভোট গ্ৰহণ কেন্দ্ৰৰ ভিতৰত মুঠ ৮০টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলা বিষয়া-কৰ্মচাৰীৰ দ্বাৰা পৰিচালিত হ'ব। চাৰিওটা সমষ্টিৰ প্ৰত্যেকতে একোটাকৈ 'আদৰ্শ ভোট কেন্দ্ৰ' স্থাপন কৰা হৈছে। ১৫নং দুধনৈ অনুসূচীত জনজাতি বিধানসভা সমষ্টিৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰ নিচানগ্ৰাম হাইস্কুলক এটা আদৰ্শ ভোট কেন্দ্ৰ হিচাপে সজাই পৰাই তোলা হৈছে। আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰটোত বিশুদ্ধ খোৱাপানী, প্ৰসাৱগাৰ, শৌচাগাৰ, শিশু সকলৰ বাবে খেলৰ সমগ্ৰী, ষাঠীউৰ্ধৰ ব্যক্তি সকলৰ বাবে জিৰণিৰ ব্যৱস্থা, স্বাস্থ্যসেৱা, চেলফি পইণ্ট থকাৰ লগতে, গাৰো জনগোষ্ঠীৰ পৰম্পৰাগত সামগ্ৰী উপস্থাপন কৰা হব। দুধনৈ বিধানসভা সমষ্টিত এইবাৰ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে মুঠ ৫ গৰাকী প্ৰাৰ্থী। এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব উঠাই লৈছে। দুধনৈ সমষ্টিত নিৰ্বাচনী যুঁজ এনডিএ প্ৰাৰ্থী টংকেশ্বৰ ৰাভা আৰু জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী কিশোৰ কুমাৰ ব্ৰহ্মৰ মাজত হোৱাৰ সম্ভাৱনা। সমষ্টিটোৰ ভোটদানৰ বাবে মুঠ ২৩১টা কেন্দ্ৰ স্থাপন কৰা হৈছে। সমষ্টিটোৰ মুঠ ভোটাৰ ১, ৭৬, ৫২২ গৰাকী পুৰুষ ভোটাৰ ৮৫, ৩৬৬ গৰাকী, মহিলা ভোটাৰ ৯১, ১৫৬ গৰাকী। বিশেষভাৱে লক্ষণীয় যে, দুধনৈ সমষ্টিত পুৰুষতকৈ মহিলা ভোটাৰৰ সংখ্যা অধিক, যিয়ে নিৰ্বাচনী ফলাফলত প্ৰভাৱ পেলাব বুলি কব পাৰি। ইয়াৰ উপৰিও যুৱ ভোটাৰ তথা নতুন ভোটাৰে বিশেষ ভূমিকা গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ভোটগ্ৰহণৰ পূৰ্বে জিলাখনৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। বিশেষকৈ দুধনৈ সমষ্টিত ৰাইজৰ মনত আস্থা বৃদ্ধি আৰু শান্তিপূৰ্ণ পৰিবেশ সৃষ্টি কৰিবলৈ পাঞ্জাৱ আৰক্ষী, আইটিবিপি, চিআইএছএফ আৰু অসম আৰক্ষীৰ জোৱানে যুটীয়াভাৱে দুধনৈৰ মূল পথৰ লগতে গ্ৰাম্য পথ সমূহত ৰোড মাৰ্চ আৰু সীমান্তৱৰ্তী অঞ্চল দামৰাত নাকা তালাচী চলোৱা পৰিলক্ষিত হৈছে। সমগ্ৰ জিলাখনত নিকা আৰু শান্তিপূৰ্ণ ভোটদান সম্পন্ন কৰিবলৈ জিলা আয়ুক্ত তথা নিৰ্বাচনী বিষয়া প্ৰদীপ টিমুং, পশ্চিম গোৱালপাৰা সমজিলা আৰু দুধনৈ সমজিলা আয়ুক্ত তথা জিলা আৰক্ষী অধীক্ষক নৱনীত মহন্তই নিৰ্বাচন প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সমাপ্ত কৰিবলৈ সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি জানিবলৈ দিয়ে। সীমান্তৱৰ্তী এলেকাসমূহত বিশেষ তহলদাৰী বাহিনী নিয়োগ কৰি কূটাঘাতমূলক কাৰ্য ৰোধ কৰিবলৈ প্ৰশাসন সক্ষম হৈ আছে। আনহাতে দুধনৈ সমষ্টিত সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্ম, ৰাজহ চক্ৰ বিষয়া জীতেন্দ্ৰ টাইড, দুধনৈ সমজিলা আৰক্ষী অধীক্ষক নূপুৰ ৰঞ্জন নেওঁগ, দুধনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাই এই ক্ষেত্ৰত বিশেষ তৎপৰতা আৰম্ভ কৰিছে। প্ৰতিটো ভোট গ্ৰহণ কেন্দ্ৰত প্ৰিজাইডিং বিষয়া, প্ৰথম, দ্বিতীয়, তৃতীয় পোলিং বিষয়াই নিজৰ নিজৰ দায়িত্ব পালন কৰিবলৈ সাজু হৈছে। মহিলা ভোট কেন্দ্ৰ সমূহত সকলো সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছে। প্ৰশাসনে সকলো ভোটাৰক নিৰ্ভয়ে শান্তিপূৰ্ণ ভাবে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন শাসকীয় দলৰ প্ৰাৰ্থী

# তিনিচুকীয়াৰ ৬ সমষ্টিৰ ২৮ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ১০ লাখ ভোটাৰে

## মুঠ ভোট কেন্দ্ৰৰ সংখ্যা ১,২৮০

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৭ এপ্ৰিল ঃ** তিনিচুকীয়া জিলাৰ ৬ বিধানসভা সমষ্টিৰ সৰ্বমুঠ ২৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ১০ লাখ ৮ হাজাৰ ১৫৮ গৰাকী ভোটাৰে। ৮১ নং শদিয়া সমষ্টিৰ বিজেপিৰ বলীন চেতিয়া আৰু অজাপৰ জগদীশ ভূঞাকে ধৰি মুঠ ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। প্ৰায় সমসংখ্যক পুৰুষ আৰু মহিলা ভোটাৰৰ সমাহাযুক্ত জিলাখনৰ সৰ্বাধিক ২ লাখ ৪ হাজাৰ ৯৪৫ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব প্ৰাৰ্থী সকলৰ ভাগ্য। শেহতীয়া খবৰ অনুসৰি বিজেপি আৰু বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী অজাপৰ মাজত হ'ব তীব্ৰ প্ৰতিদ্বন্দ্বিতা। এই যুঁজত কোনে শেষ হাঁহি মাৰে সময়েহে ক'ব। ৮২ নং ডুমডুমা সমষ্টিটোয়েই হৈছে ন্যূনতম দুগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা জিলাখনৰ একমাত্ৰ সমষ্টি। এই সমষ্টিটো বিজেপি প্ৰাৰ্থী ৰূপেশ গোৱালা শক্তিশালী প্ৰাৰ্থী বুলি সৰ্বজন বিদিত যদিও পৰিশেষত 'শহা আৰু কাছৰ দৌৰ'ৰ দৰে পৰিণতি হ'লেও আচৰিত হ'ব লগা নাই বুলিও চৰ্চা চলিছে। এই সমষ্টিত ভোটাৰৰ সংখ্যা ১ লাখ ৪৬ ৫০৯ গৰাকী। একেদৰে ৮৩ নং মাৰ্ঘেৰিটা সমষ্টিটো দুটা কাৰ্যকালৰ বিধায়ক বিজেপিৰ ভাস্কৰ শৰ্মাৰ বিৰুদ্ধে থিয় দি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে উচ্চশিক্ষিত যুৱক তথা ৰাইজৰ দলৰ প্ৰাৰ্থী ৰাহুল চেত্ৰীয়ে। এক প্ৰকাৰে ৰাজনৈতিক ধুমুহাৰ সৃষ্টি কৰিছে ৰাহুলে। ১ লাখ ৭৪ হাজাৰ ৯৭০ গৰাকী ভোটাৰযুক্ত এই সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা তৃতীয়গৰাকী ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী জাৰ্ণেল মিঞ্জেও এৰ্ঘাঁৰি যুঁজাৰ বাবে কঁকালত টঙালি বান্ধিছে। ৮৪ নং ডিগবৈ সমষ্টিটোতো দুবাৰৰ বিধায়ক বিজেপি প্ৰাৰ্থী সুৰেন ফুকনৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে মিত্ৰ জোঁটৰ হৈ ৰাইজৰ দলৰ প্ৰাৰ্থী দুলাল মৰাণ, ঝাৰখণ্ড মুক্তি মৰ্চাৰ ভৰত নায়ক আৰু নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণে। এই সমষ্টিত ভোটাৰৰ সংখ্যা ২ লাখ ৪৬ হাজাৰ ৯১৭ গৰাকী। নৱতম সংযোজন ৮৫ নং মাকুম সমষ্টিত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে যদিও মূল যুঁজখন হ'ব বিজেপিৰ সঞ্জয় কিষাণ আৰু কংগ্ৰেছৰ শিৱনাথ চেতিয়াৰ মাজতেই। উল্লেখ্য যে নিজৰ কৰ্মবিমুখতাৰ বাবেই নিজা সমষ্টি তিনিচুকীয়া হেৰুওৱাব লগা হোৱা সঞ্জয় কিষাণে অৱশেষত কংগ্ৰেছৰ শিৱনাথৰ হাততেই সমষ্টিটো এৰিবলৈ বাধ্য হ'ব বুলিও চৰ্চা চলিছে। এই সমষ্টিৰ পৰাও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে ৫ গৰাকী প্ৰাৰ্থীয়ে। নতুন সমষ্টিটোত ভোটাৰৰ সংখ্যা ১ লাখ ৫৯ হাজাৰ ৫১৮ গৰাকী। জিলাখনৰ সৰ্বাধিক চৰ্চাত থকা সমষ্টিটোৱেই হৈছে ৮৬ নং তিনিচুকীয়া সমষ্টি। এই সমষ্টিৰ ১ লাখ ৭৬ হাজাৰ ২৯৯ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব সৰ্বাধিক ৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য। উল্লেখ্য যে, যুগ যুগ ধৰি অনা-অসমীয়াৰ হাতত থকা সমষ্টিটো এইবাৰ খিলঞ্জীয়াৰ হাতলৈ যোৱাটো নিশ্চিত হৈ পৰিছে। কাৰণ বিজেপিৰ পুলক গোহাঁই আৰু কংগ্ৰেছৰ ডেভিদ ফুকনৰ মাজতেই সীমাবদ্ধ থাকিব তিনিচুকীয়াৰ নিৰ্বাচনী যুঁজখন। এই দুই 'গেনামহ'ৰ যুঁজত যিজনে জিকিলেও আসনখন বৈ যাব থলুৱাৰ হাতত। চৰ্চামতে তৃতীয় স্থানত থাকিব নিৰ্দলীয় প্ৰাৰ্থী লালন সাহানী। উল্লেখ্য যে ৮১ নং শদিয়া সমষ্টিটোৰ বাদে জিলাখনৰ বাকী ৫টা সমষ্টিতেই পুৰুষতকৈ মহিলা ভোটাৰৰ সংখ্যা অধিক। ডুমডুমা, মাৰ্ঘেৰিটা, ডিগবৈ, মাকুম আৰু তিনিচুকীয়া সমষ্টিত পুৰুষ ভোটাৰতকৈ ক্ৰমে ৬, ০১৪/ ২, ১৩৮/ ৩, ৮৪১/ ৬, ৩৭১ আৰু ৩, ২৪৯টা অধিক মহিলা ভোট। এই ৬ সমষ্টিৰ সৰ্বমুঠ ১০ লাখ ৮ হাজাৰ ১৫৮টা ভোটৰ বাবে নিৰ্বাচনী আয়োগে স্থাপন কৰিছে সৰ্বমুঠ ১, ২৮০টা ভোটগ্ৰহণ কেন্দ্ৰ। স্মৰ্তব্য যে এইবাৰৰ নিৰ্বাচনটোৱেই হ'ব শাসকীয় দলে প্ৰবল প্ৰত্যাবানৰ সন্মুখীন হোৱা একমাত্ৰ নিৰ্বাচন।

# কাণকুৰিকা উচ্চ বুনিয়াদী বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ আয়োজন

## ❑ সাধাৰণ সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত ❑

**অসম বাৰ্তা, মাজুলী, ৭ এপ্ৰিল ঃ** ব্ৰহ্মপুত্ৰৰ খহনীয়াত আক্ৰান্ত মাজুলীৰ কাণকুৰিকা গাঁৱত মাজুলীৰ স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে ১৯৫০ স্থাপন কৰা কাণকুৰিকা মধ্য অসমীয়া বিদ্যালয়খন খহনীয়াত পতিত হোৱা অন্য এখন বিদ্যালয়ত জাপি দিয়াৰ চেষ্টা কৰিছিল যদিও আউনীআটী অঞ্চলৰ গাঁও সমূহৰ সচেতন লোক সকলে বৰতানি গাঁৱত ৰংগমঞ্চ নিৰ্মাণৰ উদ্যোগ লৈ নিৰ্মিত ভেটিলৈ ১৯৬৯ চনত স্থানান্তৰ কৰা হয় আৰু ১৯৭০ চনৰ পৰা এই স্থানতে ৫০ বছৰ কাল অতিবাহিত কৰি মহাৰজত জয়ন্তীৰ পবিত্ৰ ক্ষণত উপনীত হ'বলৈ সক্ষম হয়। বান আৰু খহনীয়া, তথা প্ৰতিকুল পৰিস্থিতিৰ বাবে ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰিবলৈ অপাৰগ হয়। বিদ্যালয় খনৰ শিক্ষাগুৰু সকল আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ৩০ আৰু ৩১ মে'তাৰিখে মহাৰজত জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত বিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰ তথা মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাৰ সভাপতিত্বত অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া, উপ সমিতি সমূহৰ সভাপতি সম্পাদক তথা অঞ্চলটোৰ গণ্য মান্য ব্যক্তি উপস্থিতিত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত উপসমিতি সমূহে অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। আজিৰ সভাই অনুষ্ঠানটো উদযাপনৰ ক্ষেত্ৰত ৰাইজৰ ওচৰ চাপি আশানুৰূপ সঁহাৰি লাভ কৰিছে বুলি উদযাপন সমিতিৰ সম্পাদক জগত হাজৰিকা আৰু অৰুণ দাসে জানিবলৈ দিয়ে। সভাই সৰ্বসন্মতি ক্ৰমে ৮ লাখ টকাৰ বাজেট ধাৰ্য্য কৰি বিদ্যালয়ৰ শিক্ষক- কৰ্মচাৰীৰ বৰঙনি নিৰ্দিষ্ট কৰি বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সকলক বিদ্যালয় খনৰ বাবে দান বৰঙনি আগবঢ়াবলৈ আহ্বান জনায়। সহকাৰী শিক্ষক দীপক বৰুৱাই ডাঙি ধৰা মহাৰজত জয়ন্তীৰ কাৰ্যসূচী কিছু সালসলনি কৰি দুদিনীয়াকৈ পালন কৰাৰ সিদ্ধান্ত কৰে। সেই অনুসৰি ৩০ মেৰ দিনা ৭৫খন আসন পতাকা বিশিষ্ট লোকৰ দ্বাৰা উত্তোলন কৰাৰ সিদ্ধান্ত কৰি প্ৰথম দিনা প্ৰাক্তন ছাত্ৰ-শিক্ষক সমাৰোহৰ আৰু অন্যান্য কাৰ্যসূচীৰ লগতে ৰাতিলৈ বিশিষ্ট শিল্পী আৰু স্থানীয় শিল্পীৰ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানটো মঞ্চ আৰু দিনটো কাৰ কাৰ সোঁৱৰণ অনুষ্ঠিত কৰা হ'ব তাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। দ্বিতীয় দিনা সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভাত বিদ্যালয়ৰ লগত জড়িত আৰু অঞ্চলতটোৰ উজলাই তোলা সকলকো সম্বৰ্ধনা জ্ঞাপন কৰাৰ সপক্ষে মত পোষণ কৰে। সভাত মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশ পাবলগীয়া স্মাৰক গ্ৰন্থখন প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক প্ৰয়াত ডিম্বেশ্বৰ হাজৰিকা দেৱৰ স্মৃতিত প্ৰকাশ কৰাৰ সিদ্ধান্ত কৰি প্ৰয়াত হাজৰিকা দেৱৰ পৰিয়ালৰ তৰফৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে আৰু স্মাৰক গ্ৰন্থ খনৰ বিষয় বস্তুৰ এখন খচৰা গ্ৰহণ কৰে। এই ক্ষেত্ৰত প্ৰাক্তন শিক্ষাৰ্থী আৰু শিক্ষাগুৰু সকলক একোটা লেখা দিবলৈ স্মাৰক গ্ৰন্থৰ সভাপতি, সম্পাদক ক্ৰমে ৰঞ্জিৎ কুমাৰ ভূঞা আৰু কুমুদ বৰাই গোহাৰি জনায়। আনহাতে ৰাতিলৈ বিদ্যালয়ৰ শিক্ষয়িত্ৰী তথা স্থানীয় মহিলা সকলে "ৰুক্মিণী হৰণ" ভাওনা প্ৰদৰ্শন কৰাৰ অনুমোদন জনায় আৰু পৰম্পৰাগত কাৰ্যসূচীৰে আজি নাট মেলা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজিৰ সভাত অতি সোনকালে উপ সমিতি সমূহৰ বৈঠক অনুষ্ঠিত কৰাৰ পৰামৰ্শ আগবঢ়াই প্ৰয়োজন সাপেক্ষে কৰ্ণধাৰ সমিতিৰ বৈঠক অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়ে। সভাত বৰ্তমান প্ৰধান শিক্ষক অৰুণ দাস, প্ৰাক্তন প্ৰধান শিক্ষক ধীৰেন্দ্ৰ নাথ বৰা, প্ৰাক্তন শিক্ষয়িত্ৰী সুৰ হাজৰিকা, প্ৰাক্তন ছাত্ৰ দুৰ্গা প্ৰসাদ হাজৰিকা, জগত হাজৰিকা, ৰমা হাজৰিকা, ধীৰেন বৰা, ধ্ৰুব বৰা, যুগল ভূঞা, হেমন্ত শৰ্মা, দীপক বৰুৱা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰমেশ বৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে দিহা পৰামৰ্শ আগবঢ়াই আৰ্থিক ভাৱে সহায় কৰাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# ৰাইজৰ নিৰ্ভিক ভোটদানৰ বাবে নলবাৰীত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ সজাগতা ৰেলী

**অসম বাৰ্তা, নলবাৰী, ৭ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক নিৰ্ভিকভাৱে ভোটদান কৰিবলৈ ওলাই আহিবলৈ উৎসাহিত কৰাৰ বাবে নলবাৰী জিলা প্ৰশাসন আৰু নলবাৰী আৰক্ষী প্ৰশাসনে আজি নলবাৰী সদৰ থানাৰ পৰা এটা সজাগতা ৰেলী উলিয়ায়। সজাগতা ৰেলীটো পতাকা জোকাৰি শুভাৰম্ভ কৰে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। তেওঁ ৰেলীত অংশগ্ৰহণো কৰে। আজিৰ এই সজাগতা ৰেলীত অংশগ্ৰহণ কৰে জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে। নিৰ্বাচন নিৰাপদে অনুষ্ঠিত কৰাৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষীৰ বাহিৰে ছিকিম পুলিচ, বি এচ এফ, এচ এচ বি, চি আই এচ এফ আদি বাহিনীয়েও এই সজাগতা ৰেলীত অংশগ্ৰহণ কৰে। ৰেলী শুভাৰম্ভ কৰি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কয় যে জনসাধাৰণে যাতে ভয়-শংকামুক্ত হৈ মুকলি মনেৰে ওলাই আহি কাৰো দ্বাৰা প্ৰৰোচিত নোহোৱাকৈ বিবেক ভোট দিব পাৰে সেয়া নিশ্চিত কৰাৰ উদ্দেশ্যে এই সজাগতা ৰেলী উলিওৱা হৈছে। আজিৰ ৰেলীটো নলবাৰী সদৰৰ থানাৰ সন্মুখৰ পৰা চহৰৰ মাজেৰে গৈ সোণপুৰত অন্ত পৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে জানিবলৈ দিয়া মতে জিলাখনৰ সকলো আৰক্ষী থানাৰ পৰাই এনেকুৱা সজাগতা ৰেলী উলিওৱাৰ ব্যৱস্থা কৰা হৈছে।

# ঘৰে-ঘৰে গৈ ভোটগ্ৰহণত নগাঁও ৰাজ্যৰ ভিতৰত শীৰ্ষত

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ এপ্ৰিল ঃ** চলিত বিধানসভা নিৰ্বাচনত ঘৰে-ঘৰে গৈ ভোট সংগ্ৰহৰ ক্ষেত্ৰত শীৰ্ষস্থান অধিকাৰ কৰা জিলা সমূহৰ ভিতৰত নগাঁও জিলাই ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ জিলা হিচাপে পৰিগণিত হৈছে। যোৱা ২ এপ্ৰিলৰ পৰা ৪ এপ্ৰিলৰ ভিতৰত জিলাখনৰ আগ্ৰহী ৮৫ বছৰৰ উৰ্ধৰ বয়োজ্যেষ্ঠ নাগৰিক আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত ব্যক্তিক নিজৰ ঘৰৰ পৰাই ভোট দিয়াৰ সুবিধা প্ৰদান কৰা হৈছিল। সেই উদ্দেশ্যে গঠিত ৬৫টা দলে জিলাখনৰ দূৰ-দূৰণীৰ বহু আওহতীয়া ঠাইলৈ গৈয়ো নিৰ্দিষ্ট ভোটাৰৰ ঘৰৰ পৰা তেওঁৰ ভোট সংগ্ৰহ কৰে। জিলাখনত থকা এনে ৩, ৯৯৭জন ভোটাৰৰ ৯৭ শতাংশৰ পৰাই সফলতাৰে ভোট সংগ্ৰহ কৰিবলৈ সক্ষম হয়, যিটো পৰিসংখ্যা ৰাজ্যৰ ভিতৰত অন্যতম সৰ্বোচ্চ বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই জনাইছে। তেওঁ জনোৱা মতে, ইতিমধ্যে মৃত্যু হোৱা বা শাৰীৰিক অসুস্থতাৰ বাবে জিলাৰ বাহিৰলৈ স্থানান্তৰিত হোৱা আদি কাৰণত তিনি শতাংশ ভোটাৰক ঘৰত পোৱা নগ'ল। জিলাখনৰ অতিৰিক্ত আয়ুক্ত কমল শৰ্মাৰ নেতৃত্বত গঠিত পোষ্টেল বেলট কোষৰ এই বিশেষ সফলতাৰ বাবে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই কোষৰ সমূহ বিষয়া-কৰ্মচাৰীলৈ আন্তৰিক ওলগ জনাইছে।

# জাঁজী জামুগুৰি মৰাণছিগাত জয়মতী উৎসৱ পালন


**অসম বাৰ্তা, জাঁজী, ৭ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ অগ্ৰণী সৃষ্টিৰংগন সাংস্কৃতিক গোষ্ঠী আৰু জাঁজী জামুগুৰি মৰাণছিগা গাঁৱৰ ৰাইজৰ সহযোগত যোৱা ৫ এপ্ৰিল তাৰিখত দিবা নৈশ কাৰ্য্যসূচীৰে মহাসতী জয়মতী উৎসৱ উদযাপন কৰে। পুৱা বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভ উদ্বোধন কৰে বিশিষ্ট সমাজ কৰ্মী অনিল চন্দ্ৰ বৰুৱাই। দিবস উপলক্ষে অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম আয়ুস্মিতা বৰুৱা, দ্বিতীয় দেৱাশিস বৰুৱা আৰু তৃতীয় আশিস ৰিয়ান গগৈ। আনহাতে খ শাখাত ৰিস্মিতা চেতিয়া, দ্বিতীয় নীতিজ্ঞা বৰুৱা আৰু তৃতীয় অনিচ প্ৰতিমা চেতিয়া। গ শাখাত বিশেষ বঁটা গৌৰাঙ্গ প্ৰসাদ শইকীয়াই লাভ কৰে। কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম আয়ুস্মিতা বৰুৱা, দ্বিতীয় এঞ্জেল প্ৰিয়া বৰুৱা, তৃতীয় যুটীয়াভাৱে আৰিয়ান ফুকন আৰু অংগনা বৰুৱা। খ শাখাত প্ৰথম ত্ৰিয়াদা কাশ্যপ, দ্বিতীয় নীতিজ্ঞা বৰুৱা, তৃতীয় মধুপৰ্না বৰুৱা। গ শাখাত প্ৰথম বিচিত্ৰ গগৈ, দ্বিতীয় মধুস্মিতা গোহাঁই আৰু কুঁহি দুৱৰাই তৃতীয় স্থান লাভ কৰে। বিয়লি স্থানীয় অনিল চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা বিতৰিণী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয় অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বীনা বৰুৱা আৰু নিৰ্দ্দিষ্ট বক্তা হিচাপে বিশিষ্ট শিশু সাহিত্যিক অৰূপ জ্যোতি হাজৰিকাই অংশগ্ৰহণ কৰে। মুকলি সভাৰ অন্তত দেৱ বিকাশ দত্তৰ পৰিচালনা আৰু অনুৰাগ শইকীয়াৰ সহ পৰিচালনাত প্ৰদৰ্শিত হোৱা মহাসতী জয়মতী নাট অভিনয়ৰ শুভ উদ্বোধন কৰে ৭৭ নং জাঁজী মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবীন গায়নে। অনুষ্ঠানটো সাফল্য মণ্ডিত কৰাৰ বাবে সকলো পক্ষকে সভানেত্ৰী কৰবী বৰুৱা আৰু সম্পাদিকা পূৰ্ণিমা ফুকন বৰুৱাই ধন্যবাদ জ্ঞাপন কৰে।

# ৰূপহীহাটত ৰাইজৰ গণ প্ৰহাৰত তিনিজন ডকাইতৰ মৃত্যু; আহত ১

**অসম বাৰ্তা, ৰূপহীহাট, ৭ এপ্ৰিল ঃ** ৰূপহীহাটৰ১নং কাঠপাৰাত যোৱানিশা ৰাইজৰ গণ প্ৰহাৰত তিনিজন ডকাইতৰ মৃত্যু হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে যোৱানিশা ২ মান বজাত ১নং কাঠপাৰাৰ মোজ্জামিল হক চৌধুৰী নামৰ লোকজনৰ ঘৰত ১০-১২ জনীয়া অস্ত্ৰধাৰী ডকাইতৰ দল এটা প্ৰৱেশ কৰে। ডকাইতৰ দলটোৱে ঘৰৰ ভিতৰত প্ৰৱেশ কৰিয়েই ঘৰৰ মালিক মোজ্জামিল হক চৌধুৰীক হাত, ভৰি আৰু চকু বান্ধি মূৰত খুকৰি ধৰি টকা পইচা আৰু সোণৰ আ-অলংকাৰ কত আছে বুলি সোধে। মোজ্জামিলে ঘৰত টকা পইচা নাই বুলি কোৱাত মোজ্জামিলৰ মূৰত খুকুৰিৰে প্ৰহাৰ কৰি ঘৰৰ সকলোকে গুলিয়াই মাৰি পেলোৱাৰ ভাবুকি দিয়ে ডকাইতৰ দলটোৱে। মোজ্জামিলে নিজৰ আৰু ঘৰৰ সকলোৰে প্ৰাণ ৰক্ষা কৰাৰ কাৰণে গডৰেজত টকা আৰু সোণৰ আ-অলংকাৰ আছে বুলি ডকাইতৰ দলটোক কয়। ডকাইতৰ দলটোৱে গডৰেজৰ পৰা সোণৰ আ-অলংকাৰ আৰু আৰু নগদ এক লাখ বিছ হেজাৰ টকা লোৱাৰ লগতে মোজ্জামিলৰ পত্নীৰ হাতৰ পৰা খাৰু, কানফুল খুলি লৈ যোৱাৰ সময়তে চিঞৰ বাখৰ কৰাত ওচৰ চুবুৰীয়া ৰাইজ ওলাই আহে। ওচৰ চুবুৰীয়া ৰাইজ ওলাই অহাত ডকাইতৰ দলটো পলাই যাবলৈ চেষ্টা কৰে। মোজ্জামিলৰ ঘৰৰ চাৰিওফালে বৰোধান খেতিৰ বোকাৰ মাজৰে ডকাইতৰ দলটো পলাই যোৱাৰ সময়তে ৰাইজে খেদি খেদি চাৰিজন ডকাইতক আটক কৰি গণ প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত কৰে। ঘটনাস্থলীত কলিয়াবৰ সম জিলা আৰক্ষী অধীক্ষক, ৰূপহীহাট আৰু আমবাগান আৰক্ষী উপস্থিত হৈ ৰাইজৰ গণ প্ৰহাৰত গুৰুতৰভাৱে আহত হোৱা ডকাইত চাৰিজনক অতি সংকটজনক অৱস্থাত নগাঁও মেডিকেল কলেজ হস্পিটেলত ভৰ্তি কৰায়। নগাঁও মেডিকেল কলেজত তিনিজন ডকাইতৰ মৃত্যু হয়। মৃত্যু হোৱা ডকাইত তিনিজন হ'ল কদমগুৰীৰ চফীউল্লাহ, ইনামুল হক আৰু ১ নং সোণাজুৰীৰ আজিবুৰ ৰহমান ওৰফে (খাইৰুল)। আনফালে অতি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে পূব লৰিৰমুখৰ ৰেকিব উদ্দিন নামৰ ডকাইতজন। ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলত চেপা উত্তেজনাই বিৰাজ কৰিছে।

# দেৰগাঁৱত ঘৰে-ঘৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ

**অসম বাৰ্তা, দেৰগাঁও, ৭ এপ্ৰিল ঃ** সমগ্ৰ অসমৰ লগতে দেৰগাঁৱতো ঘৰে ঘৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজিৰ পৰা তিনিদিনীয়াকৈ চলিবলগীয়া ভোট গ্ৰহণ প্ৰক্ৰিয়াত ১০৪নং দেৰগাঁও বিধানসভা সমষ্টিত এইবাৰ ১৬৫ গৰাকী বিশেষভাৱে সক্ষম ভোটাৰ আৰু ২৯৯গৰাকী ৮৫ বৰ্ষৰ উৰ্ধ্বৰ ভোটাৰে আৱেদন কৰিছিল। আজি দেৰগাঁও নগৰত ভোটদান কৰিব লগা ৯৫ বছৰীয়া মানক চন্দ্ৰ আগৰৱালাই এই ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবৰ বাবে আৱেদন প্ৰক্ৰিয়া সমাপ্ত কৰিছিল যদিও আজি ভোট গ্ৰহণৰ বাবে ভোটাৰগৰাকীৰ ঘৰত নিৰ্বাচনী বিষয়াসকল উপস্থিত হোৱাত এক অনাহুত পৰিস্থিতিৰ সন্মুখীন হয়। যিহেতু মানক চন্দ্ৰ আগৰৱালাই ইতিমধ্যে পাৰ্থিৱ জগতৰ পৰা বিদায় মাগিছে আৰু আজি তেওঁৰ আদ্যশ্ৰাদ্ধৰ দিন আছিল। দেৰগাঁৱৰ বি এল অ' ৰাজেন পূজাৰীয়ে মানক চন্দ্ৰ আগৰৱালাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে আন এগৰাকী ৯০ বছৰীয়া ভোটাৰ গীতা দেৱী আগৰৱালাকো গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। আজি মুঠ যোল্লগৰাকী ভোটাৰে ভোটদান কৰি দেৰগাঁও সমষ্টিৰ তিনিগৰাকী প্ৰাৰ্থীৰ ভাগ্য বন্দী কৰে।



# নিৰ্বাচনী সতৰ্কতা নগাঁৱত ৰাজপথত সদলবলে ডিচি-এছপিৰ পদযাত্ৰা

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ এপ্ৰিল ঃ** নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলাৰ শান্তি-শৃংখলা অটুট ৰখা তথা জনসাধাৰণৰ মাজত নিৰাপত্তাৰ ধাৰণা সুদৃঢ় কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত দেৱাশিস শৰ্মা আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতিম দাসৰ প্ৰত্যক্ষ নেতৃত্বত চহৰখনৰ সদৰ থানাৰ পৰা ষ্টেডিয়াম বজাৰহৈ বিভিন্ন গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ স্থানসমূহত এক বিশেষ পথ নিৰীক্ষণ আৰু এলাকা আধিপত্য কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰা হয়। সমগ্ৰ নগৰখনৰ লগতে জিলাখনত এক সুস্থিৰ আৰু শান্তিপূৰ্ণ পৰিৱেশ বজাই ৰখাৰ লগতে যিকোনো ধৰণৰ অসামাজিক তথা অপৰাধমূলক কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাৰ্তা দি ৰূপায়ণ কৰা এই বিশেষ পথ নিৰীক্ষণ আৰু এলাকা আধিপত্য কালত জিলাখনৰ উচ্চপদস্থ বিষয়া দুগৰাকীয়ে আৰক্ষী প্ৰশাসনৰ সৈতে বিভিন্ন স্থানত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু জনসাধাৰণৰ সৈতে ঠায়ে ঠায়ে বাৰ্তালাপো কৰে। উল্লেখযোগ্য যে, প্ৰায় প্ৰতিদিনে জিলাখনত প্ৰশাসন আৰু আৰক্ষীৰ দুই মুৰব্বীয়ে জিলাখনৰ সকলো প্ৰান্তত, বিশেষকৈ স্পৰ্শকাতৰ এলেকাত এনেদৰে পদ-যাত্ৰা কৰি ৰাইজৰ মনত নিৰাপত্তাৰ ভাব সুদৃঢ় কৰাৰ প্ৰয়াস চলাই থকা পৰিলক্ষিত হৈছে।

# জনঞ্জয় জ্যোতি হাজৰিকাৰ সৰ্বোত্তম প্ৰদৰ্শন, স্পিডো থাইলেণ্ড এইজ গ্ৰুপ সাঁতোৰ প্ৰতিযোগিতাত স্বৰ্ণ জয়

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ এপ্ৰিল ঃ** অসমৰ প্ৰতিভাশালী সাঁতোৰবিদ জনঞ্জয় জ্যোতি হাজৰিকাই আন্তঃৰাষ্ট্ৰীয় মঞ্চত উজ্জ্বল সফলতা লাভ কৰি দেশ তথা ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। বৰ্তমানে ৩ এপ্ৰিলৰ পৰা ৮ এপ্ৰিললৈ অনুষ্ঠিত হৈ থকা 'Speedo Thailand Age Group Swimming Championship'ত ভাৰতক প্ৰতিনিধিত্ব কৰি তেওঁ পুৰুষৰ ১০০ মিটাৰ বাটাৰফ্লাই শাখাত স্বৰ্ণ পদক অৰ্জন কৰে। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে, Sports Authority of Thailand-ৰ দ্বাৰা আয়োজিত এই প্ৰতিযোগিতাত হাজৰিকাই অসাধাৰণ প্ৰদৰ্শন দেখুৱাই নিজৰ ব্যক্তিগত সৰ্বোত্তম সময় ৫৪.০৫ ছেকেণ্ডত সাঁতুৰি প্ৰথম স্থান দখল কৰে। অসম সাঁতোৰ সংস্থাৰ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে এই সফলতাৰ বাবে গভীৰ সন্তুষ্টি প্ৰকাশ কৰি জনঞ্জয় জ্যোতি হাজৰিকাক অভিনন্দন জনায়। ইয়াৰ লগতে তেওঁ কয় যে, এই সাফল্য হাজৰিকাৰ কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু ক্ৰীড়াৰ প্ৰতি থকা দায়বদ্ধতাৰ ফল। এই বিজয় কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ দেশৰ বাবে এক গৌৰৱৰ বিষয়। ইয়াৰ লগতে এই সফলতা আগন্তুক প্ৰজন্মৰ খেলুৱৈসকলৰ বাবে এক শক্তিশালী প্ৰেৰণাৰ উৎস হিচাপে পৰিগণিত হৈছে।

# নিৰ্ভয়ে ভোটদান কৰিবলৈ ভোটাৰক আহ্বান অসম আৰক্ষীৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৭ এপ্ৰিল ঃ** অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে সষ্টম হৈ আছে প্ৰতিখন জিলাৰ আৰক্ষী প্ৰশাসন। আৰক্ষী প্ৰশাসনে ভোটাৰ ৰাইজক নিৰ্ভয়ে নিজৰ নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাই আজি ঠায়ে-ঠায়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰোড মাৰ্চ উলিয়াই। "নিৰ্ভয়েৰে আমি আগবাঢ়ি আহোঁ, অভিলেখ ভোটদানেৰে অসমৰ সুনাম গঢ়োঁ" - এই আহ্বানেৰে আজি ডুমডুমা নগৰতো ডুমডুমা সমজিলা আৰক্ষী প্ৰশাসন আৰু ডুমডুমা আৰক্ষী থানাৰ উদ্যোগত ভোটাৰৰ মাজত সচেতনতা বৃদ্ধিৰ বাবে এক ৰোড মাৰ্চ উলিওৱা হয়। ডুমডুমা সমজিলা আৰক্ষী অধীক্ষক দিগন্ত দত্ত আৰু ডুমডুমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰিদৰ্শক অভিজিৎ কুমাৰ বৰুৱাৰ নেতৃত্বত উলিওৱা এই ৰোড মাৰ্চত অসম আৰক্ষীৰ উপৰিও নিৰ্বাচনৰ বাবে ডুমডুমাত নিয়োজিত ত্ৰিপুৰা আৰক্ষী আৰু চণ্ডীগড় আৰক্ষীয়েও অংশগ্ৰহণ কৰে। এই ৰোড মাৰ্চৰ জৰিয়তে কোনো ভয়-শংকা নোহোৱাকৈ ভোটাৰক ভোটদান কৰিবলৈ আৰক্ষীয়ে আহ্বান জনায়।

# শ্ৰীমন্ত শংকৰদেৱ একাডেমীত বিদ্যাৰম্ভ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, নলবাৰী, ৭ এপ্ৰিল ঃ** শ্ৰীমন্ত শংকৰদেৱ একাডেমীত আজি ২০২৬-২৭ শিক্ষাবৰ্ষৰ শুভাৰম্ভ উপলক্ষে বিদ্যাৰম্ভ অনুষ্ঠান উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। নতুন শিক্ষাবৰ্ষৰ প্ৰথম দিনটোত বিদ্যালয় চৌহদত উৎসৱমুখৰ পৰিৱেশেৰে ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱা হয়। এই উপলক্ষে বিদ্যালয়লৈ আগমন কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষক-শিক্ষয়িত্ৰী তথা বিদ্যালয় কৰ্তৃপক্ষৰ ফালৰ পৰা পুষ্পৰে সাদৰ সম্ভাষণ জনোৱা হয়। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ কপালত তিলক প্ৰদান কৰি শুভাশীষ আগবঢ়োৱা হয়। উক্ত অনুষ্ঠানত প্ৰবক্তা বিপুল শৰ্মাই কয় যে ছাত্ৰ-ছাত্ৰীসকলেই সমাজৰ ভৱিষ্যত, আৰু তেওঁলোকে আগন্তুক দিনত পৰিয়াল, সমাজ তথা বিদ্যালয়খনৰ নাম উজলাব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ লগতে উল্লেখ কৰে যে বিদ্যাৰম্ভৰ প্ৰথম দিনটোতেই যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি দেখা গৈছে, যাৰ বাবে বিদ্যালয় পৰিয়াল আনন্দিত। অভিভাৱক-অভিভাৱিকা সকলৰ পৰা আগন্তুক সময়তো একেই ধৰণৰ সহায়-সহযোগিতা লাভ কৰাৰ আশাও প্ৰকাশ কৰে। বিদ্যালয়খনৰ পৰিচালন সঞ্চালক ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই জনায় যে নলবাৰী চ'কবজাৰত অৱস্থিত এই প্ৰতিষ্ঠানত প্ৰায় পাঁচ-ছয়শ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বিদ্যাৰম্ভ অনুষ্ঠান সফলভাৱে সম্পন্ন কৰা হয়। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশৰ বাবে বিদ্যালয়ে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু অসমীয়া মাধ্যমৰ লগতে ইংৰাজী ভাষাতো দখল নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে, যাতে ভৱিষ্যতে অভিভাৱকসকলে কোনো ধৰণৰ অসন্তুষ্টি অনুভৱ নকৰে। প্ৰবক্তা বিপুল শৰ্মাই আঁত ধৰা অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষ ড° দীনমণি ভাগৱতী, পৰিচালন সঞ্চালক ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা, প্ৰধান শিক্ষক ৰাতুল শৰ্মা, উপাধ্যক্ষ খাইৰুল ইছলামৰ লগতে বহু সংখ্যক অভিভাৱক-অভিভাৱিকাৰ উপস্থিতি লক্ষ্য কৰা যায়।

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ৭ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ডিজিটেল সভাকক্ষত আজি মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নতুনকৈ ভোটদানৰ কৰিবলৈ স্বীকৃতি লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভোটদানৰ সজাগতা সভা অনুষ্ঠিত কৰে। উল্লেখ্য যে ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° বসন্ত সন্দিকৈয়ে আঁতধৰা সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বুৰঞ্জী বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক তীৰ্থ বৰুৱা। বৰুৱাই ভোটদান প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰাৰ সমান্তৰালভাৱে ওচৰৰ-চুবুৰীয়া লোকসকলৰ মাজতো ভোটাধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিবলৈ আহ্বান জনায়। সভাত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক তথা বুৰঞ্জী বিভাগৰ জ্যেষ্ঠ অধ্যাপক ছাজিদুল হক বৰবৰাই ভোটদানৰ সময়ত ভোটদাতাৰ সকলে মানি চলিব লগা দিশবোৰ সামৰি মন্তব্য প্ৰদান কৰে আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° ৰাজীৱ গগৈয়ে ই ভি এম (EVM) ব্যৱহাৰ সম্পৰ্কীয় দিশবোৰ পুংখানুপুংখকৈ ছাত্ৰ-ছাত্ৰীসকলৰ আগত অৱগত কৰে। শেষত সকলোৰে সভাখনত আগবঢ়োৱা সহযোগিতা বাবে ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ তথা মুৰব্বী অধ্যাপিকা মনোৰিমা ভাগৱতীয়ে উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক মণ্ডলীক শলাগ জ্ঞাপন কৰে।

## সম্পাদকীয়

# ভোটাধিকাৰ আৰু অসম

অসম আজি এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হ'ব। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ২ কোটি ৫০ লাখৰো অধিক ভোটাৰে একেলগে ১২৬টা সমষ্টিত ভোটদান কৰিব। নিৰ্বাচন আয়োগৰ প্ৰস্তুতি প্ৰশংসনীয় - ৩১, ৪৯০টা ভোট কেন্দ্ৰ, ৱেবকাষ্টিং ব্যৱস্থা, কেন্দ্ৰীয় বাহিনীৰ মোতায়েন, আৰু বিশেষভাৱে সক্ষম আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে পোষ্টেল বেলটৰ ব্যৱস্থাই সঁচাৰ্থে এক সুস্থ গণতান্ত্ৰিক পৰম্পৰাক প্ৰতিফলিত কৰিছে। কিন্তু ভোটাধিকাৰৰ এই মহোৎসৱৰ মাজতে সাধাৰণ মানুহৰ মনত কিছুমান প্ৰশ্ন উত্থাপন হৈছে।

প্ৰথম প্ৰশ্ন- ভোট সঁচাকৈয়ে শক্তিশালী নেকি? অসমৰ ৰাজনৈতিক পটভূমিত য'ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৰে শক্তিশালী নেতৃত্বই ৰাজ্যৰ ৰাজনীতি নিৰ্ধাৰণ কৰি আছে, তাত এজন সাধাৰণ নাগৰিকৰ ভোটে কিমান পাৰ্থক্য সৃষ্টি কৰিব পাৰে? দ্বিতীয় প্ৰশ্ন- জুবিন গাৰ্গৰ মৃত্যু ঘটনা বা আন সাম্প্ৰতিক বিতৰ্কিত ঘটনাই নিৰ্বাচনী ৰাজনীতিত কেনেদৰে প্ৰভাৱ পেলাইছে? জুবিন অনুৰাগীসকলে যিদৰে "ন্যায়ৰ বিষয়টো আগত ৰাখি" ভোট দিবলৈ আহ্বান জনাইছে, সেয়া প্ৰমাণ কৰে যে সামাজিক ন্যায় আৰু চৰিত্ৰৰ প্ৰশ্নই ভোটাৰৰ মনত স্থান পাইছে।

তৃতীয় আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন- আমাৰ ভোট সঁচাকৈয়ে গণনা হয় নে? নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ যদিও, এটা অংশই অনুভৱ কৰে যে ধন-বল, জাতি-গোষ্ঠী আৰু আঞ্চলিক অসন্তোষৰ বাদ্যযন্ত্ৰই প্ৰকৃত গণতান্ত্ৰিক প্ৰক্ৰিয়াক প্ৰভাৱিত কৰে। ৭২২ গৰাকী প্ৰাৰ্থীৰ ভিতৰত কিমানজন নিৰ্ভেজাল আৰু যোগ্য? এই প্ৰশ্নই আজিও ৰাইজৰ মনত খলকনি তুলি থাকে।

আনহাতে, ৬.৪ লাখ নবীন ভোটাৰে প্ৰথমবাৰৰ বাবে ভোটদান কৰিব। তেওঁলোকৰ উদ্যমেই অসমৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব। ৮৫ বছৰ উৰ্ধ্ব ২৬ হাজাৰ জ্যেষ্ঠ নাগৰিক আৰু ৮ হাজাৰৰো অধিক দিব্যাংগ ভোটাৰে পোষ্টেল বেলটৰ যোগেদি নিজৰ অধিকাৰ সাব্যস্ত কৰাটো এক দৃষ্টান্ত। গতিকে ভোটাধিকাৰ মাথোঁ এটা অধিকাৰ নহয়, ই এক দায়িত্ব। আগন্তুক কালত অসমৰ ৰাজপথ, শিক্ষা, স্বাস্থ্য, বেকাৰত্বৰ সমস্যা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি- সকলো নিৰ্ধাৰণ হ'ব আমাৰ এই ভোটৰ দ্বাৰাই। জুবিন গাৰ্গৰ ন্যায় হওক বা ৰাজ্যৰ উন্নয়নৰ প্ৰশ্ন- প্ৰতিটো বিষয়তে আমাৰ মতামত প্ৰতিফলিত হ'ব ভোটকেন্দ্ৰত।

গণতন্ত্ৰৰ মহোৎসৱত আমাৰ প্ৰত্যেকৰে অংশগ্ৰহণ অনিৱাৰ্য। কিন্তু মনত ৰাখিব লাগিব- ভোট দিয়াটোৱেই শেষ কথা নহয়, সঠিক ব্যক্তিক, সঠিক দৃষ্টিভংগীৰে ভোট দিয়াটোহে প্ৰকৃত গণতান্ত্ৰিক অধিকাৰ।



বৰ্তমানৰ নিৰ্বাচনী প্ৰচাৰসমূহ লক্ষ্য কৰিলে দেখা যায় যে, ইয়াত জনকল্যাণৰ পৰিকল্পনাতকৈ প্ৰতিপক্ষক কেনেকৈ অপমান কৰিব পাৰি, তাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হৈছে। ৰাজনৈতিক দলসমূহৰ ইস্তাহাৰত থকা প্ৰতিশ্ৰুতিবোৰ এতিয়া কেৱল কাগজৰ ফুলত পৰিণত হৈছে। জনসভাৰ মঞ্চৰ পৰা নীতিৰ পৰিৱৰ্তে এতিয়া 'বিষাক্ত বাক্য' নিৰ্গত হয়। দৰাচলতে যেতিয়া এজন ৰাজনীতিবিদে প্ৰতিপক্ষৰ ব্যক্তিগত চৰিত্ৰৰ ওপৰত প্ৰশ্ন তোলে, তেতিয়া তেওঁৰ নিজৰ বৌদ্ধিক দেউলীয়া অৱস্থাটোহে প্ৰকাশ পায়। এই ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকাও নেতিবাচক হৈ পৰিছে; গঠনমূলক আলোচনাৰ পৰিৱৰ্তে নেতাসকলৰ ব্যক্তিগত বোকা ছটিওৱা মন্তব্যবোৰকহে 'ব্ৰেকিং নিউজ' হিচাপে প্ৰচাৰ কৰি সংবাদ মাধ্যমে এই অপসংস্কৃতিক অধিক উদগনি দিছে। বৰ্তমানৰ এই অৱক্ষয়ৰ অন্যতম কাৰণ হৈছে ডিজিটেল মাধ্যমৰ অপব্যৱহাৰ।

# নিৰ্বাচনী বাকযুদ্ধ আৰু ৰাজনৈতিক সৌজন্যবোধ

অসমৰ আকাশ-বতাহত এতিয়া নিৰ্বাচনী প্ৰচাৰৰ ব্যাপক ব্যস্ততা। গণতন্ত্ৰৰ সৰ্ববৃহৎ মহা-উৎসৱ নিৰ্বাচনলৈ মাজত মাথোঁ কেইটামান দিন বাকী। ৯ এপ্ৰিলত অসমত নিৰ্বাচন অনুষ্ঠিত হ'ব। দিন ওচৰ চাপি অহাৰ লগে লগে ৰাজ্যৰ প্ৰতিটো কোণত নিৰ্বাচনী প্ৰচাৰ তুঙ্গত উঠিছে। ৰাজনৈতিক দলসমূহৰ সভা-সমিতি, পদযাত্ৰা, শোভাযাত্ৰা আৰু প্ৰাৰ্থীসকলৰ ঘৰে ঘৰে চলোৱা জনসম্পৰ্ক অভিযানে সৰ্বত্ৰ উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰিছে। প্ৰতিটো ৰাজনৈতিক দলেই এতিয়া ভোটাৰৰ মন জয় কৰিবলৈ উঠি-পৰি লাগিছে। চাহৰ দোকানৰ পৰা আৰম্ভ কৰি সামাজিক মাধ্যমলৈকে সকলোতে এতিয়া কেৱল নিৰ্বাচনৰেই চৰ্চা। কোনে মাৰিব শেষ হাঁহি, কাৰ দখললৈ যাব দিছপুৰ— তাক লৈ তীব্ৰ কৌতূহলৰ সৃষ্টি হৈছে।

দেখা গৈছে যে, গণতন্ত্ৰৰ এই উৎসৱ এতিয়া কেৱল জনমত গঠনৰ মাধ্যম হৈ থকা নাই, বৰঞ্চ ই এক কটু বাক্যৰ ৰণক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে। যি সময়ত নিৰ্বাচনী প্ৰচাৰত ৰাইজৰ মৌলিক সমস্যা, অৰ্থনৈতিক উন্নয়ন আৰু নীতি-আদৰ্শৰ চৰ্চা হ'ব লাগিছিল, সেই সময়ত বৰ্তমানৰ ৰাজনৈতিক দৃশ্যপটত ব্যক্তিগত আক্ৰমণ আৰু চৰিত্ৰ হননৰ দৰে নিম্ন ৰুচিৰ উপাদানেহে অগ্ৰাধিকাৰ লাভ কৰিছে। ৰাজনীতিৰ এই দ্ৰুত নৈতিক অৱক্ষয়ে আমাৰ গণতান্ত্ৰিক ভেটিটোকেই ক্ৰমান্বয়ে দুৰ্বল কৰি তুলিছে। ইয়াৰ মূল কাৰণ হ'ল- বৰ্তমানৰ ৰাজনীতিত কোনো নিৰ্দিষ্ট দৰ্শন বা আদৰ্শৰ অভাৱ। ক্ষমতা দখলৰ লালসাত নীতি-আদৰ্শক বিসৰ্জন দিয়াৰ ফলতেই এনে সৌজন্যহীনতাৰ সৃষ্টি হৈছে।

এসময়ত ভাৰতীয় ৰাজনীতিত আদৰ্শৰ সংঘাত আছিল তীব্ৰ, কিন্তু সেই সংঘাতত ব্যক্তিগত বিদ্বেষৰ স্থান নাছিল। স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাৰ নিৰ্বাচনী ইতিহাসলৈ চালে আমি দেখিবলৈ পাওঁ যে, পণ্ডিত জৱাহৰলাল নেহৰু, ড° ৰাম মনোহৰ লোহিয়া বা অটল বিহাৰী বাজপেয়ীৰ দৰে নেতাসকলে এজনৰ নীতিৰ আনজনে কঠোৰ সমালোচনা কৰিছিল যদিও তেওঁলোকৰ মাজত গভীৰভাৱে ব্যক্তিগত মৰ্যাদাবোধ অটুট আছিল। সেই সময়ত বিৰোধী দলৰ নেতাক শত্ৰু হিচাপে নহয়, এজন প্ৰতিদ্বন্দ্বী হিচাপেহে গণ্য কৰা হৈছিল। উদাহৰণ স্বৰূপে, যেতিয়া অটল বিহাৰী বাজপেয়ীয়ে নেহৰুৰ বৈদেশিক নীতিৰ তীব্ৰ বিৰোধিতা কৰিছিল, সেই সময়ত নেহৰুৱে বাজপেয়ীৰ ভাষণৰ দক্ষতা দেখি ভৱিষ্যতবাণী কৰিছিল যে- তেওঁ এদিন দেশৰ প্ৰধানমন্ত্ৰী হ'ব। অসমৰ ৰাজনীতিৰ ক্ষেত্ৰতো বিষ্ণু প্ৰসাদ ৰাভা বা বিমলা প্ৰসাদ চলিহাৰ দৰে ব্যক্তিসকলৰ মাজত যি মতভেদ আছিল, সি কেতিয়াও ব্যক্তিগত কদৰ্যতালৈ পৰ্যবসিত হোৱা নাছিল। সাম্প্ৰতিক নিৰ্বাচনী সভাত এজন নেতাই আনজনৰ ব্যক্তিগত জীৱন বা পৰিয়ালক লৈ কৰা তুচ্ছ-তাচ্ছিল্যই প্ৰমাণ কৰে যে, আমি ৰাজনৈতিক সৌজন্যবোধৰ পৰা বহু নিলগত আছোঁ।



নলিনী ৰঞ্জন ভূঞা

বৰ্তমানৰ নিৰ্বাচনী প্ৰচাৰসমূহ লক্ষ্য কৰিলে দেখা যায় যে, ইয়াত জনকল্যাণৰ পৰিকল্পনাতকৈ প্ৰতিপক্ষক কেনেকৈ অপমান কৰিব পাৰি, তাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হৈছে। ৰাজনৈতিক দলসমূহৰ ইস্তাহাৰত থকা প্ৰতিশ্ৰুতিবোৰ এতিয়া কেৱল কাগজৰ ফুলত পৰিণত হৈছে। জনসভাৰ মঞ্চৰ পৰা নীতিৰ পৰিৱৰ্তে এতিয়া 'বিষাক্ত বাক্য' নিৰ্গত হয়। দৰাচলতে যেতিয়া এজন ৰাজনীতিবিদে প্ৰতিপক্ষৰ ব্যক্তিগত চৰিত্ৰৰ ওপৰত প্ৰশ্ন তোলে, তেতিয়া তেওঁৰ নিজৰ বৌদ্ধিক দেউলীয়া অৱস্থাটোহে প্ৰকাশ পায়। এই ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকাও নেতিবাচক হৈ পৰিছে; গঠনমূলক আলোচনাৰ পৰিৱৰ্তে নেতাসকলৰ ব্যক্তিগত বোকা ছটিওৱা মন্তব্যবোৰকহে 'ব্ৰেকিং নিউজ' হিচাপে প্ৰচাৰ কৰি সংবাদ মাধ্যমে এই অপসংস্কৃতিক অধিক উদগনি দিছে।

বৰ্তমানৰ এই অৱক্ষয়ৰ অন্যতম কাৰণ হৈছে ডিজিটেল মাধ্যমৰ অপব্যৱহাৰ। এতিয়া নিৰ্বাচন জিকিবলৈ কেইটামান 'ভাইৰেল' ক্লিপ বা বিকৃত ফটোৱেই কাম চলাই দিব পাৰি। তথ্যৰ পৰিৱৰ্তে অপপ্ৰচাৰ এতিয়া শক্তিশালী হাতিয়াৰ হৈ পৰিছে। ছচিয়েল মিডিয়াত কোনো এজন নেতাক লৈ কৰা কুৎসা ৰটনা বা ভেঙুচালি কৰা ভিডিঅ'বোৰ যি দ্ৰুতগতিত বিয়পি পৰিবলৈ ধৰিছে, তেনে দ্ৰুতগতিত দেশৰ অৰ্থনীতি বা শিক্ষা ব্যৱস্থাৰ আলোচনা হোৱা দেখা নাযায়। আচৰ্যকৰ কথাটো হ'ল, এই নিম্নস্তৰৰ আক্ৰমণবোৰক জনসাধাৰণেও এক প্ৰকাৰৰ মনোৰঞ্জন হিচাপে ল'বলৈ আৰম্ভ কৰিছে। ব্যংগ আৰু চৰিত্ৰ হননৰ মাজৰ সীমাৰেখাডাল মচি পেলোৱা হৈছে। যাৰ ফলত এজন শিক্ষিত সচেতন ব্যক্তিয়েও ৰাজনীতিৰ এই বোকা-খেলৰ পৰা আঁতৰি থকাই ভাল বুলি ভাবিবলৈ বাধ্য হৈছে।

আধুনিক নিৰ্বাচনী প্ৰচাৰসমূহ এতিয়া একো একোখন চাৰ্কাছৰ দৰে হৈ পৰিছে। মঞ্চত এতিয়া দেশপ্ৰেমৰ গীততকৈ বেছি কটু ভাষাৰ তৰ্কহে শুনা যায়। নেতাসকলে যেন ভাবিবলৈ লৈছে যে, যিয়ে যিমান ডাঙৰকৈ আনক গালি দিব পাৰিব, তেওঁ সিমানেই শক্তিশালী নেতা হ'ব। আমাৰ দেশৰ প্ৰকৃত সমস্যাবোৰ, যেনে— নিবনুৱা সমস্যা, মূল্যবৃদ্ধি বা বানপানী— এইবোৰ যেন এতিয়া পুৰণি কথাতহে পৰিণত হৈছে। তাৰ পৰিৱৰ্তে কাৰ পিতৃ-পিতামহ কি আছিল, কোনে ক'ত কি খাইছে, সেইবোৰহে বৰ্তমানৰ নিৰ্বাচনী 'মচলা'। একাংশ ৰাইজেও ইয়াত হাত চাপৰি বজায়, কাৰণ জটিল উন্নয়নৰ অংক বুজাতকৈ এজনৰ চৰিত্ৰ হনন কৰা আমোদজনক ভাষণ শুনাটো বহু সহজ। ৰাজনৈতিক দলবোৰৰ আইটি চেলসমূহ এতিয়া 'গালি-গালাজৰ কাৰখানা'ত পৰিণত হৈছে, য'ত দিনে-নিশায়ে প্ৰতিপক্ষক কেনেকৈ অপমান কৰিব পাৰি তাৰ পৰিকল্পনা চলে।

ৰাজনীতিবিদ সকলৰ এই আচৰণৰ প্ৰভাৱ সমাজৰ তৃণমূল স্তৰলৈকো প্ৰসাৰিত হয়। যেতিয়া এজন যুৱক-যুৱতীয়ে নিজৰ পছন্দৰ নেতাজনক টিভিত আন এজনৰ প্ৰতি অশ্লীল মন্তব্য কৰা দেখে, তেতিয়া তেওঁলোকৰ বাবে 'পৰস্পৰৰ প্ৰতি সন্মান'ৰ ধাৰণাটোৱেই সলনি হৈ যায়। ইয়াৰ ফলত সমাজত সহনশীলতা কমি আহে আৰু অসহিষ্ণুতা বাঢ়ি যায়। গণতন্ত্ৰত বিৰোধিতাৰ অৰ্থ আছিল নীতিৰ বিৰোধিতা, ব্যক্তিৰ নহয়। কিন্তু বৰ্তমানৰ পৰিৱেশত কোনো এজন ব্যক্তিৰ বিৰোধিতা কৰা মানেই তেওঁক ব্যক্তিগতভাৱে ঘৃণা কৰাটোহে বুজাইছে। ইয়াৰ ফলত পৰিয়াল বা বন্ধু-বৰ্গৰ মাজতো ৰাজনৈতিক মতাদৰ্শৰ বাবে বিভাজনৰ সৃষ্টি হৈছে।

গণতন্ত্ৰত ভাষাৰ এক বিশেষ মৰ্যাদা আছে। ভাষা এজন ব্যক্তিৰ সংস্কৃতিৰ পৰিচয়। কিন্তু সাম্প্ৰতিক কালত ব্যৱহৃত ভাষাৰ স্তৰ ইমানেই নিম্নগামী হৈছে যে ইয়াক 'ৰাজনৈতিক ভাষা' বুলি ক'বলৈও লাজ লাগে। পূৰ্বতে সংসদীয় বিতৰ্কত যি হাস্যৰস ব্যৱহাৰ কৰা হৈছিল, তাত এক বৌদ্ধিক গভীৰতা আছিল। বৰ্তমান তাৰ স্থান লৈছে চৰম অভদ্ৰতা আৰু উৰ্দ্ধতালিয়ে। ৰাজনৈতিক নেতা এজন সমাজৰ বাবে আদৰ্শ হ'ব লাগে। কিন্তু যেতিয়া নেতা এজনেই আইন আৰু নৈতিকতাৰ উৰ্ধত গৈ কথা কয়, তেতিয়া সাধাৰণ জনতাৰ মাজত এক বিশৃংখল বাৰ্তা প্ৰেৰণ কৰা হয়। ই সমাজৰ নৈতিক গাঁথনিটোকেই শিথিল কৰি পেলায়।

ৰাজনীতিৰ এই কলুষিত পৰিৱেশৰ পৰা মুক্তিৰ পথ কি? কেৱল ৰাজনীতিবিদক দোষাৰোপ কৰিলেই নহ'ব। এজন সজাগ ভোটাৰ হিচাপে আমাৰো বহুত কৰণীয় আছে। জনসভাত কোনো নেতাই যেতিয়া ব্যক্তিগত আক্ৰমণ কৰে, তেতিয়া হাত চাপৰি দিয়াৰ পৰিৱৰ্তে সেই নেতাজনক তেওঁৰ কামৰ হিচাপ বিচাৰি প্ৰশ্ন কৰিব লাগে। ভোটাৰে যদি কটু ভাষাক প্ৰত্যাখ্যান কৰে, তেন্তে নেতাসকলেও নিজৰ শৈলী সলনি কৰিবলৈ বাধ্য হ'ব। নিৰ্বাচন আয়োগে কেৱল নিৰ্দেশনা জাৰি কৰিয়েই ক্ষান্ত নাথাকি, অপশব্দ ব্যৱহাৰ কৰা নেতাসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা ল'ব লাগে। একেদৰে আমাৰ শিক্ষা ব্যৱস্থাত গণতান্ত্ৰিক মূল্যবোধ আৰু ৰাজনৈতিক সৌজন্যবোধৰ শিক্ষা অন্তৰ্ভুক্ত কৰিব লাগে। নতুন প্ৰজন্মক শিকাব লাগে যে বিৰোধিতা মানেই শত্ৰুতা নহয়।

পৰিশেষত কব পাৰি যে- ৰাজনীতি হ'ল সমাজ সেৱাৰ এক মাধ্যম। ইয়াত ব্যক্তিগত ক্ৰোধ বা অহংকাৰৰ কোনো স্থান থাকিব নালাগে। যদিহে আমাৰ হেৰাই যোৱা সেই সৌজন্যবোধ ঘূৰাই আনিব নোৱাৰোঁ, তেন্তে ভৱিষ্যতৰ প্ৰজন্মই গণতন্ত্ৰৰ নামত কেৱল ক্ৰোধ আৰু ঘৃণা হে দেখিবলৈ পাব। দল বা চৰকাৰ আহে আৰু যায়, কিন্তু এখন দেশৰ গণতান্ত্ৰিক মৰ্যাদা আৰু সামাজিক সম্প্ৰীতি এবাৰ ধ্বংস হ'লে তাক পুনৰ গঢ়ি তোলাটো বৰ কঠিন। গতিকে, ব্যক্তিগত ক্ৰোধ ত্যাগ কৰি আমি নীতিৰ ৰাজনীতিৰ দিশে অগ্ৰসৰ হোৱা উচিত। সমাজৰ সকলোৱে যদি একমুখে এই 'বাক্য-সন্ত্ৰাস'ক ধিক্কাৰ দিয়ে, তেন্তে নিশ্চয়কৈ আমাৰ হেৰাই যোৱা ৰাজনৈতিক সৌজন্যবোধ পুনৰ উদ্ধাৰ হ'ব বুলি আশা কৰিব পাৰি।

# অত্যাধিক নিয়ন্ত্ৰণ আৰু শিক্ষাৰ সৃজনশীলতাৰ সংকট

শিক্ষা কেৱল পাঠ্যপুথিৰ জ্ঞান আহৰণৰ প্ৰক্ৰিয়া নহয়; ই মানুহৰ চিন্তা, কল্পনা, অনুভৱ আৰু ব্যক্তিত্ব গঢ়ি তোলাৰ এক সজীৱ যাত্ৰা। এই যাত্ৰাত সৃজনশীলতা এক অতি গুৰুত্বপূৰ্ণ উপাদান। কিন্তু আজিৰ বহু প্ৰাইভেট স্কুল ব্যৱস্থাত দেখা যায় যে, নিয়ম-শৃংখলা আৰু নিয়ন্ত্ৰণৰ নামত এই সৃজনশীলতাক ধীৰে ধীৰে সংকুচিত কৰি তোলা হৈছে। ফলত শিক্ষা এক জীৱন্তপ্ৰক্ৰিয়া নহয়, এক যান্ত্ৰিক ব্যৱস্থালৈ পৰিণত হৈছে।

প্ৰথমতে, 'নিয়ন্ত্ৰণ' শব্দটোৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। এটা সুসংগঠিত শিক্ষাৰ পৰিৱেশ গঢ়িবলৈ কিছু নিয়ম-শৃংখলা অত্যাৱশ্যক। কিন্তু যেতিয়া এই নিয়ন্ত্ৰণ সীমা অতিক্ৰম কৰে, তেতিয়া ই সৃষ্টিশীলতাৰ বাটত বাধা হৈ থাকে। শিক্ষক আৰু ছাত্ৰ- দুয়োৰেই স্বাধীন চিন্তাৰ পৰিসৰ সংকুচিত হয়।

প্ৰাইভেট স্কুলসমূহত বহু ক্ষেত্ৰত শিক্ষকসকলক নিৰ্দিষ্ট পদ্ধতিতেই পাঠদান কৰিবলৈ বাধ্য কৰা হয়। কেনেকৈ ক্লাছ ল'ব, কেনেকৈ বুজাব, কিমান সময়ত কি কৰিব- এই সকলোবোৰ আগতেই নিৰ্ধাৰিত থাকে। ইয়াত শিক্ষকসকলৰ নিজস্ব চিন্তা, নতুন পদ্ধতি ব্যৱহাৰ কৰাৰ স্বাধীনতা খুব কম থাকে। ফলত তেওঁলোকে নিজৰ সৃষ্টিশীল শক্তিক সম্পূৰ্ণ ৰূপে ব্যৱহাৰ কৰিব নোৱাৰে। শিক্ষা এক প্ৰাণহীন, উদাসীনধৰ্মী প্ৰক্ৰিয়া হৈ পৰে। এই নিয়ন্ত্ৰণ কেৱল শিক্ষকসকলৰ ক্ষেত্ৰতেই নহয়, ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো একে ধৰণে প্ৰযোজ্য। বহু স্কুলত ছাত্ৰ-ছাত্ৰীৰ পৰা কেৱল "সঠিক উত্তৰ" আশা কৰা হয়। ভুল কৰাৰ সুযোগ বা নতুনভাৱে চিন্তা কৰাৰ প্ৰেৰণা দিয়া নহয়। যিসকল ছাত্ৰে অলপ ভিন্ন ধৰণে চিন্তা কৰে, তেওঁলোকক কেতিয়াবা "নিয়ম ভংগ কৰা" বুলি গণ্য কৰা হয়। এই পৰিৱেশত সৃষ্টিশীলতা বিকাশ পাব কেনেকৈ?

ইয়াৰ লগত জড়িত আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে- ফলাফলমুখী মানসিকতা। প্ৰাইভেট স্কুলসমূহত অধিকাংশ ক্ষেত্ৰত ছাত্ৰৰ ফলাফলকেই মুখ্য বুলি গণ্য কৰা হয়। শতকৰা নম্বৰ, ৰেংক, আৰু পৰীক্ষাৰ ফলাফলেই যেন শিক্ষাৰ একমাত্ৰ পৰিমাপ। ফলত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা বিকাশৰ পৰিৱৰ্তে তেওঁলোকক "পৰীক্ষাত কেনেকৈ ভাল নম্বৰ পাব" সেইটোহে শিকাবলৈ বাধ্য হয়। এই ধৰণৰ শিক্ষাই ছাত্ৰক কেৱল এক ভাল পৰীক্ষাৰ্থী কৰি তোলে, কিন্তু এজন সৃষ্টিশীল চিন্তাবিদ নহয়।

এইবোৰৰ ফলত ধীৰে-ধীৰে শিক্ষাৰ মূল উদ্দেশ্যেই বিপথে যায়। শিক্ষা যদি কেৱল নম্বৰ পোৱাৰ এক উপায় হৈ পৰে, তেন্তে ই মানুহৰ ভিতৰৰ সম্ভাৱনাক সম্পূৰ্ণ ৰূপে বিকশিত কৰিব নোৱাৰে। সৃষ্টিশীলতা হ'ল নতুন চিন্তা, নতুন সমাধান, আৰু নতুন পথ বিচাৰি উলিয়াৰ শক্তি। এই শক্তি নোহোৱা শিক্ষাই সমাজক আগবঢ়াব নোৱাৰে।

তাৰ উপৰিও, অত্যধিক নিয়ন্ত্ৰণে শিক্ষকসকলৰ মানসিক অৱস্থাতো প্ৰভাৱ পেলায়। সদায় নিয়মৰ মাজত আবদ্ধ হৈ কাম কৰি থাকিলে তেওঁলোকৰ উৎসাহ আৰু উদ্যম কমি যায়। তেওঁলোকে নিজৰ কামটো এক দায়িত্ব হিচাপে পালন কৰে যদিও, তাৰ মাজত আনন্দ আৰু সন্তুষ্টি নাথাকে। এইটো ছাত্ৰ-ছাত্ৰীৰ ওপৰতো প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়, কাৰণ উৎসাহী শিক্ষকহে সৃষ্টিশীল ছাত্ৰ গঢ়ি তুলিব পাৰে।

### জীৱনজ্যোতি গগৈ

অন্য এটা গুৰুত্বপূৰ্ণ দিশ হৈছে- ভয়ৰ পৰিৱেশ। যদি শিক্ষক বা ছাত্ৰই নিয়মৰ বাহিৰে গৈ কিবা নতুন কৰাৰ চেষ্টা কৰে, তেন্তে তেওঁলোকক সমালোচনা কৰা হয় বা বাধা দিয়া হয়। এই ভয়েই সৃষ্টিশীলতাক আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত কৰে। য'ত ভয় থাকে, তাত নতুন চিন্তা জন্ম নলয়।

কিন্তু এই পৰিস্থিতি সম্পূৰ্ণভাৱে নৈৰাশ্যজনক নহয়। কিছুমান বিদ্যালয়ে ইতিমধ্যে বুজিবলৈ আৰম্ভ কৰিছে যে, শিক্ষা ব্যৱস্থাত সৃষ্টিশীলতাৰ গুৰুত্ব কিমান। তেওঁলোকে শিক্ষকসকলক অধিক স্বাধীনতা দিছে, নতুন পদ্ধতি ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিছে, আৰু ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল চিন্তাক মূল্য দিছে। এইবোৰ এক ইতিবাচক সংকেত।

এই সংকটৰ সমাধানৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা অত্যন্ত প্ৰয়োজন। প্ৰথমতে শিক্ষকসকলক অধিক স্বাধীনতা দিয়া উচিত যাতে তেওঁলোকে নিজৰ সৃষ্টিশীলতা ব্যৱহাৰ কৰি পাঠদান কৰিব পাৰে। দ্বিতীয়তে, শিক্ষাৰ মূল্যায়ন পদ্ধতিত পৰিৱৰ্তন আনিব লাগিব- কেৱল নম্বৰ নহয়, ছাত্ৰ-ছাত্ৰীৰ চিন্তা-শক্তি, সমস্যা সমাধানৰ দক্ষতা আৰু সৃষ্টিশীলতাকো গুৰুত্ব দিয়া উচিত। তৃতীয়তে, স্কুলসমূহত এক মুক্ত আৰু সহায়ক পৰিৱেশ সৃষ্টি কৰা উচিত, য'ত ভুল কৰাৰো সুযোগ থাকে আৰু নতুন কিছু চেষ্টা কৰিবলৈ উৎসাহ দিয়া হয়।

অত্যাধিক নিয়ন্ত্ৰণ শিক্ষাৰ শৃংখলা বজাই ৰাখিব পাৰে, কিন্তু ই সৃষ্টিশীলতাৰ বিকাশত বাধা দিয়ে। শিক্ষা যদি সঁচাকৈয়ে অৰ্থবহ কৰিব বিচাৰো, তেন্তে নিয়ম আৰু স্বাধীনতাৰ মাজত এক সুসমন্বয় ৰখা অতি প্ৰয়োজনীয়। সৃষ্টিশীলতা নথকা শিক্ষা এক শৰীৰৰ দৰে, য'ত প্ৰাণ নাই। সেয়ে, শিক্ষাক সজীৱ আৰু অৰ্থবহ কৰি তুলিবলৈ সৃষ্টিশীলতাক সুৰক্ষিত কৰা আমাৰ সকলোৰে দায়িত্ব।

অত্যাধিক নিয়ন্ত্ৰণৰ এই প্ৰভাৱ কেৱল স্কুলৰ ভিতৰতেই সীমাবদ্ধ নাথাকে; ইয়াৰ প্ৰভাৱ বহুত দূৰলৈ বিস্তৃত হয়- সমাজ, অৰ্থনীতি আৰু ভৱিষ্যৎ প্ৰজন্মৰ চিন্তাধাৰাতো ইয়াৰ গভীৰ ছাপ পৰে।

যেতিয়া এজন ছাত্ৰ এক নিয়ন্ত্ৰিত আৰু সৃষ্টিশীলতাহীন পৰিৱেশত ডাঙৰ হয়, তেতিয়া তেওঁৰ চিন্তা-প্ৰক্ৰিয়া ধীৰে ধীৰে সীমাবদ্ধ হৈ পৰে। তেওঁ কেৱল নিৰ্দেশনা অনুসৰণ কৰিবলৈ শিকে, নিজে নতুন কিছু চিন্তা কৰিবলৈ নহয়। এনে ছাত্ৰসকল পাছলৈ গৈ চাকৰি জীৱনত নতুন উদ্ভাৱন বা সমস্যা সমাধানত পিছ পৰি থাকে। তেওঁলোকে জটিলতা ল'বলৈ ভয় খায়, কাৰণ সৰুতে তেওঁলোকক ভুল কৰাৰ সুযোগ দিয়া হোৱা নাছিল। ফলত সমাজত সৃষ্টিশীল আৰু উদ্ভাৱনী চিন্তাবিদৰ অভাৱ দেখা দিয়ে।

এই ব্যৱস্থাই এক ধৰণৰ একেই ধৰণৰ মানুহ (uniformity) সৃষ্টি কৰে। সকলোকে একে ধৰণে চিন্তা কৰিবলৈ, একে ধৰণে উত্তৰ দিবলৈ আৰু একে ধৰণে আচৰণ কৰিবলৈ শিকোৱা হয়। কিন্তু বাস্তৱ জগতত সফলতাৰ বাবে প্ৰয়োজন হয় বৈচিত্ৰ্য, নতুন দৃষ্টিভংগী আৰু সৃষ্টিশীল চিন্তা। এই বৈচিত্ৰ্য যদি স্কুল পৰ্যায়তেই দমন কৰা হয়, তেন্তে সমাজ আগবাঢ়িব কেনেকৈ?

ইয়াৰ লগতে, শিক্ষকসকলৰ ভিতৰত সৃষ্টিশীলতাৰ সংকট ধীৰে ধীৰে এক "চেইন ৰিয়েকশ্যন" সৃষ্টি কৰে। যিসকল শিক্ষক নিজেই নিয়ন্ত্ৰণৰ মাজত আবদ্ধ, তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ মাজতো সেই একেই পদ্ধতি প্ৰয়োগ কৰে। তেওঁলোকে অজানিতে এক যান্ত্ৰিক শিক্ষা ব্যৱস্থাক আগুৱাই লৈ যায়। এইদৰে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ এই সমস্যাই বিস্তাৰ লাভ কৰে।

অন্য এক গুৰুত্বপূৰ্ণ দিশ হৈছে- শিক্ষাৰ মানৰ ওপৰত ইয়াৰ প্ৰভাৱ। বাহ্যিকভাৱে ফলাফল ভাল দেখা যাব পাৰে, কিন্তু গভীৰভাৱে চালে দেখা যায় যে, ছাত্ৰসকলৰ বুজাৰ ক্ষমতা, বিশ্লেষণ কৰাৰ দক্ষতা আৰু সৃষ্টিশীল চিন্তা বহু ক্ষেত্ৰত দুৰ্বল। তেওঁলোকে মুখস্থ বিদ্যাৰ ওপৰত অধিক নিৰ্ভৰশীল হয়। এই ধৰণৰ শিক্ষা দীৰ্ঘমেয়াদীভাৱে অকাৰ্যকৰী।

ইয়াৰ লগতে, এই পৰিস্থিতিয়ে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহো হ্ৰাস কৰে। উদাসীনধৰ্মী, নিয়ন্ত্ৰিত আৰু চাপপূৰ্ণ পৰিৱেশত শিক্ষা ল'লে বহু ছাত্ৰই শিক্ষা প্ৰতি আগ্ৰহ হেৰুৱাই পেলায়। তেওঁলোকে পঢ়াক এক বাধ্যতামূলক কাম বুলি ভাবিবলৈ আৰম্ভ কৰে, আনন্দৰ উৎস হিচাপে নহয়। এইটো শিক্ষাৰ বাবে এক গুৰুতৰ সংকট।

কিন্তু এই সমস্যাৰ সমাধান সম্পূৰ্ণ অসম্ভৱ নহয়। প্ৰয়োজন কেৱল দৃষ্টিভংগীৰ পৰিৱৰ্তন। বিদ্যালয়সমূহে বুজিব লাগিব যে, শিক্ষা মানে কেৱল নিয়ম মানি চলা নহয়; ই এক সৃষ্টিশীল প্ৰক্ৰিয়া। শিক্ষকসকলক "নিয়ন্ত্ৰিত কৰ্মচাৰী" হিচাপে নহয়, "সৃষ্টিশীল পথপ্ৰদৰ্শক" হিচাপে গণ্য কৰিব লাগিব।

শিক্ষকসকলৰ বাবে নিয়ম থকাৰ লগতে বিশ্বাসো থাকিব লাগিব। তেওঁলোকক নিজৰ ধৰণেৰে পাঠদান কৰাৰ সুযোগ দিয়া উচিত। ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো একে ধৰণে— তেওঁলোকক প্ৰশ্ন কৰিবলৈ, নতুন চিন্তা কৰিবলৈ আৰু ভুল কৰিবলৈ উৎসাহিত কৰা উচিত। ভুলক ব্যৰ্থতা নহয়, শিক্ষাৰ এক অংশ হিচাপে গ্ৰহণ কৰিব লাগিব।

তাৰ লগতে, অভিভাৱকসকলৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ। তেওঁলোকে কেৱল নম্বৰ বা ৰেংকৰ ওপৰত গুৰুত্ব নিদি, নিজৰ সন্তানৰ সামগ্ৰিক বিকাশৰ ওপৰত মনোযোগ দিব লাগিব। সৃষ্টিশীলতা, আত্মবিশ্বাস আৰু চিন্তা-শক্তিকো সমান গুৰুত্ব দিয়া উচিত।

অত্যাধিক নিয়ন্ত্ৰণ আৰু সৃষ্টিশীলতাৰ সংকট কেৱল এটা শিক্ষামূলক সমস্যা নহয়; ই এক সামাজিক সমস্যা। যদি আমি এক উদ্ভাৱনী, চিন্তাশীল আৰু শক্তিশালী সমাজ গঢ়ি তুলিব বিচাৰো, তেন্তে শিক্ষাৰ এই সংকটৰ সমাধান কৰা অত্যন্ত জৰুৰী। নিয়ম আৰু স্বাধীনতাৰ মাজত সঠিক সমন্বয় ঘটাই, শিক্ষাক এক মুক্ত আৰু সৃষ্টিশীল যাত্ৰা কৰি তোলাই হওক আমাৰ লক্ষ্য।

# '২৬ৰ নিৰ্বাচন খিলঞ্জীয়া লোকৰ অস্তিত্ব আৰু ভৱিষ্যৎ সুৰক্ষাৰ আন এক সংগ্ৰাম

অসম বিধান সভাৰ ২০২৬ বৰ্ষৰ নিৰ্বাচন মাত্ৰ সংখ্যাৰ খেল নহয়। এইবাৰৰ নিৰ্বাচন হৈছে অসমবাসীৰ বিশ্বাস আৰু সংগ্ৰামৰ এক নতুন অগ্নিপৰীক্ষা। ৰাষ্ট্ৰীয় আৰু আঞ্চলিক কেইবাটাও ৰাজনৈতিক দলে ইতিমধ্যে এই নিৰ্বাচনী পথাৰত অৱতীৰ্ণ হৈ যুঁজিবলৈ ওলাইছে। দলবোৰে বিভিন্ন বিষয় লৈ ভোটদাতা ৰাইজৰ ওচৰলৈ গৈছে। এই বিষয়বোৰৰ ভিতৰত নিশ্চয়কৈ খিলঞ্জীয়া লোকৰ অস্তিত্ব আৰু অসমৰ ভৱিষ্যৎ সুৰক্ষাৰ বিষয়টোৱেই সৰ্বাধিক প্ৰভাৱ পেলাব বুলি ভাবোঁ। সেয়ে এইবেলিৰ নিৰ্বাচনক খিলঞ্জীয়া লোকৰ অস্তিত্ব আৰু ভৱিষ্যৎ সুৰক্ষাৰ আন এক সংগ্ৰাম বুলিও ক'ব পাৰোঁ। এই নিৰ্বাচন অসমীয়া জাতি আৰু অসমৰ মাটি, সংস্কৃতি, পৰিচয় ৰক্ষাৰ অতি গুৰুত্বপূৰ্ণ ৰাজনৈতিক ব্যৱস্থা। এই নিৰ্বাচনে আমাৰ জাতীয় জীৱন পৰিৱৰ্তনৰ দিক্ নিৰ্ণায়কৰ ভূমিকা পালন কৰিব। দেখা গৈছে, নতুন প্ৰজন্মৰ অধিকাংশই এই নিৰ্বাচনত জড়িত হৈছে। তেওঁলোকৰ সঠিক মত আৰু সিদ্ধান্তৰ ওপৰতে অসমৰ উজ্জ্বল ভৱিষ্যৎ নিৰ্ভৰ কৰিব। ভোটদানক কেৱল কৰ্তব্য বুলি নাভাবি সকলোৱে এক মহৎ দায়িত্ব হিচাপে গ্ৰহণ কৰিব লাগিব। এইখিনি নীতিগতভাৱে কৰিবলৈ যাওঁতে ভোটদাতা হিচাপে কিছু দিশ চাবলগীয়া হয়। ভাৰতৰ ভিতৰত অসম এখন বিশেষ ৰাজ্য। বিশেষ এই কাৰণেই যে বিভিন্ন ভাষা-ভাষী, সাংস্কৃতিক ঐতিহ্যবাহী লোকেৰে পৰিপূৰ্ণ অসমৰ দৰে বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য ভাৰতত খুবেই কম। গৌৰৱৰ ধ্বজা উৰুওৱা অনৈক্যৰ মাজত ঐক্যৰ ব্যাপক ৰূপ দেখা যায় যদিও দিন যোৱাৰ লগে

### পংকজ বেজবৰুৱা

লগে বিভিন্ন ভাষা-ভাষীৰ লোকে নিৰ্বাচনৰ জৰিয়তে নিজৰ নিজৰ জাতি-জনগোষ্ঠীৰ সমস্যা সমাধান কৰিবলৈ বিচাৰা প্ৰৱণতা বাঢ়িবলৈ ধৰিছে। সেয়ে নিৰ্বাচনক কেৱল এখন চৰকাৰ সলনি কৰা প্ৰক্ৰিয়া হিচাপে নলৈ খিলঞ্জীয়া লোকৰ অস্তিত্ব, সামাজিক সুৰক্ষা, সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ বহু প্ৰশ্ন আগত লৈ নাগৰিক বা ভোটদাতাসকলে নিৰ্বাচন প্ৰক্ৰিয়াত জড়িত হোৱা দেখা গৈছে। কোনো চিন্তাশীল লোকে কোৱা A Joke is a Revolution কথাষাৰ অসমৰ ক্ষেত্ৰত ওলোটা হোৱাহে অৰ্থাৎ Revolution is a Jokeলৈ পৰ্যৱসিত হোৱাত বহু সময়ত ভোটদাতা বিভ্ৰান্ত হ'বলগীয়া হয়। ৰাজনৈতিক নেতাসকলে এই বিভ্ৰান্তিমূলক অৱস্থাৰ পূৰ্ণ সুযোগ লয়। আৱেগ পৰিহাৰ কৰিব লাগিব। এনে অৱস্থাত নাগৰিকসকলে এগৰাকী সজাগ, সচেতন, তৎপৰ, নিকা, প্ৰত্যুৎপন্নমতী জনপ্ৰতিনিধি নিৰ্বাচন কৰিব পৰাটোৱেই হ'ব সঠিক দায়িত্ব আৰু কৰ্তব্য। শেহতীয়াভাৱে ভোটদাতাৰ তালিকাৰ বিশেষ সংশোধনৰ জৰিয়তে প্ৰায় ১০ লাখ ভোটদাতাৰ নাম কৰ্তনক লৈ সৃষ্টি হোৱা পৰিৱেশেই প্ৰমাণ কৰিছে এই নিৰ্বাচনত খিলঞ্জীয়া লোকৰ সজাগতাৰ জৰুৰী কিমান। আমি জানো স্বচ্ছ আৰু নিকা প্ৰশাসন, শক্তিশালী আইন সকলোৰে বাবে জৰুৰী। ইয়াৰ বাবে খিলঞ্জীয়া লোকৰ প্ৰতি দায়বদ্ধ জনপ্ৰতিনিধিৰ বাৰুকৈয়ে প্ৰয়োজন। কাৰণ তেওঁলোকৰ হাততে আছে ৰাজ্যখনৰ ভৱিষ্যৎ মংগলৰ চাবিকাঠি। সেয়ে নিৰ্বাচনী প্ৰক্ৰিয়াৰ এই যাত্ৰাত প্ৰতিগৰাকী ভোটদাতা নাগৰিকে সতৰ্কতাৰে অংশ লৈ আমাৰ গণতন্ত্ৰক শক্তিশালী কৰিবলৈ মুকলি মন লৈ সাহসেৰে আগুৱাই আহিব লাগিব। পদাৰ্থ বিজ্ঞানৰ পথাৰখনত চিন্তাৰ নতুন সূৰ্য আৰু দিগ্বলয়ৰ সৃষ্টি কৰা মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে- "জ্ঞানতকৈ কল্পনাৰ গুৰুত্ব বেছি। মানুহৰ জ্ঞান সীমিত। কিন্তু কল্পনাই সমস্ত পৃথিৱীখনক আগুৰি ধৰে।" বুলি কোৱা কথা নতুন প্ৰজন্মৰ ভোটদাতাসকলে গভীৰভাৱে চিন্তা-চৰ্চা কৰি নিজক আৰু জাতিক বচোৱাৰ পণেৰে ভোটদান কৰিব লাগিব।

# লখিমপুৰ পাঁচটা বিধানসভা সমষ্টিত ১০৭৯ ভোটগ্ৰহণ কেন্দ্ৰ

## ■ মহিলাৰ বাবে সুকীয়া ১১০টা ভোট কেন্দ্ৰ ■
## ■ চাৰিটা 'আদৰ্শ ভোট গ্ৰহণ কেন্দ্ৰ' স্থাপন ■

**অসম বাৰ্তা, লীলাবাৰী, ৮ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ ৫টা বিধানসভা সমষ্টিৰ ভোটাদাতাসকলৰ বাবে মুঠ ১০৭৯ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰসমূহ মুঠ ৭২৪টা ভৱনত পৰিচালিত হ'ব। নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সমগ্ৰ জিলাখনক ৩৬টা চিভিল জ'ন আৰু ১২৩টা চিভিল ছেক্টৰত বিভক্ত কৰা হৈছে। লগতে মুঠ ৯৩ গৰাকী বিএলঅ' চুপাৰভাইজাৰক দায়িত্ব অৰ্পণ কৰিছে জিলা প্ৰশাসনে। ৭৩ নং বিহপুৰীয়া বিধান সভা সমষ্টিৰ ২০৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ১২৭টা ভৱন নিৰ্ধাৰণ কৰা হৈছে। ইয়াত ৮টা জ'ন আৰু ২৫টা ছে'ৰ থাকিব। এই সমষ্টিটোত মহিলাৰ বাবে বিহপুৰীয়া ১ নং প্ৰাথমিক বিদ্যালয়ত ২টা সো-দিশ আৰু বাওঁ দিশে, বিহপুৰীয়া একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৩টা সো-দিশ, মাজৰ অংশ আৰু বাওঁ দিশে, বিহপুৰীয়াৰ পৌৰসভাত ১ টা, বিহপুৰীয়া সদৰ প্ৰাথমিক বিদ্যালয়ত ৩ টা, লোহিত দিক্ৰং মজলীয়া বিদ্যালয়ত ২টা, ৫১৪ নং সৰাজান প্ৰাথমিক বিদ্যালয়ত ২টা, ৰঙাজান শিলডুবি প্ৰাথমিক বিদ্যালয়ত ২টা, লেতেকুপুখুৰী মজলীয়া বিদ্যালয়ত ২টা, খেৰাজখাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২টা আৰু মুঠ ২১টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ঠিক তেনেদৰে ৭৪ নং ৰঙানদী বিধান সভাৰ সমষ্টিটোৰ বাবে ২২২টা ভোটগ্ৰহণ কেন্দ্ৰ ১৩৪টা ভৱনত স্থাপন কৰা হৈছে। এই সমষ্টিটোত ৮টা জ'ন আৰু ২২টা ছেক্টৰ কৰাৰ লগতে মহিলাৰ বাবে শ্ৰমিক কল্যাণ সংস্থাৰ কাৰ্যালয়ত ২ টা, ডুবিবস্তি মধ্য ইংৰাজী বিদ্যালয়ত ২টা সো-দিশ আৰু বাওঁ দিশে, বগলীজান প্ৰাথমিক বিদ্যালয়ত ৩টা সোঁ-দিশ, মাজৰ অংশ আৰু বাওঁ দিশে, নলকটা প্ৰাথমিক বিদ্যালয়ত ১ টা, পুৰনা তামোলী মাল্টিপাৰপাচ মজলীয়া বিদ্যালয়ত ৩ টা, পদুমৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২ টা, লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২ টা, লালু একাডেমীত ১টা, নাওবৈচা হাইস্কুলত ২, লালুক লোক নিৰ্মাণ (পি ডব্লিউ ডি) কাৰ্যালয়ত ১ এটা আৰু মুঠ ১৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ৭৫নং নাওবৈচা ২১৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ১৪৮টা ভৱন ব্যৱহাৰ কৰা হ'ব। ইয়াত সৰ্বাধিক ৯টা জ'ন আৰু ২৮টা ছেক্টৰত নিৰ্বাচনী কাম-কাজ পৰিচালিত কৰা হ'ব আৰু মহিলাৰ বাবে উত্তৰ লখিমপুৰ সংস্কৃত টোল ১ টা, বৰপুখুৰী প্ৰাথমিক বিদ্যালয়ত ২টা সোঁ-দিশ আৰু বাও দিশে, লাহন বাহাদুৰ প্ৰাথমিক বিদ্যালয়ত ২টা সোঁ-দিশ আৰু বাওঁ দিশে, লখিমপুৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ত ১ টা, ৮০ নং ঘাৰমৰা প্ৰাথমিক বিদ্যালয়ত ৩টা, ঘাৰমৰা সত্ৰ প্ৰাথমিক বিদ্যালয়ত ১ টা, কৰচন প্ৰাথমিক বিদ্যালয়ত ১টা, গড়ে হাগা অভ্যাসন বিদ্যালয়ত ২ টা, বুনিয়াদী প্ৰশিক্ষণ বিদ্যালয়ত ১ টা, গোহাঁই টেকেলা প্ৰাথমিক বিদ্যালয়ত ১ টা, ৰাজখোৱা প্ৰাথমিক বিদ্যালয়ত ২টা, ভৰ্তিসোণোৱাল গাওঁ প্ৰাথমিক বিদ্যালয়ত ২টা, শেনচোৱাৰ প্ৰাথমিক বিদ্যালয়ত ২টা, বৰ কমলাবৰীয়া প্ৰাথমিক বিদ্যালয়ত ২টা, পুৰ লেচাই গাঁও প্ৰাথমিক বিদ্যালয়ত ২টা মুঠ ২৫টা ভোট গ্ৰহণ কেন্দ্ৰ থাকিব। ৭৬ নং লখিমপুৰ ২১০টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ১৩১টা ভৱন সাজু কৰা হৈছে। ৬টা জ'ন আৰু ২৬টা ছেক্টৰত নিৰ্বাচনী বিষয়া সকলে দায়িত্ব পালন কৰিব। এই সমষ্টিৰ মহিলা ভোটাৰ বাবে কদম কছাৰী আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত ২ টা, কাকৈ উচ্চ মাধ্যমিক বিদ্যালয়ত ৩টা সোঁ-দিশ, বাও দিশে আৰু মাজৰ অংশ, নৰ্থ লখিমপুৰ কলেজ ৩ টা, লখিমপুৰ বিদ্যুত সংমণ্ডলৰ কাৰ্যালয়ত ১টা, লখিমপুৰ চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২টা, লখিমপুৰ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৩টা, টাউন এমভি স্কুলত ২ টা, উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটা, পাণীন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়ত ৩টা, নকাৰী প্ৰাথমিক বিদ্যালয়ত ২টা, জিলা উদ্যোগী আৰু বাণিজ্যিক কেন্দ্ৰৰ কাৰ্যালয়ত ২টা, মাহৰা গোহাঁইগাঁও প্ৰাথমিক বিদ্যালয়ত এটা আৰু মুঠ ২৫টা ভোট গ্ৰহণ কেন্দ্ৰ সাজু কৰা হৈছে। একেদৰে ৭৭নং ঢকুৱাখনা জিলাখনৰ ভিতৰত আটাইতকৈ বেছি ২২৬টা ভোটগ্ৰহণ কেন্দ্ৰ এই সমষ্টিটোত আছে। ইয়াৰ বাবে ১৮৪টা ভৱন ব্যৱহাৰ কৰা হ'ব। ইয়াক ৫টা জ'ন আৰু ২২টা ছেক্টৰত ভাগ কৰা হৈছে। সমষ্টিটোৰ মহিলাৰ বাবে ঘিলামৰা আদৰ্শ প্ৰাথমিক বিদ্যালয়ত ২ টা, ঘিলামৰা আদৰ্শ বিদ্যালয়ত ১ টা, ঘিলামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১টা, সোণাৰী চাপৰি জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত ২, পশ্চিম ঢকুৱাখনা উচ্চ মাধ্যমিক বিদ্যালয়ত ১, চেতিয়া গাঁও প্ৰাথমিক বিদ্যালয়ত ১টা, মাধবদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ত ২টা, ঢকুৱাখনাৰ স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ত ১টা, ঢকুৱাখনা চৰকাৰী এমভি স্কুলত ১ টা, নগৰ আমকটীয়া প্ৰাথমিক বিদ্যালয়ত ১টা, কাঠৰবাৰী প্ৰাথমিক বিদ্যালয়ত ২টা, ঢকুৱাখনা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত ২টা, গোবিন্দপুৰ এমভি স্কুলত ১ টা, হাৰ্হি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২টা আৰু সমষ্টিটোত মুঠ ২০টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থাৰ কৰা হৈছে। লখিমপুৰৰ ৫টা বিধান সভা সমষ্টিৰ নাওবৈচাক বাদ দি বিহপুৰীয়া, ৰঙানদী, লখিমপুৰ আৰু ঢকুৱাখনা বিধান সভা সমষ্টিত একোটাকৈ মুঠ ৪টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। জিলাখনৰ ৭৬ নং বিধানসভাৰ সমষ্টিত ১টা পিডব্লিউডি মেনেজ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। প্ৰশাসনৰ এই সু-ব্যৱস্থাই জিলাখনত এটা স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

# মঙলদৈৰ অৱসৰী প্ৰধান শিক্ষক, বিশ্ব হিন্দু পৰিষদৰ প্ৰাক্তন সভাপতি থানেশ্বৰ শৰ্মাৰ পৰলোক

**অসম বাৰ্তা, মঙলদৈ, ৮ এপ্ৰিল ঃ** মঙলদৈ বৰুৱাপাৰা নিবাসী, এগৰাকী অৱসৰী প্ৰধান শিক্ষক, বিশ্ব হিন্দু পৰিষদৰ এগৰাকী সক্ৰিয় কৰ্মী থানেশ্বৰ শৰ্মা (৮৬)ৰ মঙলবাৰে দিনৰ ২-৪০ বজাত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। শাৰীৰিক কোনো অসুস্থতা নাছিল যদিও বাৰ্ধক্যজনিত কাৰণত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল। শয্যাগত অৱস্থাত আজি ঘৰতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে যদিও পৰিয়ালৰ লোকে ততাতৈয়াকৈ মঙলদৈৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যায়, কিন্তু চিকিৎসকে শৰ্মাৰ ইতিমধ্যে মৃত্যু হোৱা বুলি কয়। ছিপাঝাৰৰ হাজৰিকাপাৰাত ১৯৪২ চনত জন্ম গ্ৰহণ কৰা থানেশ্বৰ শৰ্মাই ১৯৬১ চনত কুৰুৱা এম ই স্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত তেওঁ ডাঁহি হাইস্কুল আৰু পাছত মঙলদৈ কৰিমচ'কত থকা বিদ্যাপীঠ হাই স্কুলত শিক্ষকতা কৰে। ২০০০ চনৰ ৩১ জুলাইত এই খন বিদ্যালয়ৰ পৰাই প্ৰধান শিক্ষক পদৰ পৰা তেওঁ অৱসৰ গ্ৰহণ কৰে। তেওঁ বিশ্ব হিন্দু পৰিষদৰ দৰং জিলা সমিতিৰ সম্পাদক আৰু প্ৰায় দহ বছৰ কাল সভাপতি আৰু ৰাজ্যিক সমিতিৰ এগৰাকী সক্ৰিয় সদস্য আছিল। তদুপৰি তেওঁ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংস্থাৰ অন্তৰ্গত লোকজাগৰণ মঞ্চৰ সৈতেও জড়িত আছিল। তেওঁ মঙলদৈ সনাতন ধৰ্ম সভাৰ এগৰাকী আজীৱন সদস্য, দৰং জিলা হাইস্কুল শিক্ষক সংস্থা আৰু দৰং জিলা পেঞ্চনাৰ সংস্থাৰ প্ৰাক্তন সভাপতি, মঙলদৈৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰতিষ্ঠাপক আছিল। তেওঁৰ মৃত্যুত মঙলদৈৰ লগতে সমগ্ৰ দৰং জিলাতে শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেখেতে সহধৰ্মিনী প্ৰেমদা দেৱী, দুগৰাকী পুত্ৰ ক্ৰমে বিশিষ্ট ব্যৱসায়ী ধ্ৰুৱজ্যোতি কাশ্যপ, ভাৰতীয় জনতা পাৰ্টীৰ শোণিতপুৰ জিলাৰ প্ৰভাৰী জোনজ্যোতি কাশ্যপকে ধৰি দুজনী জীয়ৰী, নাতি-নাতিনী ইহসংসাৰত এৰি থৈ যায়। তেখেতৰ বিয়োগত বিজেপিৰ ৰাজ্যিক সভাপতি তথা দৰং-ওদালগুৰি সংসদীয় সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, দৰং জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকা, সদ্য প্ৰাক্তন বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, মঙলদৈ সনাতন ধৰ্ম সভা, উত্তৰ মঙলদৈ সৰ্বজনীন উন্নতি সাধিনী সভা, মঙলদৈ বিদ্যাপীঠ শিক্ষক কৰ্মচাৰী আৰু ন-পুৰণি ছাত্ৰ ছাত্ৰীসকল, মঙলদৈ বিদ্যাপীঠ পৰিচালনা আৰু উন্নয়ন সমিতি, দৰংজিলা পেন্সনাৰ সন্থা, দৰংজিলা অধিবিদ্যা পৰিষদ, বিশ্ব হিন্দু পৰিষদৰ দৰং জিলা সমিতি, ভাৰতীয় জনতা পাৰ্টিৰ দৰংজিলা সমিতিকে ধৰি মঙলদৈৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। কাইলৈ ৰাতিপুৱা ৮ বজাত মঙলদৈৰ টেঙাবাৰী শ্মশানত তেওঁৰ শেষকৃত সম্পন্ন কৰা হ'ব।

# পেঙেৰীত ৰেড ক্ৰছ ছ'চাইটিৰ উদ্যোগত বিশ্ব স্বাস্থ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৮ এপ্ৰিল ঃ** মাৰ্ঘেৰিটা সম-জিলাবাসীক স্বাস্থ্য সম্পৰ্কত বিনামূলীয়াকৈ বিভিন্ন চিকিৎসা সেৱা আগবঢ়াই অহা মাৰ্ঘেৰিটাৰ একমাত্ৰ অগ্ৰণী মানৱদৰদী স্বেচ্ছাসেৱী সংগঠন 'ৰেড ক্ৰছ ছ'চাইটি'ৰ মাৰ্ঘেৰিটা শাখাই বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতি স্থান পেঙেৰীস্থিত পেঙেৰী চাহ বাগিচাত বিশ্ব স্বাস্থ্য দিৱস উদ্‌যাপন কৰে। বিশ্ব স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি বিনামূলীয়া চিকিৎসা শিবিৰ, বিভিন্ন ৰোগৰ ১৮বিধ তেজৰ পৰীক্ষা, ৰেহাই মূল্যত চশমা প্ৰদান, মহিলা সকলৰ মাজত ছেনীটেৰী পেড বিতৰণ কৰাৰ উপৰিও মুখগহ্বৰ, মহিলা সকলৰ স্তন আৰু জৰায়ু মুখৰ মাৰাত্মক কৰ্কট ৰোগৰ পৰীক্ষণ কৰা হয়। ছ'চাইটিৰ সম্পাদক পবিত্ৰ বৰগোহাঞিয়ে উদেশ্যে ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰে। তেওঁ বিশ্ব স্বাস্থ্য দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি ন্যূনতম স্বাস্থ্য বিধি পালনৰ জৰিয়তে নিজকে কেনেকৈ নিৰোগী আৰু সুস্বাস্থ্যৰ গৰাকী কৰিব পাৰি তাৰো ব্যাখ্যা দাঙি ধৰে। তেওঁ সমাজত দিনক দিনে বৃদ্ধি পোৱা কৰ্কট ৰোগৰ কাৰণ, লক্ষণ আৰু চিকিৎসা বিধি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবেই বিশ্ব স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি বিনামূলীয়া চিকিৎসা আৰু পৰীক্ষণ শিবিৰৰ লগতে সজাগতা সভা অনুষ্ঠিত কৰাৰ কথা উল্লেখ কৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনে পৰীক্ষণ শিবিৰত সক্ৰিয় সহযোগ আগবঢ়োৱাৰ লগতে ফাউণ্ডেশ্যনৰ বিশেষজ্ঞ চিকিৎসক ডাঃ মমতা উপাধ্যায়ে শিবিৰত কৰ্কট ৰোগৰ কাৰণ, লক্ষণ আৰু চিকিৎসা বিধিৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়াই ৰোগীৰ পৰীক্ষণ আৰু চিকিৎসা প্ৰদান কৰাৰ লগতে 'দি হন্স ফাউণ্ডেশ্যন'ৰ ডাঃ প্ৰৱন সাহ, ভাৰতীয় সামৰিক বাহিনীৰ ৮০নং ফিল্ড ৰেজিমেণ্টৰ চিকিৎসক ডাঃ (কেপ্তেইন) বিক্ৰম, চকু ৰোগ বিশেষজ্ঞ ডাঃ এছবৰা আৰু অদিত্য চুপাৰ হস্পিটেলৰ ডাঃ প্লাৱন কোঁৱৰে চাৰি শতাধিক ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰে। ৰোগীসকলক বিনামূলীয়াকৈ ঔষধ আৰু ৰেহাইমূল্যত চশমা প্ৰদান কৰা হয়। শিবিৰত ৮০ নং ফিল্ড ৰেজিমেণ্টৰ কৰ্ণেল চিবেক শৰ্মা, মেজৰ এছ শেখৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নৱজাতক শিশু আৰু মাতৃৰ যাৱতীয় সামগ্ৰীৰ টোপোলা প্ৰদান কৰে।

# শিৱসাগৰৰ তিনি সমষ্টিত ভোট গ্ৰহণৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৮ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন- ২০২৬ উপলক্ষে শিৱসাগৰ জিলাত ভোটগ্ৰহণ প্ৰক্ৰিয়া শান্তিপূৰ্ণ আৰু সুশৃংখলভাৱে সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া মৃদুল য়াদৱে আজি জাৰি কৰা এক প্ৰেছ বাৰ্তা অনুসৰি ৯৫- ডিমৌ, ৯৬- শিৱসাগৰ আৰু ৯৭-নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বাবে নিয়োজিত সমূহ নিৰ্বাচনী বিষয়া-কৰ্মীৰ দলে কাইলৈ ৯ এপ্ৰিলত ভোটগ্ৰহণ সম্পৰ্কীয় দায়িত্ব পালনৰ বাবে আজি ৮ এপ্ৰিলত নিজ নিজ ভোটকেন্দ্ৰলৈ নিৰাপদে অৱস্থান কৰিছে। সৰ্বমুঠ ৭৪১টা ভোটগ্ৰহণকাৰীৰ দল ইতিমধ্যে গন্তব্য স্থানত উপনীত হৈছেগৈ। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এগৰাকী প্ৰিজাইডিং বিষয়া, তিনিগৰাকী প'লিং বিষয়া আৰু দুগৰাকীকৈ আৰক্ষী কৰ্মীৰে দলটো প্ৰয়োজনীয় সামগ্ৰী আৰু ইভিএম (EVM), ভিভিপেট (VVPAT) সহ সংশ্লিষ্ট কেন্দ্ৰসমূহত উপস্থিত হৈছে। এই ইভিএম আৰু ভিভিপেটৰ তালিকা সকলো প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী, নিৰ্বাচনী এজেণ্ট আৰু স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলকো ইতিমধ্যে প্ৰদান কৰা হৈছে। উল্লেখ্য যে, সকলো নিৰ্বাচনী দলক জিপিএছ (GPS) সংযুক্ত যানবাহনত জ'নেল আৰু ছেক্টৰ বিষয়াসকলৰ তত্ত্বাৱধানত কেন্দ্ৰসমূহলৈ প্ৰেৰণ কৰা হৈছে। আনহাতে, শান্তিপূৰ্ণ ভোটগ্ৰহণ নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বল (Central Armed Police Force- CAPF) মোতায়েনৰ ব্যৱস্থাও কৰা হৈছে। লগতে, ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি শিৱসাগৰ জিলাৰ তিনিওটা বিধানসভা সমষ্টিৰ সকলো ভোটকেন্দ্ৰত ১০০ শতাংশ লাইভ ৱেবকাষ্টিং কৰা হ'ব আৰু নিৰ্দিষ্ট কেন্দ্ৰসমূহত মাইক্ৰ'- অবজাৰ্ভাৰ নিয়োগ কৰা হৈছে। ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ৯ এপ্ৰিলত পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। আনহাতে সন্ধিয়া ৫ বজাৰ আগতে ভোটকেন্দ্ৰত উপস্থিত থকা আৰু কিউ-শ্লিপ লাভ কৰা সকলো ভোটাৰে ভোটদান কৰিব পাৰিব। অৱশ্যে ৫ বজাৰ পিছত কোনো ভোটাৰক ভোটদান কৰিবলৈ অনুমতি দিয়া নহ'ব। ভোটগ্ৰহণ আৰম্ভ হোৱাৰ আগতে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত মক-প'ল অনুষ্ঠিত কৰা হ'ব। জিলাখনৰ ৯৫- ডিমৌ বিধানসভা সমষ্টিত ২৩ গৰাকী ছেক্টৰ বিষয়া আৰু ৭ গৰাকী জ'নেল বিষয়া নিয়োজিত কৰা হৈছে। ইয়াত মুঠ ৯২০ গৰাকী নিৰ্বাচনী কৰ্মী নিয়োজিত কৰা হৈছে। ৯৬-শিৱসাগৰ বিধানসভা সমষ্টিত ২৯ গৰাকী ছেক্টৰ বিষয়া আৰু ৭ গৰাকী জ'নেল বিষয়া নিযুক্তি দিয়া হৈছে। ইয়াত ১, ১১২ গৰাকী নিৰ্বাচনী কৰ্মী নিয়োজিত কৰা হৈছে। ৯৭- নাজিৰা বিধানসভা সমষ্টিত ২৫ গৰাকী ছেক্টৰ বিষয়া আৰু ৬ গৰাকী জ'নেল বিষয়া নিয়োজিত কৰা হৈছে। ইয়াত ৯৩২ গৰাকী নিৰ্বাচনী কৰ্মী নিয়োজিত কৰা হৈছে। প্ৰতিটো সমষ্টিত ৫০টাকৈ ভোটগ্ৰহণ কেন্দ্ৰ মহিলা নিৰ্বাচনী কৰ্মীৰ দ্বাৰা পৰিচালিত হ'ব। তদুপৰি ডিমৌ, শিৱসাগৰ আৰু নাজিৰা বিধানসভা সমষ্টিৰ বাবে ক্ৰমে ৪, ৩ আৰু ৩টাকৈ ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ ৰূপে চিহ্নিত কৰা হৈছে। শিৱসাগৰ জিলা প্ৰশাসনে জনসাধাৰণক নিজৰ ভোটাৰ পৰিচয় পত্ৰ বা ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্দিষ্ট কৰা যিকোনো এবিধ বিকল্প পৰিচয় পত্ৰ লগত লৈ ভোটদানত অংশগ্ৰহণ কৰাৰ হকে আহ্বান জনাইছে। উল্লেখ্য যে, ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ পৰিসৰত মোবাইল ফোন বন্ধ অৱস্থাত ৰাখিব লাগিব আৰু কেৱল অনুমোদিত ব্যক্তিকেই কেন্দ্ৰত প্ৰৱেশৰ অনুমতি থাকিব। এই মোবাইল ফোনসমূহ মোবাইল ডিপজিট পাউচত জমা থব লাগিব।

# ৰঙিয়াত সুৰ-সংগীতৰ এক অনন্য সন্ধ্যা; এলকেমী স্কুল অৱ মিউজিকৰ প্ৰথম বৰ্ষপূৰ্তি




**অসম বাৰ্তা, ৰঙিয়া, ৮ এপ্ৰিল ঃ** কামৰূপ জিলাৰ জয়ন্তীপুৰ নিম্ন প্ৰাথমিক বিদ্যালয় প্ৰাংগণত মঙলবাৰে এক বৰ্ণিল কাৰ্যসূচীৰে এলকেমী স্কুল অৱ মিউজিকৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানটি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰাৰ লগতে অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰি শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই বন্তি প্ৰজ্বলন তথা শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ শুভাৰম্ভ কৰি বিশিষ্ট কবি, কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা 'নতুন স্বদেশ' কাকতৰ সহযোগী সম্পাদক আহমদ আলীয়ে এটি সাৰগৰ্ভ উদ্বোধনী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে নাট্যকাৰ প্ৰতুল ভূঞা আৰু সমাজসেৱক প্ৰতাপ চন্দ্ৰ দাস উপস্থিত থাকে। ইয়াৰ লগতে কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ উপ-সভাপতি চৰিফুল হুছেইন আৰু বিশিষ্ট শিক্ষাবিদ তথা প্ৰাক্তন অধ্যক্ষ বদন শইকীয়াই অনুষ্ঠানত উপস্থিত থাকি উদীয়মান শিল্পীসকলক উৎসাহিত কৰে। এলকেমী স্কুল অৱ মিউজিকৰ স্বত্বাধিকাৰী অনিল চন্দ্ৰ দাসে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটিত শিল্পী ইক্ৰামুদ্দিন আহমেদৰ উপস্থিতি আছিল উল্লেখযোগ্য। সমগ্ৰ বৰ্ষপূৰ্তি অনুষ্ঠানটিৰ সফলতাৰে আঁত ধৰে কুলদ্বীপ লহকৰে। সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে সংগীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে এটি মনোমোহা সমবেত গীত পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। উল্লেখযোগ্য যে এই বিশেষ গীতটিৰ ৰচনা তথা সংগীত পৰিচালনা বিশিষ্ট শিল্পী বিভা ৰাণী কলিতাৰ। শিল্পী গৰাকীয়ে নিজে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মঞ্চত গীতটি পৰিৱেশন কৰি অনুষ্ঠানটোত এক বিশেষ মাত্ৰা প্ৰদান কৰে। ইয়াৰ উপৰিও শিশু শিল্পী ঋষিতা কলিতাৰ গীত আৰু নৃত্যৰ সুন্দৰ পৰিৱেশনে উপস্থিত সকলোকে মোহিত কৰে। বিদ্যালয়খনৰ উদীয়মান শিক্ষাৰ্থী শ্ৰেয়ান শইকীয়া, অৰ্ণৱ দাস, মৃণ্ময় দাস, কৃতিকা বৈশ্য, ভাস্বতী দাস, জয়ন্তি দাস, কৃতিষ্ণা কলিতা, অনামিকা দাস, মুনমী দাস, পৰিস্মিতা কলিতা, ক্ৰেয়ান আৰু অংকিতাই সুন্দৰ দলীয় নৃত্য প্ৰদৰ্শন কৰাৰ বিপৰীতে প্ৰতিভা কলিতাই একক নৃত্যৰে মঞ্চ আলোকিত কৰে। এই উদীয়মান শিল্পীসকলে গীত আৰু নৃত্যৰ অপূৰ্ব সমাহাৰেৰে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সংগীতৰ অনুষ্ঠানত গিটাৰ সংগত কৰি উপস্থিত ৰাইজক মুগ্ধ কৰে চাকিব হুছেইন আৰু উবাংশু কলিতাই। অনুষ্ঠানৰ আন এক অন্যতম আকৰ্ষণ আছিল আমন্ত্ৰিত শিল্পীসকলৰ গীতৰ শৰাই। জনপ্ৰিয় কণ্ঠশিল্পী নয়ন নিবিড় আৰু জিন্তি কলিতাৰ গায়কীয়ে দৰ্শকক বিশেষভাৱে মোহিত কৰে। ইয়াৰ লগতে জ্যোতি দাস, দীপশিখা মেধি, বিচিত্ৰা কলিতা আৰু কৃতিষ্ণা কলিতাৰ সুমধুৰ গীতে অনুষ্ঠানটো জীপাল কৰি তোলে। কণ্ঠশিল্পী হিয়াশ্ৰী বুজৰবৰুৱা আৰু জ্যোতিষ্মান কাশ্যপৰ গীতৰ শৰায়েও অনুষ্ঠানটোত এক বিশেষ মাত্ৰা প্ৰদান কৰে। শেষত চাহাবুদ্দিন আহমেদ আৰু পাকিজা বেগমৰ থলুৱা জিকিৰৰ লগতে নয়না কাশ্যপৰ গীত আৰু নৃত্যৰ সুন্দৰ সমাহাৰে জয়ন্তীপুৰৰ এই বৰ্ষপূৰ্তি অনুষ্ঠানটিৰ সফল সমাপ্তি ঘটায়।

# নগাঁৱত জিলা আয়ুক্তই গামোচা পিন্ধাই বিদায় দিলে ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীক

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ এপ্ৰিল ঃ** কাইলৈ ৰাজ্যজুৰি অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে আজি নগাঁও জিলাৰ সাতটা বিধানসভা সমষ্টিৰ ১৮৬৮টা ভোটগ্ৰহণ কেন্দ্ৰত দিনৰ ভাগতে সকলো পোলিং আৰু প্ৰিজাইডিং বিষয়াৰ দল গৈ সুকলমে উপস্থিত হৈছে। সকলো কেন্দ্ৰতে পৰ্যাপ্ত চিচিটিভি কেমেৰাৰ ব্যৱস্থা কৰা হৈছে। আজি পুৱা ৬ বজাতে বিষয়া-কৰ্মচাৰীসকল ভোটিং মেচিন, ভিভিপেট আদি যাৱতীয় সামগ্ৰী সংগ্ৰহৰ বাবে নিজ নিজ কেন্দ্ৰত গৈ উপস্থিত হয়। ৫৫ নং ধিং, ৫৬ নং ৰূপহীহাট আৰু ৫৮ নং চামগুৰি বিধানসভা সমষ্টিৰ বাবে ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়, ৫৭ নং কলিয়াবৰ আৰু ৫৯ নং বড়মপুৰৰ বিধানসভা সমষ্টিৰ বাবে চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু ৬০ নং নগাঁও-বটদ্ৰৱা আৰু ৬১নং ৰহা (অনুসূচীত জাতি) বিধানসভা সমষ্টিৰ বাবে চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ক কেন্দ্ৰ হিচাপে নিৰ্ধাৰণ কৰা হৈছিল। এই কেন্দ্ৰসমূহৰ পৰা সামগ্ৰী সংগ্ৰহ কৰি নেহেৰুবালি আৰু গৰুফিল্ডত ৰখা নিৰ্দিষ্ট মটৰ গাড়ীৰে গৈ আজি আবেলিৰ ভিতৰতে ভোটগ্ৰহণকাৰী দলসমূহ নিজ নিজ কেন্দ্ৰত গৈ উপস্থিত হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাই সমগ্ৰ প্ৰক্ৰিয়াটো প্ৰত্যক্ষভাৱে তদাৰক কৰাৰ লগতে নেহেৰুবালিৰ পৰা বিষয়াসকলক তেওঁলোকৰ গন্তব্য স্থানলৈ যাত্ৰাকৰাৰ পূৰ্বে ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই উৎসাহিত কৰে। তদুপৰি নিৰ্বাচনক কেন্দ্ৰ কৰি এক উৎসৱমুখৰ পৰিৱেশৰ সূচনা কৰি উক্ত স্থানত এটি বিহু নৃত্য প্ৰদৰ্শনৰো ব্যৱস্থা কৰে। সকলো ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীয়ে বিহুনাচত অংশ লৈ আনন্দত আত্মহাৰা হৈ পৰা দেখা যায়।

**বিহুনাচেৰে নেহেৰুবালিত উৎসৱমুখৰ পৰিৱেশ; ১৮৬৮ কেন্দ্ৰত গৈ হাজিৰ ভোটগ্ৰহণকাৰীৰ দল**



জিলা আয়ুক্তগৰাকীয়ে ভোজন কক্ষ সমূহলৈ গৈয়ো খাদ্য গ্ৰহণকাৰীসকলৰ সৈতে বাৰ্তালাপ কৰি অৱস্থাৰ বুজ লয়। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, প্ৰতিটো কেন্দ্ৰৰ বিপৰীতে এজন প্ৰিজাইডিং, তিনিজন পোলিং আৰু এজন নিৰাপত্তাৰক্ষী একেলগে ৰাওনা হৈছে। জিলাখনত ২০০টা কেৱল মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰও আছে। সমগ্ৰ প্ৰক্ৰিয়াটো এই পৰ্যন্ত অতি সুকলমে সম্পন্ন হৈছে। কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত আজিয়েই নগাঁও চহৰত উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে।

# ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যতৰ কথা চিন্তা চৰ্চাৰে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ অঞ্চলৰ বিদ্যালয় সমূহ পৰিদৰ্শন

**অসম বাৰ্তা, মাকুম, ৮ এপ্ৰিল ঃ** ২০২৬-২৭ নতুন শিক্ষা বৰ্ষ উপলক্ষে ছাত্ৰ - ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যতৰ কথা চিন্তা কৰি আজি মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ এটা সঁজাতি দলে মাকুম অঞ্চলৰ পি এম শ্ৰী গোপাল কৃষ্ণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, মাকুম প্ৰাথমিক বিদ্যালয়, মাকুম গঙ্গা বিচন চৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি বিদ্যালয় সমূহ পৰিদৰ্শন কৰে। বিদ্যালয় সমূহত উপস্থিত হৈ প্ৰত্যেকখন বিদ্যালয়ৰ অধ্যক্ষাৰ সৈতে ছাত্ৰ-ছাত্ৰী সকলক কিতাপ পত্ৰ, বেঞ্চ- ডেস্ক আদি প্ৰয়োজন অনুসৰি যোগান ধৰিবলৈ সক্ষম হৈছে নে নাই, তদুপৰি ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক শিক্ষয়িত্ৰীৰ অভাৱ হৈছে নেকি ইত্যাদি বিভিন্ন অভাৱ সমূহৰ বিষয়ে বুজ লয়। আছুৰ সঁজাতি দলটোৱে পৰিদৰ্শন কৰি বিদ্যালয়সমূহৰ মাজত বিভিন্ন সমস্যাৰে জৰ্জড়িত হৈ থকা বুলি জানিবলৈ দিয়ে। বিশেষকৈ গোপাল কৃষ্ণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ সমস্যা এটা প্ৰধান সমস্যা হিচাপে ধৰা দিছে। ছাত্ৰীৰ অনুপাতে বিদ্যালয় খনত শিক্ষক-শিক্ষয়িত্ৰী কম হোৱাত ছাত্ৰী সকলক শিক্ষা প্ৰদান কৰাত অসুবিধা আহি পৰিছে বুলি সঁজাতি দলটোক গোপাল কৃষ্ণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষা গৰাকীয়ে অৱগত কৰে। ইয়াৰ লগতে মাকুম প্ৰাথমিক বিদ্যালয়ত পৰিদৰ্শন কৰিও বিদ্যালয়খনত বিভিন্ন সমস্যা থকাৰ কথা বিদ্যালয়ৰ শিক্ষয়িত্ৰীয়ে দলটোক অৱগত কৰে। ইয়াৰোপৰি মাকুম গঙ্গা বিচন চৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয় ত পৰিদৰ্শন কৰি অধ্যক্ষা গৰাকীৰ সৈতে কথা বতৰা পাতি বিদ্যালয় খনত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ হোৱাত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা সৃষ্টি হোৱাৰ কথা দলটোৱে অৱগত হয়। মাকুম আঞ্চলিক ছাত্ৰ সন্থাই বিদ্যালয় সমূহৰ মাজত দেখা দিয়া সমস্যা সমূহ সমাধান কৰাৰ সন্দৰ্ভত নিৰ্বাচনৰ পাছতেই বিদ্যালয় সমূহৰ পৰিদৰ্শনৰ স্মাৰক পত্ৰ প্ৰদান কৰিব বুলি সংবাদ মাধ্যমৰ জৰিয়তে অৱগত কৰে ছাত্ৰ সন্থাৰ সভাপতি শিবা দাসে।

**নগএগ্ৰা সচেতন ভোটাৰৰ সৈতে ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মত বিনিময়**

# সুস্থ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যে 'ডি এম মন্ত্ৰ'ৰ উদ্যোগত নগাঁৱত ব্যতিক্ৰমী অনুষ্ঠান

**অসম বাৰ্তা, বড়মপুৰ, ৮ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি 'ডি এম মন্ত্ৰ পি আৰ চলিউচন'ৰ উদ্যোগত আৰু নগাঁও ইলেক্ট্ৰনিক মিডিয়া এছ'চিয়েছন (নেমা)ৰ সহযোগত আজি নগাঁও জিলাৰ ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল আৰু জিলাখনৰ সচেতন নাগৰিকৰ মাজত মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰণৱ বৰুৱা কলাক্ষেত্ৰত পুৱা ভাগত আয়োজিত অনুষ্ঠানটোৰ আঁত ধৰে জ্যেষ্ঠ সাংবাদিক হীৰেন শৰ্মাই। অনুষ্ঠানটোত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে তেওঁলোকৰ প্ৰতিনিধিয়ে সচেতন নগএগ্ৰা ভোটদাতাৰ ওচৰত ববক্তব্য প্ৰদান কৰি নিজৰ ৰাজনৈতিক দৃষ্টিভংগী আৰু ভৱিষ্যত পৰিকল্পনা দাঙি ধৰে। ৰাজনৈতিক কোৰ্হালৰ পৰিৱৰ্তে সুস্থ পৰিৱেশত প্ৰতিগৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক চিন্তাধাৰা জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানটোত নগাঁও-বটদ্ৰৱা সমষ্টিৰ কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী ডাঃ দুৰ্লভ চমুৱাই তেওঁক ৰাইজে বিধায়ক নিৰ্বাচিত কৰিলে জিলাখনৰ উন্নয়নৰ বাবে গুৰুত্ব সহকাৰে কৰিবলগীয়া কামসমূহৰ ৰূপৰেখা দাঙি ধৰে। সৰবৰহী যুৱক বিনয় লস্কৰ আৰু ৰেখা শৰ্মাই পৰিচালনা কৰা ব্যক্তিক্ৰমী অনুষ্ঠানটোত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সদস্য দেৱাশীষ দাস, পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মা, সমাজকৰ্মী দীপিকা শইকীয়াকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে মতামত দাঙি ধৰে।

## অগ্ৰিম জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত

দেওবাৰে দিল্লী আৰু গুৱাহাটীত সংবাদমেল সম্বোধন কৰি পৱন খেড়াই মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূএগ শৰ্মাৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ আনিছিল। তেওঁ অভিযোগ কৰিছিল যে ৰিণিকি ভূএগ শৰ্মাৰ দেশৰ পাছপ'ৰ্ট আছে আৰু আমেৰিকাত ৫২ হাজাৰ কোটি টকাৰ কোম্পানী আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰিণিকি ভূএগ শৰ্মাই এই অভিযোগ সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিছে। অভিযোগৰ পিছতে দেওবাৰে নিশাই ৰিণিকি ভূএগ শৰ্মাই ক্ৰাইম ব্ৰাঞ্চত পৱন খেড়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। সেই এজাহাৰৰ ভিত্তিত অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰে আৰু পৱন খেড়াৰ সন্ধান আৰম্ভ কৰে। মঙলবাৰে গুৱাহাটী মহানগৰ আৰক্ষীৰ ডিচিপি দেৱজিত নাথৰ নেতৃত্বত অসম আৰক্ষীৰ এটা দল দিল্লীত উপস্থিত হৈ পৱন খেড়াৰ নিজামুদ্দিনস্থিত বাসগৃহত তলাচী চলায়। কিন্তু তেতিয়ালৈকে পৱন খেড়া তাত উপস্থিত নাছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত দিয়া প্ৰতিক্ৰিয়াত কৈছে যে পৱন খেড়াই দিল্লী এৰি হায়দৰাবাদত আত্মগোপন কৰি আছিল। আনহাতে, বুধবাৰে পোৱা তথ্য অনুসৰি পৱন খেড়াই হায়দৰাবাদৰ পৰাও আঁতৰি আন এখন ৰাজ্যত আশ্ৰয় লৈছে। চৰ্চা অনুসৰি তেওঁ পঞ্জাবত আশ্ৰয় লোৱাৰ সম্ভাৱনা আছে। গ্ৰেপ্তাৰৰ ভয়ত আত্মগোপন কৰি থকা পৱন খেড়াই অসম আৰক্ষীৰ জোৰদাৰ সন্ধান আৰু তদন্তৰ পৰিপ্ৰেক্ষিতত ন্যায়ালয়ৰ দ্বাৰস্থ হৈ অগ্ৰিম জামিন বিচাৰিছে। উল্লেখ্য যে, পৱন খেড়াৰ এই বিস্ফোৰক অভিযোগৰ পিছতে ৰাজ্য তথা দেশৰ ৰাজনৈতিক মহলে তুমুল প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পৱন খেড়াক 'পেৰা' বনাই দিয়াৰ হুংকাৰ দিছিল বুলিও জানিব পৰা গৈছে। এই ঘটনাই অসমৰ ৰাজনীতিত নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু ভোটগ্ৰহণৰ মাত্ৰ এদিন আগতে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে।

## আজি ৰাজ্যত বিধানসভা

ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ নিৰীক্ষণ অধিক ফলপ্ৰসূ কৰিবলৈ প্ৰতিটো ভোট কেন্দ্ৰত ৱেবকাষ্টিংৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত সৰ্বমুঠ ৩১, ৪৯০টা ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত ৩১, ৪৮৬টা মূল ভোট কেন্দ্ৰ আৰু ৪টা সহায়ক ভোট কেন্দ্ৰ। প্ৰতিটো ভোট কেন্দ্ৰত ৱেবকাষ্টিংৰ জৰিয়তে ভোটগ্ৰহণ প্ৰক্ৰিয়া জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়, মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয় আৰু নিৰ্বাচন আয়োগৰ কাৰ্যালয়ৰ পৰা পোনপটীয়াকৈ পৰ্যবেক্ষণ কৰিব পৰা হ'ব। ভোট কেন্দ্ৰসমূহৰ সুৰক্ষাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ জোৱান মোতায়েন কৰা হৈছে। প্ৰতিটো ভোট কেন্দ্ৰতে খোৱাপানী, জিৰণি কোঠা, শৌচালয়, বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে হুইল চেয়াৰ আদি ন্যূনতম সুবিধা নিশ্চিত কৰা হৈছে। ভোটাৰৰ শাৰীত বহিবলৈ বেঞ্চ আৰু মোবাইল ৰখাৰ ব্যৱস্থাও কৰা হৈছে। এই নিৰ্বাচনত মুঠ ১, ৫১, ১৩২ গৰাকী ভোটগ্ৰহণ বিষয়া নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ বাবে ৪১, ৩২০টা বেলট ইউনিট, ৪৩, ৯৭৫টা কণ্ট্ৰোল ইউনিট আৰু ৪৩, ৯৯৭টা ভিভিপিএটি মেচিন প্ৰস্তুত কৰা হৈছে। জৰুৰীকালীন পৰিস্থিতিৰ বাবে অতিৰিক্ত সঁজুলি আৰু বিষয়াও সাজু কৰি ৰখা হৈছে। এই নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। তেওঁলোকৰ ভাগ্য নিৰ্ণয় কৰিব ২, ৫০, ৫৪, ৪৬৩ গৰাকী ভোটাৰে। ইয়াৰ ভিতৰত ১, ২৫, ৩১, ৫৫২জন পুৰুষ, ১, ২৫, ২২, ৫৯৩ গৰাকী মহিলা আৰু ৩১৮ গৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। লগতে ৬৩, ৪২৩ গৰাকী ছাৰ্ভিচ ভোটাৰো ভোটদান কৰিব। বিশেষভাৱে উল্লেখযোগ্য যে, ১৮-১৯ বছৰ বয়সৰ ৬, ৪২, ৩১৪ গৰাকী প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলৈ সাজু হৈছে। ইয়াৰ উপৰি ২, ৫০, ০০৬ গৰাকী ৮০ বছৰৰ উৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিক আৰু ২, ০৫, ০৮৫ গৰাকী বিশেষভাৱে সক্ষম ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব।জন প্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ৬০(চি) অনুসৰি ৮৫ বছৰৰ উৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ভোটাৰসকলক ঘৰৰ পৰাই পোষ্টেল বেলট যোগে ভোটদানৰ ঐচ্ছিক সুবিধা প্ৰদান কৰা হৈছে। আজিলৈকে ২৬, ০৩২ গৰাকী ৮৫ বছৰৰ উৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিক আৰু ৮, ৩৭৩ গৰাকী দিব্যাংগ ভোটাৰে এই সুবিধা গ্ৰহণ কৰিছে। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো নাগৰিকক ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া পুৱা ৭ বজাৰ পৰা আৰম্ভ হৈ সন্ধিয়া ৬ বজালৈ চলিব।

## ঝাৰখণ্ডৰ বাবা বৈদ্যনাথ

পৌঁহোৱাৰ লগে লগে বিজেপিৰ নেতা-কৰ্মীয়ে তেওঁক উষ্ম আদৰণি জনায়। আদৰণি অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰীগৰাকী দেওঘৰৰ প্ৰসিদ্ধ সৎসংগ আশ্ৰমত উপস্থিত হয় আৰু তাত পূজা-অৰ্চনা আগবঢ়ায়। তাৰ পাছতে তেওঁ পোনে পোনে বৈদ্যনাথ ধামলৈ ৰাওনা হয়। বাবা বৈদ্যনাথ ধামত উপস্থিত হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্দিৰত পূজা অৰ্পণ কৰি আশীৰ্বাদ বিচাৰে। মন্দিৰত তেওঁৰ উপস্থিতিৰ পূৰ্বেই নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হয় আৰু কিছু সময়ৰ বাবে সাধাৰণ ভক্তৰ প্ৰৱেশ বন্ধ কৰি দিয়া হয়। পূজা সমাপ্ত হোৱাৰ পাছত পুনৰ সাধাৰণ ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিয়া হয়। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ত তেওঁক সংগ দিয়ে বিজেপিৰ জ্যেষ্ঠ নেতা তথা সাংসদ নিশিকান্ত ডুবে আৰু তেওঁৰ পত্নীয়ে। পূজা-অৰ্চনা সম্পন্ন কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকী কিছু সময় বিশ্ৰাম আৰু ভোজন গ্ৰহণৰ বাবে নিশিকান্ত ডুবেৰ বাসগৃহলৈ যায়। দেওঘৰত উপস্থিত হোৱাৰ পাছত সাংবাদিকসকলে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰাৰ চেষ্টা কৰিলেও তেওঁ কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ ৰাজি নহয়। নিৰ্বাচনী আচৰণ বিধি পালন কৰি তেওঁ সাংবাদিকসকলক স্পষ্টভাৱে জনায় যে নিৰ্বাচনত জয়ী হোৱাৰ পাছতহে সংবাদ মাধ্যমৰ সৈতে মুকলিকৈ বাৰ্তালাপ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই দেওঘৰ ভ্ৰমণ আৰু বাবা বৈদ্যনাথ ধামত পূজা দিয়াৰ খবৰ ৰাজনৈতিক মহলত ব্যাপক চৰ্চা লাভ কৰিছে। উল্লেখ্য যে কেইদিনমান পূৰ্বে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণ অসমলৈ আহি নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি মা কামাখ্যা মন্দিৰত পূজা দিছিল। দুয়োগৰাকী মুখ্যমন্ত্ৰীৰ মন্দিৰ দৰ্শনক লৈ এতিয়া নিৰ্বাচনী চৰ্চা তীব্ৰ হৈ উঠিছে। পূজা সমাপ্ত কৰি নিশিকান্ত ডুবেৰ ঘৰত কিছু সময় কটোৱাৰ পাছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিমান বন্দৰলৈ আহি অসমলৈ ৰাওনা হয়। অসম বিধানসভা নিৰ্বাচনৰ ফলাফল কোন দলৰ অনুকূলে যাব সেই লৈ ৰাজ্যৰ লগতে দেশৰ ৰাজনৈতিক মহলত তীক্ষ্ণ দৃষ্টি নিবদ্ধ হৈ আছে।

## ক্ৰমাৎ সুস্থ হৈ উঠিছে

চিকিৎসকসকলে তেওঁক আজি চিকিৎসালয়ৰ পৰা ঘৰলৈ উভতি যাবলৈ অনুমতি প্ৰদান কৰিছে। শনিবাৰে দুপৰীয়া ২.৩০ বজাত গুৱাহাটীৰ দিছপুৰ হাস্পতালত ভৰ্তি কৰা হৈছিল গৰিমা শইকীয়া গাৰ্গক। প্ৰথম অৱস্থাত তেওঁৰ শৰীৰত চেনিৰ পৰিমাণ অত্যন্ত কমি যোৱাৰ লগতে টোপনিৰ অভাৱৰ বাবে শাৰীৰিক দুৰ্বলতা দেখা দিছিল বুলি চিকিৎসকে জানিবলৈ দিছিল। বিশেষজ্ঞ চিকিৎসকৰ তত্ত্বাৱধানত কেইদিনমান চিকিৎসাৰ পিছত তেওঁৰ স্বাস্থ্যৰ উল্লেখযোগ্য উন্নতি ঘটিছে। উল্লেখযোগ্য যে, প্ৰাণপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পিছত গৰিমা শইকীয়া গাৰ্গক কেইবাবাৰো চিকিৎসালয়ত ভৰ্তি কৰিব লগা হৈছিল। মানসিক চাপ আৰু শাৰীৰিক দুৰ্বলতাৰ বাবে তেওঁৰ স্বাস্থ্যত বাৰে বাৰে সমস্যা দেখা দিছে। এইবাৰো দিছপুৰ হাস্পতালত চিকিৎসাধীন অৱস্থাত থকাৰ সময়ত চিকিৎসকে তেওঁৰ অৱস্থা নিবিড়ভাৱে পৰ্যবেক্ষণ কৰিছিল। চিকিৎসালয়ৰ সূত্ৰ অনুসৰি, গৰিমা শইকীয়া গাৰ্গৰ বৰ্তমানৰ অৱস্থা স্থিৰ আৰু সন্তোষজনক। চিকিৎসকসকলে পৰামৰ্শ দিছে যে ঘৰত বিশ্ৰাম লৈ, পৰিয়ালৰ সহায়ত আৰু প্ৰয়োজনীয় ঔষধ-পথ্য গ্ৰহণ কৰি তেওঁ সম্পূৰ্ণ সুস্থ হৈ উঠিব পাৰিব। জুবিন গাৰ্গৰ অনুৰাগী আৰু শুভাকাংখীসকলে গৰিমা শইকীয়া গাৰ্গৰ সোনকালে সম্পূৰ্ণ আৰোগ্য লাভ কৰাৰ বাবে প্ৰাৰ্থনা কৰিছে। তেওঁৰ স্বাস্থ্যৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষিত হৈ আছে।

## মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে

কৰাৰ অভিযোগ উত্থাপন কৰি এই এজাহাৰ দিয়া হৈছে। আৰএছএছৰ এগৰাকী মুখপাত্ৰই জনোৱা মতে, শেহতীয়াকৈ দক্ষিণ অসমত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত খাৰ্গেৰ দিয়া বিতৰ্কিত বক্তব্যৰ বিৰুদ্ধে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। অভিযোগ অনুসৰি, কৰিমগঞ্জ জিলাৰ ভবাণীপুৰ সমষ্টিৰ অন্তৰ্গত নিলাম বজাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত কংগ্ৰেছ সভাপতিয়ে আৰএছএছ আৰু বিজেপিক 'বিষাক্ত সাপ'ৰ সৈতে তুলনা কৰি কৈছিল, "যদি নামাজ পঢ়াৰ সময়ত আপোনাৰ সন্মুখত বিষাক্ত সাপে ফেট তোলে, তেন্তে আপুনি নামাজ বন্ধ কৰি প্ৰথমে সেই বিষাক্ত সাপটোক মাৰিব লাগিব। কোৰানত এইটোৱেই কৰাৰ নিৰ্দেশ আছে। মই আপোনালোকক জনাও যে আৰএছএছ আৰু বিজেপি সেই একেটা বিষাক্ত সাপৰ দৰেই।" আৰএছএছে এই মন্তব্যক উচটনিমূলক আৰু সাম্প্ৰদায়িক বিভাজন সৃষ্টি কৰিব পৰা বুলি অভিহিত কৰি কৈছে যে, এনে বক্তব্যই আৰএছএছ আৰু বিজেপিৰ কৰ্মী-সমৰ্থকৰ বিৰুদ্ধে শত্ৰুতা, ভাবুকি আৰু হিংসাৰ পৰিৱেশ সৃষ্টি কৰিব পাৰে। অভিযোগত উল্লেখ কৰা হৈছে যে, এই মন্তব্য জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ চনৰ ধাৰা ৮৩ৰ অধীনত 'দুৰ্নীতিগ্ৰস্ত নিৰ্বাচনী প্ৰথা' হিচাপে গণ্য কৰিব পাৰি। ইয়াৰ দ্বাৰা জনসাধাৰণক ভয় খুৱাই বিভিন্ন ৰাজনৈতিক আৰু সামাজিক সংগঠনৰ সমৰ্থকৰ মাজত শত্ৰুতা বিয়পোৱাৰ চেষ্টা চলোৱা হৈছে। আৰএছএছে আৰু কৈছে যে, আৰএছএছ আৰু বিজেপিৰ মতাদৰ্শক 'বিষাক্ত' বুলি অভিহিত কৰি নিৰ্মূল কৰাৰ আহ্বান জনোৱাটোৱে এই সংগঠনসমূহৰ সদস্য আৰু সমৰ্থকৰ বিৰুদ্ধে শাৰীৰিক ক্ষতি কৰাৰ উচটনি দিব পাৰে। লগতে এই বক্তব্যই হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত সাম্প্ৰদায়িক বিভাজন সৃষ্টি কৰি অসমৰ শান্তি-সম্প্ৰীতি বিঘ্নিত কৰাৰ লগতে নিৰ্বাচনী পৰিৱেশত বিৰূপ প্ৰভাৱ পেলোৱাৰ প্ৰয়াস কৰিছে বুলিও অভিযোগ কৰা হৈছে। অভিযোগকাৰীসকলে দাবী কৰিছে যে, এনে বক্তব্যৰ বিৰুদ্ধে প্ৰশাসনে তৎকালীনভাৱে পদক্ষেপ গ্ৰহণ নকৰিলে সাম্প্ৰদায়িক উত্তেজনা বা সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে। আৰএছএছৰ উত্তৰ অসমৰ সম্পাদক খগেন শইকীয়াই দিছপুৰ থানাত আৰু দক্ষিণ অসমৰ সম্পাদক জ্যোৎস্নাময় চক্ৰৱৰ্তীয়ে শিলচৰ থানাত এই এজাহাৰ দাখিল কৰে। উল্লেখযোগ্য যে, একে অভিযোগতে মঙলবাৰে বশিষ্ঠ থানাত আৰু নিৰ্বাচন আয়োগৰ ওচৰতো অভিযোগ দাখিল কৰিছিল বিজেপিয়ে। বৰ্তমান অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ মাজতে ৰাজনৈতিক উত্তেজনা বৃদ্ধি পাইছে আৰু এই ঘটনাই নিৰ্বাচনী প্ৰচাৰৰ সময়ত ভাষণৰ সীমা আৰু দায়িত্বশীলতাৰ বিষয়ে নতুনকৈ বিতৰ্কৰ সৃষ্টি কৰিছে।

## অসমলৈ সন্দেহজনক লোকৰ

অসমীয়া ভাষা নাজানে আৰু নিজৰ ভোটগ্ৰহণ সমষ্টিৰ নামো সঠিককৈ ক'ব নোৱাৰে। বৰপেটা ৰোড, বঙাইগাঁও, ধুবুৰীকে ধৰি বিভিন্ন অঞ্চলৰ ৰে'ল ষ্টেচনত তেওঁলোকৰ ভিৰত বাট চলাচল কৰাটো কঠিন হৈ পৰিছে। নিশাৰ ৰে'লেৰে হাজাৰ হাজাৰ লোক নামি আহিছে আৰু বাছযোগেও দলে দলে 'মিঞা' লোক অসমত প্ৰৱেশ কৰিছে। মহানগৰী গুৱাহাটীৰ ৰে'ল আৰু বাছ ষ্টেচনসমূহতো এনে সন্দেহজনক নাগৰিকৰ ভিৰ দেখা গৈছে। এই হাজাৰ-হাজাৰ লোকৰ আকস্মিক আগমনে স্বাভাৱিকতে প্ৰশ্ন উত্থাপন কৰিছে — এই সংখ্যালঘু লোকসকলে অসমৰ ৰাজনৈতিক ভৱিষ্যৎ নিয়ন্ত্ৰণ কৰিব নেকি? বহুতো লোকে স্বীকাৰ কৰিছে যে তেওঁলোক অসমত স্থায়ীভাৱে নাথাকে। তেওঁলোকে নিজকে মন্দিয়া, চেঙা, কলগাছিয়া, হাউলী আদি অঞ্চলৰ ভোটাৰ বুলি পৰিচয় দিছে যদিও কৰ্মসূত্ৰে বহিঃৰাজ্যত থকা বুলি কৈছে। তেওঁলোকৰ পৰিচয় আৰু নথি-পত্ৰ সন্দেহজনক বুলি বহুতে মন্তব্য কৰিছে। দীৰ্ঘদিন ধৰি অভিযোগ উঠি আহিছে যে একাংশ বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে অসমত প্ৰৱেশ কৰি ভুৱা নথি-পত্ৰ প্ৰস্তুত কৰে। সেই ভুৱা আধাৰ কাৰ্ড, ভোটাৰ আইডি আদিৰে দেশৰ বিভিন্ন প্ৰান্তত শ্ৰমিক হিচাপে নিয়োজিত হয়। কেৱল নিৰ্বাচনৰ সময়তহে তেওঁলোক অসমলৈ আহি ভোট দি পুনৰ বহিঃৰাজ্যলৈ গুছি যায়। ৰাজ্যৰ একাংশ ৰাজনৈতিক দলে এই অনুপ্ৰৱেশকাৰীসকলক ভোটবেংক হিচাপে ব্যৱহাৰ কৰি অহাৰ অভিযোগ বহু পুৰণি। এই সুপৰিকল্পিত অনুপ্ৰৱেশৰ মূল মাষ্টাৰমাইণ্ড হিচাপে ৰাজ্যৰ বহু ভিতৰুৱা অঞ্চলৰ মছজিদত নিয়োজিত সন্দেহজনক ইমামসকলক উল্লেখ কৰা হৈছে। ধৰ্মীয় দোহাই দি তেওঁলোকে অসমীয়া পৰিয়ালৰ বংশবৃক্ষত অবৈধ বাংলাদেশী নাগৰিকৰ নাম সন্নিৱিষ্ট কৰায় আৰু তাৰ পিছত ভুৱা নথি-পত্ৰ যোগান ধৰে। এইদৰে প্ৰস্তুত কৰা ছদ্মবেশী ভোটাৰসকলে দেশৰ বিভিন্ন ৰাজ্যত থাকি নিৰ্বাচনৰ সময়ত অসমত ভিৰ কৰে। এনে পৰিস্থিতিত ৰাজ্যবাসীৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিৰপেক্ষভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসন আৰু নিৰ্বাচন আয়োগৰ পৰা কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উঠিছে। অসমৰ জনগণৰ মাজত প্ৰশ্ন উঠিছে — ভুৱা ভোটাৰৰ প্ৰভাৱত ৰাজ্যৰ ৰাজনৈতিক ভাৰসাম্য ক্ষুণ্ণ নহ'ব নেকি?

## ১০ এপ্ৰিলৰ পৰা টোলগেটত বন্ধ নগদ ধনৰ লেনদেন সেৱা

জাৰি কৰি এই নতুন নিয়ম কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰিছে। মন্ত্ৰালয়ৰ তথ্য অনুসৰি, এই পদক্ষেপ গ্ৰহণ কৰাৰ মূল উদ্দেশ্য হৈছে টোলগেটসমূহত যাত্ৰীসকলৰ দীঘলীয়া শাৰী হ্ৰাস কৰি যানজটমুক্ত চলাচল সুনিশ্চিত কৰা। যদি কোনো বাহনৰ চালকে বৈধ আৰু সক্ৰিয় FASTag অবিহনে টোলগেট অতিক্ৰম কৰিব বিচাৰে আৰু UPIৰ জৰিয়তে টোলকৰ পৰিশোধ কৰে, তেন্তে তেওঁলোকে সেই বাহনৰ শ্ৰেণী অনুসৰি নিৰ্ধাৰিত টোলকৰৰ ওপৰত ১.২৫ শতাংশ অতিৰিক্ত ধন দিব লাগিব। এই নিয়ম ১০ এপ্ৰিল, ২০২৬ৰ পৰা দেশৰ সকলো ৰাষ্ট্ৰীয় ঘাইপথত প্ৰযোজ্য হ'ব। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (NHAI)ৰ এগৰাকী শীৰ্ষ বিষয়াই কয় যে FASTag এতিয়াও টোলকৰ সংগ্ৰহৰ মূল মাধ্যম হৈয়ে থাকিব। কেৱল বৈধ FASTag নথকা বাহনৰ বাবেহে UPI বিকল্প হিচাপে ব্যৱহাৰ কৰিব পৰা যাব। তেওঁ লগতে জানিব দিয়ে যে এই নিয়মে টোলগেটত লেনদেনৰ গতি বৃদ্ধি কৰি যাত্ৰীসকলৰ সময় ৰাহি কৰাত সহায় কৰিব। যদি কোনো চালকে এই নিয়ম অনুসৰি নিৰ্ধাৰিত অতিৰিক্ত ধন দিবলৈ অস্বীকাৰ কৰে, তেন্তে তেওঁলোকৰ বিৰুদ্ধে টোলকৰ নিয়মৰ ১৪ নম্বৰ উপ-নিয়ম প্ৰযোজ্য হ'ব। উল্লেখযোগ্য যে, শেহতীয়াকৈ NHAI-এ FASTagৰ বাৰ্ষিক পাছৰ বাবে পাঁচ মিলিয়ন গ্ৰাহকৰ সীমা অতিক্ৰম কৰাৰ কথা জানিব দিছে। এই বাৰ্ষিক পাছ লৈ ব্যৱহাৰকাৰীয়ে বছৰি মাত্ৰ ৩, ০০০ টকাত ২০০ বাৰলৈকে টোলগেট অতিক্ৰম কৰিব পাৰে। ১৫ আগষ্টত এই পাছ মুকলি কৰাৰ পিছত ইয়াৰ জৰিয়তে মুঠ ২৬৫.৫ কোটি টকা টোলকৰ হিচাপে সংগ্ৰহ কৰা হৈছে। বৰ্তমান দেশত ১, ১৫০খনতকৈও অধিক টোলগেট আছে।

## অসমবাসীলৈ ৰাহুল গান্ধীৰ অনুৰোধ- 'হিংসা,

দলপতি তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে অসমৰ ৰাইজলৈ বিশেষ অনুৰোধ জনাইছে। ৮ এপ্ৰিল সন্ধিয়া প্ৰকাশিত এটা ভিডিঅ' বাৰ্তাত ৰাহুল গান্ধীয়ে অসমৰ যুৱক-যুৱতী আৰু সকলো ভোটাৰলৈ বিনম্ৰ আহ্বান জনাই কয়, "নমস্কাৰ! অসমৰ ভাই-ভনীসকল। এই অংগিকাৰ কেৱল চৰকাৰ সলনি কৰাৰ অংগিকাৰ নহয়। এই অংগিকাৰ হৈছে হিংসা, দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে থিয় দিয়া আৰু প্ৰকৃত পৰিৱৰ্তনৰ বাবে ভোট দিয়া।" তেওঁ লগতে কয় যে অসমৰ বৰ্তমান মুখ্যমন্ত্ৰীৰ দুৰ্নীতি আৰু লুণ্ঠনৰ কথা সকলোৰে জনা। তেওঁ দেশৰ ভিতৰতে এগৰাকী ভ্ৰষ্টাচাৰী মুখ্যমন্ত্ৰী হিচাপে পৰিচিত আৰু দুৰ্নীতিৰ সকলো সীমা ইতিমধ্যে অতিক্ৰম কৰিছে। ৰাহুল গান্ধীয়ে কংগ্ৰেছ আৰু বিৰোধী ঐক্য মঞ্চৰ তৰফৰ পৰা পাঁচটা মূল গেৰেণ্টি ঘোষণা কৰে।

## মধ্যপ্ৰাচ্যত শান্তিৰ নিশ্বাস! আমেৰিকা-ইৰাণৰ দুই

ৰখা হ'ব। এই যুদ্ধবিৰতি দুই দেশৰ মাজত ১০টা চুক্তিৰ ভিত্তিত সম্পন্ন হৈছে বুলি জানিব পৰা গৈছে। যুদ্ধবিৰতিৰ মূল চৰ্তসমূহৰ ভিতৰত হৰমুজ প্ৰণালীৰ জাহাজ চলাচল ইৰাণৰ সেনাবাহিনীৰ সমন্বয়ত কৰা হ'ব। প্ৰণালীটোত যিকোনো ধৰণৰ আক্ৰমণ সম্পূৰ্ণৰূপে বন্ধ কৰা হ'ব। আমেৰিকাই অঞ্চলটোৰ সকলো ঘাটিৰ পৰা নিজৰ সৈন্য প্ৰত্যাহাৰ কৰিব লাগিব। লগতে হৰমুজ প্ৰণালীত নিৰাপদ ট্ৰেনজিট ব্যৱস্থা স্থাপন কৰা হ'ব, য'ত ইৰাণে মূল ভূমিকা পালন কৰিব। ইয়াৰ উপৰিও ইৰাণে যুদ্ধত হোৱা লোকচানৰ সম্পূৰ্ণ ক্ষতিপূৰণ লাভ কৰিব। ইৰাণৰ ওপৰত আৰোপিত সকলো প্ৰাথমিক আৰু গৌণ নিষেধাজ্ঞা আঁতৰোৱা হ'ব। বহিঃৰাজ্যত জব্দ কৰা ইৰাণী সম্পত্তি ঘূৰাই দিয়া হ'ব। এই সকলো চৰ্ত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ (UNSC) বাধ্যতামূলক প্ৰস্তাৱৰ জৰিয়তে অনুমোদন কৰা হ'ব। আমেৰিকাই লিখিত আশ্বাস দিব যে, ভৱিষ্যতে ইৰাণক আক্ৰমণ নকৰে। যুদ্ধবিৰতি ঘোষণাৰ পাছতে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে উল্লেখ কৰে যে, তেওঁ ইৰাণৰ বিৰুদ্ধে আক্ৰমণ দুই সপ্তাহৰ বাবে পিছুৱাই দিবলৈ সন্মত হৈছে। এয়া দ্বিপাক্ষিক যুদ্ধবিৰতি হ'ব বুলি তেওঁ জানিব দিয়ে। এই চুক্তিয়ে মধ্যপ্ৰাচ্যৰ দীৰ্ঘদিনীয়া উত্তেজনা হ্ৰাস কৰিবলৈ সহায়ক হ'ব বুলি আশা কৰা হৈছে। হৰমুজ প্ৰণালী বিশ্বৰ তেল সৰবৰাহৰ এটা গুৰুত্বপূৰ্ণ পথ। ইয়াৰ নিৰাপদ চলাচল পুনৰ স্বাভাৱিক কৰাটো বিশ্ব অৰ্থনীতিৰ বাবে অতি জৰুৰী। ইৰাণে এই প্ৰণালীৰ নিয়ন্ত্ৰণত মূল ভূমিকা ৰাখিব বুলি চুক্তিত উল্লেখ আছে, যিটোৱে অঞ্চলটোত নতুন স্থিতিশীলতা আনিব পাৰে। আমেৰিকাৰ সৈন্য প্ৰত্যাহাৰ আৰু নিষেধাজ্ঞা আঁতৰোৱাৰ দৰে চৰ্তসমূহে ইৰাণৰ অৰ্থনীতি পুনৰুজ্জীৱিত কৰাত সহায় কৰিব। ক্ষতিপূৰণ আৰু জব্দ সম্পত্তি ঘূৰাই দিয়াৰ ব্যৱস্থাই যুদ্ধৰ পৰৱৰ্তী পুনৰ্নিৰ্মাণত ইৰাণক সহায় কৰিব। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অনুমোদনৰ জৰিয়তে এই চুক্তি আন্তৰ্জাতিকভাৱে বাধ্যতামূলক হ'ব। যদিও এই যুদ্ধবিৰতি কেৱল দুই সপ্তাহৰ বাবে, ইয়াক দীৰ্ঘম্যাদী শান্তি চুক্তিৰ দিশে এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি গণ্য কৰা হৈছে। দুই দেশৰ মাজত আলোচনা অব্যাহত থাকিব আৰু ভৱিষ্যতে স্থায়ী শান্তি স্থাপনৰ সম্ভাৱনা দেখা দিছে। অঞ্চলটোৰ বিভিন্ন দেশ আৰু আন্তৰ্জাতিক সম্প্ৰদায়ে এই যুদ্ধবিৰতিৰ স্বাগত জনাইছে। তেলৰ মূল্য হ্ৰাস পোৱাৰ লগতে বিশ্ব বজাৰত স্থিতিশীলতা আহিব বুলি আশা কৰা হৈছে। কিন্তু চুক্তিৰ সকলো চৰ্ত পালন কৰাটো নিশ্চিত কৰিবলৈ আন্তৰ্জাতিক নজৰদাৰীৰ প্ৰয়োজন হ'ব।

## ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিক বৃদ্ধি: নিমাতী

একেৰাহে হৈ থকা প্ৰবল বৰষুণৰ ফলত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰ নদীৰ জলস্তৰ। ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি অহাৰ ফলত নদীপথৰ যাতায়াতৰ ওপৰত পৰিছে পোনপটীয়া প্ৰভাৱ। ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি মাজুলীৰ অফলামুখ ঘাটত ফেৰীৰ অনলাইন টিকট সেৱা বন্ধ কৰি দিয়া হৈছে। লগতে সাম্প্ৰতিক পৰিস্থিতিৰ কথা বিবেচনা কৰি ফেৰী চলাচলৰ সময়সূচীতো কিছু পৰিৱৰ্তন অনা হৈছে। অভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ তথ্য অনুসৰি, ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে নদীৰ ঘাটৰ আন্তঃগাঁথনিত ব্যাপক পৰিৱৰ্তন আনিবলগীয়া হৈছে। পানী বাঢ়ি অহাৰ ফলত ৰ'পে' (Ro-Pax) ফেৰীৰ ৰেম্পটো সুৰক্ষিত স্থানলৈ, অৰ্থাৎ পুৰণি ঘাটলৈ স্থানান্তৰিত কৰা হৈছে। উল্লেখযোগ্য যে, পূৰ্বৰ তুলনাত বৰ্তমান ফেৰী যাতায়াতৰ সময় যথেষ্ট লেহেমীয়া হৈ পৰিছে। কাৰণ বৰ্তমানে মাত্ৰ এটা ৰেম্পৰ যোগেদিহে ফেৰীসমূহৰ উঠা-নমা কাম চলি আছে। অভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ এগৰাকী বিষয়াই জনাইছে যে, "মঙলবাৰে ৰাতি ব্ৰহ্মপুত্ৰৰ পানী বৃদ্ধি পাই ফেৰী চলাচল কৰা ৰেম্পসমূহ বুৰাই পেলাইছে। যাৰ ফলত অনলাইন টিকট ব্যৱস্থা বন্ধ কৰিবলগীয়া হৈছে।" বৰ্তমানে পৰিস্থিতিৰ ওপৰত নজৰ ৰাখি জলপৰিবহণ বিভাগে যাত্ৰীসকলৰ সুৰক্ষাৰ কথা প্ৰাথমিকতা দি ফেৰী চলাচলৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰি আছে। যাত্ৰীসকলক অনুৰোধ কৰা হৈছে যে, ফেৰী যাতায়াতৰ আগতে ঘাট কৰ্তৃপক্ষ বা অভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ সৈতে যোগাযোগ কৰি সঠিক তথ্য ল'ব। ধাৰাসাৰ বৰষুণ আৰু ধুমুহা অব্যাহত থকাৰ বাবে ব্ৰহ্মপুত্ৰৰ জলস্তৰ আৰু অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেয়েহে আগন্তুক দিনতো ফেৰী সেৱাত পৰিৱৰ্তন অব্যাহত থাকিব পাৰে বুলি আশংকা কৰা হৈছে।

## ভোটগ্ৰহণৰ মাত্ৰ কেইঘণ্টা-

এগৰাকী প্ৰাৰ্থীয়ে নিজৰ দল এৰি যোৱা ঘটনাই কংগ্ৰেছ দলৰ অভ্যন্তৰীণ অস্থিৰতা আৰু সাংগঠনিক দুৰ্বলতা স্পষ্টভাৱে প্ৰকাশ কৰিছে। এই সিদ্ধান্তই দলৰ বৰঘৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। সংবাদ মাধ্যমৰ আগত সুৰেণ দৈমাৰীয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয়, "কংগ্ৰেছ দল বিশ্বাসঘাতক। টিকট দি মোক বিশ্বাসঘাতকতা কৰিলে। মই ফোন কৰিলে নেতৃত্বই কোনো গুৰুত্ব নিদিয়ে। অকলশৰীয়াকৈ নিৰ্বাচনী প্ৰচাৰ চলাইছিলো। দলৰ পৰা কোনো ধৰণৰ সহায় বা সঁহাৰি নাপালো। গতিকে গুৱাহাটীত শীৰ্ষ নেতৃত্বৰ ওচৰত পদত্যাগপত্ৰ দাখিল কৰিছো।" তেওঁ আৰু কয়, "মোক দলে বিশ্বাসঘাতকতা কৰিলে, কিন্তু মই কাকো বিশ্বাসঘাতকতা কৰা নাই। কংগ্ৰেছত থাকি মোৰ একো লাভ নহ'ল। কংগ্ৰেছ প্ৰৱঞ্চক আৰু গাড্ডাৰ।" দৈমাৰীয়ে অভিযোগ কৰে যে, নিৰ্বাচনী প্ৰচাৰৰ সময়ত তেওঁ সম্পূৰ্ণ অকলশৰীয়াকৈ কাম কৰিব লগা হৈছিল। দলীয় নেতৃত্বই তেওঁৰ সৈতে যোগাযোগ কৰা নাছিল আৰু কোনো ধৰণৰ সহায় আগবঢ়োৱা নাছিল। যিখন সময়ত কংগ্ৰেছ দলে বিৰোধী ঐক্য গঢ়ি চৰকাৰ গঠন কৰিব বুলি দাবী কৰি আছিল, সেই একে সময়তে নিজৰ প্ৰাৰ্থীকেই দলীয় নেতৃত্বই গুৰুত্ব নিদিয়াৰ ঘটনাই দলৰ অভ্যন্তৰীণ বিশৃংখলাৰ চিত্ৰ স্পষ্ট কৰিছে। এই ঘটনা অসমৰ ৰাজনৈতিক ইতিহাসত বিৰল বুলি বিবেচিত হৈছে। ভোটগ্ৰহণৰ মাত্ৰ কেইঘণ্টামান আগতে এগৰাকী প্ৰাৰ্থীয়ে দল ত্যাগ কৰাৰ ঘটনাই ৰাজ্যৰ ৰাজনীতিত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। যোৱা কেইঘণ্টাৰ ভিতৰতো প্ৰদেশ কংগ্ৰেছৰ ফালৰ পৰা এই গুৰুতৰ ঘটনাৰ বিষয়ে কোনো ধৰণৰ আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হোৱা নাই। দলীয় শীৰ্ষ নেতৃত্বৰ মৌনতাই পৰিস্থিতি আৰু অধিক জটিল কৰি তুলিছে।

## বিপিএফৰ আইটি চেলৰ বিৰুদ্ধে গোচৰ ৰুজু দ্বীপেন

এই গোচৰ দাখিল কৰা হৈছে। দ্বীপেন বড়োৱে অভিযোগ কৰিছে যে, বিপিএফে নিৰ্বাচনত পৰাজয় স্বীকাৰ কৰি এতিয়া অপপ্ৰচাৰত লিপ্ত হৈছে। তেওঁৰ ব্যক্তিগত সম্পত্তিৰ তালিকা বিকৃত কৰি সামাজিক মাধ্যমত ভাইৰেল কৰি তেওঁক মানহানি কৰাৰ চেষ্টা চলোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰাৰ্থী দ্বীপেন বড়োৱে সংবাদ মাধ্যমৰ আগত কয় যে, "বিপিএফে পৰাজয়ৰ আশংকাত ভয় খাই অপপ্ৰচাৰৰ আশ্ৰয় লৈছে। মোৰ সম্পত্তিৰ ভুৱা তালিকা প্ৰচাৰ কৰি মোক আৰু মোৰ পৰিয়ালক মানহানি কৰাৰ চেষ্টা কৰা হৈছে।" তেওঁ লগতে জানিবলৈ দিয়ে যে, এই অপপ্ৰচাৰৰ বিৰুদ্ধে কেৱল আৰক্ষীত গোচৰ ৰুজু কৰাই নহয়, আদালতত মানহানিৰ গোচৰো তৰিব। দ্বীপেন বড়োৱে কয়, "যিসকলে মোৰ বিৰুদ্ধে ভুৱা তথ্য প্ৰচাৰ কৰি ৰাজনৈতিক লাভৰ বাবে চেষ্টা চলাইছে, তেওঁলোকক আইনৰ আওতালৈ অনা হ'ব।" উল্লেখ্য যে, ওদালগুৰি সমষ্টিত উপপিএল প্ৰাৰ্থী হিচাপে দ্বীপেন বড়োৱে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছে। বিপিএফৰ তৰফৰ পৰা তেওঁৰ বিৰুদ্ধে অপপ্ৰচাৰ বৃদ্ধি পোৱাৰ লগে লগে ৰাজনৈতিক উত্তেজনা তীব্ৰ হৈছে। দ্বীপেন বড়োৱে এই ঘটনাক বিপিএফৰ হতাশাৰ প্ৰকাশ বুলি অভিহিত কৰিছে। বৰ্তমান অসম বিধানসভা নিৰ্বাচনৰ মাজতে বিভিন্ন দলৰ মাজত অপপ্ৰচাৰ আৰু পাৰস্পৰিক অভিযোগৰ পৰিৱেশ সৃষ্টি হৈছে। দ্বীপেন বড়োৰ এই পদক্ষেপে নিৰ্বাচনী প্ৰচাৰত সীমা অতিক্ৰম নকৰাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। প্ৰাৰ্থীয়ে আৰু কৈছে যে, তেওঁ নিৰ্বাচনী আচৰণ বিধি মানি চলি সুশৃংখলিতভাৱে প্ৰচাৰ চলাই আছে আৰু বিপিএফৰ এনে কাৰ্যকলাপে দলটোৰ পতনৰ ইংগিত দিছে। আৰক্ষীয়ে এই গোচৰৰ তদন্ত আৰম্ভ কৰিছে বুলিও জানিবলৈ দিয়া হৈছে।

## যোৰহাটৰ ককিলামুখত

তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। পুলিচ আৰু স্থানীয় লোকৰ মতে, মৃতদেহটোত ভিন্ন স্থানত আঘাতৰ স্পষ্ট চিন দেখা গৈছে। আমিৰ আলি ঢেঁকৰগড়া ব্লকৰ সংখ্যালঘু বিভাগৰ দায়িত্বত আছিল আৰু স্থানীয় কংগ্ৰেছ দলৰ সক্ৰিয় নেতা হিচাপে পৰিচিত আছিল। তেওঁৰ হত্যাকাণ্ডই সমগ্ৰ অঞ্চলত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। পুলিচে ঘটনাস্থলত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। মৃতদেহ পৰীক্ষাৰ বাবে পঠিওৱা হৈছে। এই হত্যাৰ পিছত কি কাৰণ আছিল বা কোন বা কোনসকলে জড়িত আছিল সেই বিষয়ে এতিয়ালৈকে কোনো স্পষ্ট তথ্য উদ্ধাৰ হোৱা নাই। পুলিচে তদন্ত অব্যাহত ৰাখিছে আৰু শীঘ্ৰে অপৰাধীসকলক গ্ৰেপ্তাৰ কৰাৰ আশ্বাস দিছে।

## আমেৰিকা-ইৰান যুদ্ধৰ প্ৰভাৱ সত্ত্বেও ভাৰতীয় অৰ্থনীতি স্থিতিস্থাপক; ৰেপ' ৰেট ৫.২৫ শতাংশতে অপৰিৱৰ্তিত ৰাখিলে ৰিজাৰ্ভ বেংকে

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** আমেৰিকা আৰু ইৰানৰ মাজত চলি থকা যুদ্ধৰ ফলত বিশ্ব অৰ্থনীতিত ব্যাপক প্ৰভাৱ পৰিছে। বিভিন্ন দেশে এই যুদ্ধৰ অৰ্থনৈতিক পৰিণামৰ সৈতে যুঁজি আছে আৰু কিছুমান দেশৰ অৰ্থনীতি যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। কিন্তু তাৰ মাজতো ভাৰতীয় অৰ্থনীতিয়ে নিজৰ স্থিতিস্থাপকতা প্ৰমাণ কৰিছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰবিআই)-ৰ মুদ্ৰানীতি সমিতিয়ে পলিচি ৰেপ' ৰেটত কোনো পৰিৱৰ্তন অনা নাই। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতি সমিতিয়ে সৰ্বসন্মতিক্ৰমে পলিচি ৰেপ' ৰেট পূৰ্বৰ ৫.২৫ শতাংশতে অপৰিৱৰ্তিত ৰাখিছে। বুধবাৰে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই এই ঘোষণা কৰি কয় যে ভূ-ৰাজনৈতিক অনিশ্চয়তাৰ মাজতো ভাৰতীয় অৰ্থনীতিৰ মজবুত ভিত্তিৰ কথা বিবেচনা কৰি নিৰপেক্ষ স্থিতি বজাই ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই জনাইছে যে বিশ্ব অৰ্থনীতিয়ে অভূতপূৰ্ব প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ৬ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা তিনিদিনীয়া বৈঠকত মুদ্ৰানীতি সমিতিয়ে বিৱৰ্তনশীল অৰ্থনৈতিক পৰিস্থিতি, বিত্তীয় উন্নয়ন আৰু ভৱিষ্যত দৃষ্টিভংগীৰ বিশদ মূল্যায়ন কৰি এই সিদ্ধান্ত লৈছে। তেওঁ লগতে কয়, "লিকুইডিটি এডজাষ্টমেণ্ট ফেচিলিটিৰ (এলএএফ) অধীনত পলিচি ৰেপ' ৰেট ৫.২৫ শতাংশতে অপৰিৱৰ্তিত ৰাখিবলৈ মুদ্ৰানীতি সমিতিয়ে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰিছে। ফলস্বৰূপে ষ্টেণ্ডিং ডিপ'জিট ফেচিলিটি (এছডিএফ)-ৰ হাৰ ৫ শতাংশ আৰু মাৰ্জিনেল ষ্টেণ্ডিং ফেচিলিটি (এমএছএফ) আৰু বেংক ৰেট ৫.৫০ শতাংশতে অব্যাহত আছে। সমিতিয়ে নিৰপেক্ষ ষ্টেণ্ড অব্যাহত ৰখাৰ সিদ্ধান্তও লৈছে।" উল্লেখ্য যে, যোৱা বছৰ ৫ ডিচেম্বৰত মুদ্ৰানীতি সমিতিয়ে অন্তিমবাৰৰ বাবে ৰেপ' ৰেট ২৫ বেছিছ পইণ্ট হ্ৰাস কৰি ৫.২৫ শতাংশলৈ অনা হৈছিল আৰু তেতিয়াৰ পৰা নিৰপেক্ষ মুদ্ৰানীতিৰ স্থিতি বজাই ৰখা হৈছে। বৰ্তমানৰ ভূ-ৰাজনৈতিক উত্তেজনাৰ মাজতো ভাৰতীয় অৰ্থনীতিৰ মৌলিক দিশসমূহ শক্তিশালী বুলি গৱৰ্ণৰে উল্লেখ কৰে। ৰিজাৰ্ভ বেংকে পৰিস্থিতিৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখি প্ৰয়োজন অনুসৰি যথাযথ পদক্ষেপ গ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়া হয়। এই সিদ্ধান্তই যুদ্ধজনিত অনিশ্চয়তাৰ মাজত ভাৰতীয় অৰ্থনীতিৰ স্থিৰতা আৰু সতৰ্কতাৰ সংকেত দিছে। যাত্ৰী আৰু বিনিয়োগকাৰীসকলে এই স্থিতিস্থাপকতাৰ পৰা উপকৃত হ'ব বুলি আশা কৰা হৈছে।

■ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ ■

## এইবাৰ মুখ্যমন্ত্ৰীক কঠোৰ সমালোচনা প্ৰিয়ংকা গান্ধীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ এপ্ৰিল ঃ** ৰাজ্যসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে অশ্লীল আৰু অপমানজনক মন্তব্য কৰাৰ অভিযোগত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰিছে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী ভদ্ৰাই। বুধবাৰে এক্সত (পূৰ্বতে টুইটাৰ) এটা পোষ্ট প্ৰকাশ কৰি প্ৰিয়ংকাই মুখ্যমন্ত্ৰী শৰ্মাৰ আচৰণক "অত্যন্ত লজ্জাজনক আৰু সম্পূৰ্ণ নিন্দনীয়" বুলি অভিহিত কৰে। তেওঁ লিখে, "অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যসভাত কংগ্ৰেছৰ সভাপতি তথা বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে অত্যন্ত অশ্লীল আৰু অপমানজনক শব্দ ব্যৱহাৰ কৰিছে। যিটো একেবাৰে গ্ৰহণযোগ্য নহয় আৰু অত্যন্ত লজ্জাজনক।" প্ৰিয়ংকা গান্ধীয়ে আৰু কয় যে মল্লিকাৰ্জুন খাৰ্গে কেৱল কংগ্ৰেছ দলৰ প্ৰতিনিধি নহয়, বৰং সমগ্ৰ দলিত সম্প্ৰদায় আৰু দেশৰ পিছপৰা শ্ৰেণীৰ এক শক্তিশালী কণ্ঠস্বৰ। তেওঁ লগতে উল্লেখ কৰে যে খাৰ্গে দেশৰ অন্যতম জ্যেষ্ঠ আৰু অভিজ্ঞ নেতা। "খাৰ্গেক অপমান কৰি বিজেপিৰ মুখ্যমন্ত্ৰীয়ে সমগ্ৰ দেশৰ লাখ লাখ দলিত আৰু পিছপৰা লোকক অপমান কৰিছে, "বুলি মন্তব্য কৰি প্ৰিয়ংকাই প্ৰশ্ন কৰে, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক স্পষ্টকৈ ক'ব লাগিব যে কোটি কোটি ভাৰতীয়ক কৰা এই অপমানত তেওঁ একমত নেকি?" এই তীব্ৰ সমালোচনাৰ পটভূমিত আছে কংগ্ৰেছ নেতা পৱন খেড়াৰ অভিযোগ। পৱন খেড়াই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূএগ শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। তেওঁ অভিযোগ কৰিছিল যে ৰিণিকি ভূএগ শৰ্মাৰ হাতত ভাৰত, সংযুক্ত আৰব আমিৰশ্বাহী আৰু ইজিপ্তৰ পাছপ'ৰ্ট আছে, লগতে আমেৰিকাৰ ৱাইমিঙত এটা কোম্পানী আৰু ডুবাইত এটা বিলাসী এপাৰ্টমেণ্ট আছে। এই অভিযোগৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পত্নীৰ সৈতে আৰক্ষীত এজাহাৰ দাখিল কৰে। তেওঁ পৱন খেড়াক তীব্ৰ ভাষাত আক্ৰমণ কৰি কৈছিল, "আপুনি পাগল নেকি? যদি সঁচা কথা নাজানে, তেন্তে এইবোৰ কিয় লিখিলে? আগতে সুধিব লাগিছিল..." মুখ্যমন্ত্ৰীয়ে খাৰ্গেৰ মন্তব্যক সমালোচনা কৰি কৈছিল যে খাৰ্গে বুঢ়া হৈছে আৰু এতিয়াও "পাগলৰ দৰে" কথা কৈ আছে। তেওঁ এই পৰিস্থিতিক "কাৰোবাক হত্যা কৰি পিছত ঔষধ দিয়া"ৰ সৈতে তুলনা কৰিছিল।

**প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত থাকিব ৱেব কাষ্টিঙৰ ব্যৱস্থা**

# মৰিগাঁৱত জিলা আয়ুক্তৰ সংবাদমেল

## মুঠ ভোটদাতাৰ সংখ্যা ৭, ৬৬, ৫৮৮ জন; ভোটকেন্দ্ৰলৈ ৰাওনা ৪৭২৪ গৰাকী ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰী



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ এপ্ৰিল ঃ** অহা ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সন্দৰ্ভত আজি জিলা নিৰ্বাচন বিষয়া তথা জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে এখন সংবাদমেল সম্বোধন কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সংবাদমেলত জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বিতং বৰ্ণনা আগবঢ়ায়। তেওঁ কয় যে নিৰ্বাচনৰ বাবে ইতিমধ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। তেওঁ কয় যে অহা ৯ এপ্ৰিল পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ ভোটগ্ৰহণ কৰা হ'ব। তেওঁ সকলোকে সময়মতে ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈ নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। মৰিগাঁও নিৰ্বাচন জিলাত মুঠ পঞ্জীয়নভুক্ত ভোটাৰৰ সংখ্যা ৭, ৬৬, ৫৮৮ জন। ইয়াৰে পুৰুষ ভোটাৰ ৩, ৮৬, ৯৯২ জন। মহিলা ভোটাৰ ৩, ৭৯, ৫৮২জন আৰু তৃতীয় লিংগৰ ভোটাৰ ১৪ জন। ৫২-জাগীৰোড (অনুসূচিত জাতি)সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ২, ৫০, ৪২৭ জন। ইয়াৰে ১, ২৪, ৮০৫জন পুৰুষ আৰু মহিলা ভোটাৰৰ সংখ্যা ১, ২৫, ৬২০জন আৰু তৃতীয় লিংগৰ ভোটাৰ দুজন। আনহাতে ৫৩-লাহৰীঘাট সমষ্টিত মুঠ ভোটাৰ ৩, ০৮, ২৭২ জন। ইয়াৰে পুৰুষ ভোটাৰ ১, ৫৮, ৯৯৩ জন, মহিলা ভোটাৰ ১, ৪৯, ২৭০ আৰু তৃতীয় লিংগৰ ভোটাৰ ৯জন। ৫৪-মৰিগাঁও সমষ্টিত মুঠ ভোটাৰ ২, ০৭, ৮৮৯ জন। ইয়াৰে ১, ০৩, ১৯৪জন পুৰুষ, ১০৪৬৯২ গৰাকী মহিলা আৰু ৩জন তৃতীয় লিংগৰ ভোটাৰ। মৰিগাঁও নিৰ্বাচন জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৯৬৮ টা। (জাগীৰোডঃ ৩৩৫, লাহৰীঘাটঃ ৩৫৫, মৰিগাঁওঃ ২৭৮)। মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৫০টা (জাগীৰোডঃ ২১, লাহৰীঘাটঃ ২, মৰিগাঁওঃ ২৭) আৰু এটা কেন্দ্ৰ বিশেষভাৱে সক্ষম ভোটগ্ৰহণকাৰী বিষয়াৰ দ্বাৰা পৰিচালিত। যুৱ ভোটগ্ৰহণকাৰী বিষয়াৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা এটা আৰু আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা প্ৰতিটো সমষ্টিত এটাকৈ। মৰিগাঁও জিলাত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে ১০৩টা ভোটগ্ৰহণ কেন্দ্ৰত ২৮ গৰাকী মাইক্ৰ' অৱজাৰ্ভাৰ নিয়োগ কৰা হৈছে। তেওঁ কয় যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটাৰৰ বাবে ন্যূনতম সা-সুবিধাসমূহ নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি, ৮৫ বছৰৰ ঊৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে "গৃহ ভোটদান"ৰ সুবিধা প্ৰদান কৰা হৈছে। মুঠ ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীৰ সংখ্যা ৪৭২৪ জন। অৰ্থাৎ ১১৮১ জনকৈ প্ৰিজাইডিং, প্ৰথম পলিং, দ্বিতীয় পলিং আৰু তৃতীয় পলিং বিষয়া নিয়োগ কৰা হৈছে। মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণকাৰী দলৰ বাবে সুকীয়া জিৰণি কোঠা, চেনিটেৰী নেপকিন আৰু প্ৰাথমিক চিকিৎসা কিটকে ধৰি আন কেতবোৰ বিশেষ ব্যৱস্থা কৰা হৈছে। কাইলৈ মৰিগাঁও মহাবিদ্যালয়ত স্থাপন কৰা কেন্দ্ৰৰ পৰা নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হ'ব ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকল। ভোটগ্ৰহণৰ দিনা জৰুৰীকালীন পৰিস্থিতিৰ মুখামুখি হ'বলৈ প্ৰতিটো বিধানসভা সমষ্টিত ৫ টাকৈ (মুঠ ১৫ টা) দ্ৰুত সঁহাৰি দল সাজু কৰি ৰখা হৈছে। মৰিগাঁৱৰ মহিলা ভোটগ্ৰহণকাৰী বিষয়াৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ভোটগ্ৰহণকাৰী বিষয়াসকল যাবৰ বাবে ই-অ'টোৰ ব্যৱস্থা কৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগিতা কামনা কৰে। আজিৰ সংবাদমেলত অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা আৰু নিৰ্বাচন বিষয়া ইন্দ্ৰজিৎ দাস উপস্থিত আছিল।

# ডিব্ৰুগড়ৰ সমাজসেৱী জ্যোতিপ্ৰসাদ কানৈক 'ৰাজস্থান প্ৰতিষ্ঠা দিৱস' উপলক্ষে সন্মানিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ এপ্ৰিল ঃ** গুৱাহাটী মহানগৰৰ মাছখোৱা অঞ্চলস্থিত প্ৰাগজ্যোতিষ আইটিএ চেণ্টাৰত লোক ভৱন অসমৰ উদ্যোগত উলহমালহেৰে ৰাজস্থান প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত অসমীয়া আৰু ৰাজস্থানী সংস্কৃতিৰ অনন্য প্ৰস্তুতি দেখা যায়, যিয়ে ইয়াত বসবাস কৰা ৰাজস্থানী সমাজৰ আন্তৰিকতা আৰু সাংস্কৃতিক সমন্বয়ক প্ৰতিফলিত কৰে। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নিজৰ ভাষণত কয় যে যেনেদৰে গাখীৰত চেনি গলি মিহলি হৈ যায়, সেইদৰে অসমীয়া সমাজত ৰাজস্থানী লোকসকলো সম্পূৰ্ণভাৱে মিলি গৈছে। তেওঁ কয় যে প্ৰৱাসী ৰাজস্থানী সমাজে যি ধৰণে অসমৰ কলা আৰু সংস্কৃতিক গ্ৰহণ কৰিছে, সেয়া কেন্দ্ৰীয় চৰকাৰৰ 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' উদ্যোগক বাস্তবায়িত কৰিছে। ৰাজ্যপালে কয় যে এই উদ্যোগৰ লক্ষ্য হৈছে দেশৰ বৈচিত্ৰ্যৰ মাজত ঐক্য শক্তিশালী কৰা আৰু বিভিন্ন ৰাজ্য তথা কেন্দ্ৰশাসিত অঞ্চলসমূহৰ মাজত সাংস্কৃতিক সংহতি বৃদ্ধি কৰা। ৰাজস্থানৰ গৌৰৱময় ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই ৰাজ্যখন চৰ্দাৰ বল্লভভাই পেটেলৰ নেতৃত্বত বিভিন্ন ৰাজ্যৰ একত্ৰীকৰণৰ জৰিয়তে গঠিত হৈছিল। তেওঁ মহাৰাণা প্ৰতাপ, মহাৰাণা সাংগা, মহাৰাজ সূৰজমল, মীৰাবাই আৰু পান্না ধায়ৰ দৰে মহান ব্যক্তিত্বসকলৰ সাহস, ত্যাগ আৰু নিষ্ঠাক স্মৰণ কৰি কয় যে তেওঁলোকৰ আদৰ্শ আজিও নতুন প্ৰজন্মক প্ৰেৰণা দিয়ে। ৰাজস্থানৰ সমৃদ্ধ সাংস্কৃতিক আৰু স্থাপত্য ঐতিহ্যৰ উল্লেখ কৰি তেওঁ হাৱামহল আৰু যোধপুৰ, বিকানেৰ আৰু জয়শেলমেৰ নগৰৰ বিশাল কিল্লাসমূহক ভাৰতৰ গৌৰৱময় সভ্যতাৰ ঐতিহ্য আৰু বিশ্বব্যাপী পৰ্যটনৰ আকৰ্ষণৰ প্ৰতীক বুলি উল্লেখ কৰে। অসম আৰু ৰাজস্থানৰ মাজত গভীৰ সাংস্কৃতিক সম্পৰ্কৰ বিষয়ে আলোকপাত কৰি তেওঁ কয় যে ভৌগোলিক দূৰত্বৰ পিছতো দুয়োখন ৰাজ্য সাংস্কৃতিক পৰম্পৰাৰ এক সূত্ৰত আবদ্ধ হৈ আছে। এই সময়ত তেওঁ অসমৰ মহান সাহিত্যিক আৰু সংগীতজ্ঞ জ্যোতি প্ৰসাদ আগৰৱালাৰ কথাও উল্লেখ কৰে, যাৰ পৈতৃক মূল ৰাজস্থানৰ সৈতে জড়িত আছিল। ৰাজ্যপালে অসমত বসবাস কৰা ৰাজস্থানী সমাজে ৰাজ্যখনৰ সামাজিক- অৰ্থনৈতিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশত আগবঢ়োৱা অৱদানৰ প্ৰশংসা কৰি সকলোকে শক্তিশালী, সমৃদ্ধ আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে ৰাজ্যপালৰ আয়ুক্ত আৰু সচিব এছ.এছ. মীনাক্ষী সুন্দৰমে আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সমাজত উল্লেখযোগ্য অৱদানৰ বাবে ডিব্ৰুগড়ৰ সমাজসেৱী জ্যোতি প্ৰসাদ কানৈ, প্ৰখ্যাত অসমীয়া চলচ্চিত্ৰ নিৰ্মাতা আৰু সমাজসেৱী শংকৰলাল গোৱেঙ্কা, ৰাজস্থান ফাউণ্ডেচন নৰ্থ-ইষ্টৰ সভাপতি ৰতন শৰ্মা আৰু ভঁৱৰলাল সিংঘীক বিকানেৰী পাগুৰী আৰু ফুলাম গামোচাৰে সন্মানিত কৰা হয়। এই উপলক্ষে পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাৰী সন্মিলনৰ প্ৰাদেশিক সভাপতি কৈলাস কাব্ৰাই নিজৰ ভাষণত অসমত বসবাস কৰা মাৰৱাৰী সমাজে ৰাজ্যখনৰ উন্নয়নত আগবঢ়োৱা অৱদানৰ বিষয়ে আলোকপাত কৰে। আনহাতে, জ্যোতি প্ৰসাদ কানৈয়ে সমাজৰ ঐক্য অটুট ৰখা আৰু যুৱপ্ৰজন্মক উচ্চ শিক্ষা, বিশেষকৈ ইউপিএছচি ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অংশগ্ৰহণ কৰিবলৈ প্ৰেৰণা দিয়ে। অনুষ্ঠানত সন্তোষ শৰ্মাৰ পৰিচালনাত সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হয়। এই অনুষ্ঠানত অসমৰ প্ৰথম মহিলা কুমুদ দেৱী, অসম চৰকাৰৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ চাহু, দুৰ্নীতি নিৰোধক আৰু নিৰীক্ষণ শাখাৰ অতিৰিক্ত আৰক্ষী মহানিৰ্দেশক সুৰেন্দ্ৰ কুমাৰ আৰু ৰমেশ আগৰৱালসহ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# ভূবন গগৈক শিল্পী ৰত্ন বঁটা, ড° নিৰু দাস, বীৰুপ্ৰভা বৰালৈ শিক্ষাজ্যোতি বঁটা

**কমাৰগাঁৱত পদূলিৰ উদ্যোগত সাতদিনীয়া বিহু কৰ্মশালা**

**অসম বাৰ্তা, নুমলীগড়, ৮ এপ্ৰিল ঃ** বোকাখাত সমজিলাৰ অন্তৰ্গত মহুৰা মৌজাৰ অধীনৰ বৃহত্তৰ কমাগাঁও অঞ্চলৰ বৰদিহিঙীয়াস্থিত সামাজিক, সাংস্কৃতিক অনুষ্ঠান পদূলিৰ উদ্যোগত ৩০ মাৰ্চৰ পৰা ৫ এপ্ৰিললৈকে সাতদিনীয়া বিহু কৰ্মশালা অনুষ্ঠিত হয়। ৩০ মাৰ্চ প্ৰথম দিনা পুৱাৰ প্ৰথম কাৰ্যসূচী মূল তোৰণ উন্মোচন কৰে মধ্য মহুৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী কৰবী শইকীয়া গগৈয়ে। ইয়াৰ পিছতে পতাকা উত্তোলন কৰে পদূলিৰ সভাপতি বসন্ত ঢেকিয়াল ফুকন আৰু উদ্‌যাপন সমিতিৰ সভানেত্ৰী মালবিকা গগৈয়ে। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে পদূলিৰ সম্পাদক মৃণালদ্বীপ হাজৰিকা আৰু উদ্যাপন সমিতিৰ সম্পাদিকা মল্লিকা বৰাই। কৰ্মশালাখনি শুভউদ্বোধন কৰে জনপ্ৰিয় অভিনেত্ৰী স্নিগ্ধা গগৈয়ে। শুভ উদ্বোধনী সভাতেই কৰ্মশালাখনিৰ বিহু নাচৰ মুখ্য প্ৰশিক্ষক নৃত্য শিল্পী তবি খঙীয়া বৰা, সহযোগী কুঞ্জ হাজৰিকা, পল্লবী ঢেকিয়াল ফুকন, ঢুলীয়া দিব্যজ্যোতি শইকীয়া, দিপাংকৰ গগৈক উদযাপন সমিতিয়ে আদৰণি জনায়। দ্বিতীয় দিনৰ কৰ্মশালাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে জনপ্ৰিয় অভিনেতা প্ৰসেনজিৎ বৰা, অৰুণ বৰা, ধ্ৰুৱজ্যোতি ঢেকিয়াল ফুকন, জয়ন্ত বৰ্মন, গোপাল ৰাভাই উপস্থিত থাকি শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি বিহু সম্পৰ্কত বক্তব্য প্ৰদান কৰে। ৫ এপ্ৰিলৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকে জনপ্ৰিয় অভিনেতা মৃদুল ভূঞা আৰু অভিনেত্ৰী সুকন্যা ৰাজগুৰু। বিশিষ্ট অতিথি ৰূপে অংশ লয় নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ উপ-সভাপতি অজিত কুমাৰ দাস, সংগম পঞ্চানন, সম্পাদক প্ৰণবজ্যোতি শইকীয়া, প্ৰাক্তন সম্পাদক দিলীপ শইকীয়া আদি কৰি বহুকেইজন গণ্যমান্য ব্যক্তিয়ে। সোণোৱাল কছাৰী লেছেৰী নাচৰ দলে শুভৰাম্ভ কৰা সামৰণী অনুষ্ঠানত দুই শতাধিক প্ৰশিক্ষাৰ্থীয়ে বিহু নাচ আৰু ঢোল বাদন পৰিৱেশন কৰে। বিহুনাচৰ মুখ্য প্ৰশিক্ষক তবি খঙীয়া বৰা, সহযোগী কুঞ্জ হাজৰিকা, পল্লবী ঢেকিয়াল ফুকন, ঢুলীয়া দিব্যজ্যোতি শইকীয়া, দিপাংকৰ গগৈ আৰু পেঁপা-বাঁহীবাদক হিচাপে সহযোগ ৰাজ্যবৰ্দ্ধন বৰুৱা আদিক উদ্যোক্তা সমিতিয়ে জাপি, বিহুৰ বাদ্য, গামোচা, সম্বৰ্ধনা পত্ৰ প্ৰদান কৰি বিপুল সম্বৰ্ধনা জনায়। বিহু নাচৰ মুখ্য প্ৰশিক্ষক তবি খঙীয়া বৰাই সম্বৰ্ধনা গ্ৰহণ কৰি মনৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলক আয়োজক সমিতিয়ে মানপত্ৰ প্ৰদান কৰে। আনহাতে এই অনুষ্ঠানতে পদূলিয়ে বিগত বৰ্ষসমূহত প্ৰদান কৰি অহাৰ দৰেই এই বৰ্ষৰ শিল্পী বন্ধু-২০২৬বঁটা বৰদিহিঙীয়া গাঁৱৰ জ্যেষ্ঠ শিল্পী ভূবন গগৈক, শিক্ষাজ্যোতি বঁটা- ২০২৬ বঁটা কমাৰগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° নিৰু দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বীৰুপ্ৰভা বড়া গগৈক, পদূলি প্ৰেৰণা সন্ধান কমাৰগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড°অমৰজ্যোতি বৰদলৈ, সঞ্জয় আচাৰ্য, স্বামিমা খানম জোনা, দৰ্শনা মেধী, কমাৰগাঁও ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ৰ সু-চিকিৎসক ডাঃ দৰ্শনা ডেকা, গোলাঘাট কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰগ্ৰেম সহায়ক ডাঃ বেদান্ত পাঠক, নুমলীগড় শোধনাগাৰ ন্যাবাঞ্চলৰ বিশিষ্ট মহিলা বাখী আচাৰ্য, কমাৰগাঁও বিদ্যুৎ বিভাগৰ কৰ্মচাৰী মনোজ বৰাক প্ৰদান কৰে। আনহাতে কৰ্মশালাখনিৰ সংগতি ৰাখি আয়োজন কৰা প্ৰশিক্ষাৰ্থীৰ অভিভাৱকসকলৰ মাজত অনুষ্ঠিত কৰা নিজে তোলা ফটো প্ৰতিযোগিতাৰ বিজয়ী লাৱণ্য বৰুৱা, চনিয়া গোৱালা, পূৰ্ণিমা ফুকন, প্ৰিয়াক্ষী শইকীয়াক পুৰস্কাৰ প্ৰদান কৰে। প্ৰশিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত কৰা চিত্ৰাংকণ প্ৰতিযোগিতাৰ নিম্ন শাখাৰ বিজয়ী ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু উদগণিমূলক স্থান লাভ কৰা ক্ৰমে বিজয় শংকৰ তামোলী, জ্ঞানাকাশ গগৈ, বিপিশা ভৰদ্বাজ, জিজ্ঞাসা ঢেকিয়াল ফুকন, প্ৰদৰ্শিনা চাংমাই বৰুৱা, ময়ূৰাক্ষী শইকীয়াক আৰু উচ্চ শাখাৰ বিজয়ী ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু উদগণিমূলক স্থান লাভ কৰা ক্ৰমে সুৰঞ্জনা সোণোৱাল, কল্যাণ গগৈ, অনুশা বৰা, গাৰ্গী প্ৰিয়া শইকীয়াক পুৰস্কাৰ প্ৰদান কৰে।

# পেঙেৰীত ৰেডক্ৰছ ছ'চাইটিৰ উদ্যোগত বিশ্ব স্বাস্থ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বৰডুমচা, ৮ এপ্ৰিল ঃ** মাৰ্ঘেৰিটা সমজিলাবাসীক স্বাস্থ্য সম্পৰ্কত বিনামূলীয়াকৈ বিভিন্ন চিকিৎসা সেৱা আগবঢ়াই অহা মাৰ্ঘেৰিটাৰ একমাত্ৰ অগ্ৰণী মানৱদৰদী স্বেচ্ছাসেৱী সংগঠন ৰেডক্ৰছ ছ'চাইটিৰ মাৰ্ঘেৰিটা শাখাই বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থান পেঙেৰীস্থিত পেঙেৰী চাহ বাগিচাত বিশ্ব স্বাস্থ্য দিৱস উদযাপন কৰে। বিশ্ব স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বিনামূলীয়া চিকিৎসা শিবিৰত বিভিন্ন ৰোগৰ ১৮বিধ তেজৰ পৰীক্ষা, ৰেহাই মূল্যত চশমা প্ৰদান, মহিলাসকলৰ মাজত ছেনীটেৰী পেড প্ৰদানৰ উপৰিও মুখগহ্বৰ, মহিলাসকলৰ স্তন আৰু জৰায়ু মুখৰ মাৰাত্মক কৰ্কট ৰোগৰ পৰীক্ষণ কৰা হয়। ছ'চাইটিৰ সম্পাদক পবিত্ৰ বৰগোহাঞিয়ে উদেশ্যে ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰি বিশ্ব স্বাস্থ্য দিৱসৰ তাৎপৰ্য বিষয়ে অৱগত কৰি নিম্নতম স্বাস্থ্য বিধি পালনৰ জৰিয়তে নিৰোগী আৰু সুস্বাস্থ্যৰ গৰাকী হোৱাৰ মতপোষণ কৰাৰ লগতে দিনক দিনে বৃদ্ধি পোৱা কৰ্কট ৰোগৰ কাৰণ, লক্ষণ আৰু চিকিৎসা বিধি জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবেই বিশ্ব স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি বিনামূলীয়া চিকিৎসা, পৰীক্ষণ শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত কৰাৰ কথা উল্লেখ কৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনে পৰীক্ষণ শিবিৰত সক্ৰিয় সহযোগ আগবঢ়োৱাৰ লগতে ফাউণ্ডেশ্যনৰ বিশেষজ্ঞ চিকিৎসক ডাঃ মমতা উপাধ্যয়ে শিবিৰত কৰ্কট ৰোগৰ কাৰণ, লক্ষণ আৰু চিকিৎসা বিধিৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়াই ৰোগীৰ পৰীক্ষণ আৰু চিকিৎসা প্ৰদান কৰাৰ লগতে দি হন্স ফাউণ্ডেশ্যনৰ ডাঃ পৱন শ্বাহ, ভাৰতীয় সামৰিক বাহিনীৰ ৮০ নং ফিল্ড ৰেজিমেণ্টৰ চিকিৎসক ডাঃ (কেপ্তেইন) বিক্ৰম, চকু ৰোগৰ ডাঃ এছ. বৰা, অদিত্য চুপাৰ হস্পিটেলৰ ডাঃ প-ৱন কোঁৱৰে চাৰি শতাধিক ৰোগীৰ চিকিৎসা প্ৰদান কৰে। ৰোগীসকলক বিনামূলীয়াকৈ ঔষধ আৰু ৰেহাই মূল্যত চশমাও প্ৰদান কৰা হয়।

# অৰুণাচলৰ ইটানগৰত বিজেপিৰ ৪৭সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, লীলাবাৰী, ৮ এপ্ৰিল ঃ** ভাৰতীয় জনতা পাৰ্টিৰ অৰুণাচল প্ৰদেশে সোমবাৰে সকলো জিলা আৰু মণ্ডল কাৰ্যালয়ত দলটোৰ ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। এই উপলক্ষে ইটানগৰস্থিত দলৰ মুখ্য কাৰ্যালয়ত মন্ত্ৰী ওজিং তাছিং, বিধায়ক, ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি টাই তাগাক, নিগম, জ্যেষ্ঠ নেতা, ৰাজ্যিক বিজেপিৰ বিষয়ববীয়া, সকলো মৰ্চা দল, আৰু নিষ্ঠাবান কৰ্মকৰ্তা আদিৰ উপস্থিতিত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত সভাত ভাষণ দি ৰাজ্যিক বিজেপিৰ সভাপতি কলিং ময়োঙে সকলো কৰ্মকৰ্তাকে দলটোক শক্তিশালী কৰাৰ দিশত নিষ্ঠা আৰু ঐক্যৰে কাম কৰি যাবলৈ আহ্বান জনায়। ময়ঙে কয় যে মতাদৰ্শগত স্পষ্টতাৰ পৰা নিৰ্ণায়ক নেতৃত্বলৈকে বিজেপি সুশাসন, জাতীয়তাবাদ, আৰু সৰ্বাংগীণ উন্নয়নৰ এক শক্তিশালী স্তমভ হিচাপে থিয় দিছে। তেওঁ লগতে কয় যে নিজৰ কৰ্মকৰ্তাৰ অটল দায়বদ্ধতাৰ দ্বাৰা পৰিচালিত হৈ দলটোৱে বিক্ষিত ভাৰত গঢ়ি তোলাৰ দিশত যাত্ৰা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীৰ প্ৰাক্তন উপদেষ্টা হিচাপে কৰ্মৰত টাই তাগাকে বিজেপিৰ সাংগঠনিক শক্তিৰ ওপৰত আলোকপাত কৰি জাতি-নিৰ্মাণৰ ক্ষেত্ৰত বিজেপিৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ লগতে জনসাধাৰণৰ মাজত বিজেপিয়ে লাভ কৰা আস্থা আৰু আত্মবিশ্বাসৰ ওপৰত আলোকপাত কৰে। ১৯৮০ চনৰ ৬ এপ্ৰিলতজন সংঘৰ পৰা বিজেপি গঠনলৈ দলটোৱে কৰা যাত্ৰাৰ ওপৰতো তেওঁ আলোকপাত কৰে। ইয়াৰ পূৰ্বে দলৰ মুখ্য কাৰ্যালয়ত ময়োঙে দলৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিজেপিৰ জ্যেষ্ঠ কৰ্মকৰ্তা আৰু বছৰ বছৰ ধৰি দলটোক সেৱা আগবঢ়োৱা প্ৰবীণ সদস্যসকলক সম্বৰ্ধনা জনোৱা হয়।

# সদৌ মঙলদৈ ৰঙালী বিহুৰ মাৰাথন দৌৰ আৰু চাইকেল চালনা প্ৰতিযোগিতা

**অসম বাৰ্তা, মঙলদৈ, ৮ এপ্ৰিল ঃ** ৭২ সংখ্যক সদৌ মঙলদৈ ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত অহা ১৬ আৰু ১৮ এপ্ৰিলত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব মাৰাথন দৌৰ আৰু চাইকেল চালনা প্ৰতিযোগিতা। ১৬ এপ্ৰিলৰ পুৱা ৪-০০ বজাত ছিপাঝাৰৰ প্ৰাগ বছিমী চিন্থেটিক লিমিটেডৰ সন্মুখৰ পৰা মঙলদৈ গান্ধী ময়দানৰ বিহুতলীলৈ হ'বলগীয়া এই মাৰাথন দৌৰ প্ৰতিযোগিতা উদ্বোধন কৰিব প্ৰবীণ খেলুৱৈ তথা ক্ৰীড়া সংগঠক দেবেন্দ্ৰ বৰুৱাই। প্ৰতিযোগিতাৰ প্ৰথম স্থান প্ৰাপকক ডাঃ ৰেৱতী মোহন বৰদলৈ সোঁৰণী ট্ৰফীসহ নগদ নগদ বাৰ হাজাৰ টকা, দ্বিতীয়ক দময়ন্তী বড়া সোঁৰণী ট্ৰফীসহ নগদ আঠ হাজাৰ টকা আৰু তৃতীয়ক দ্বীপেন শৰ্মা সোঁৰণী ট্ৰফীসহ নগদ চাৰি হাজাৰ টকা প্ৰদান কৰা হ'ব। আনহাতে একেটা স্থানৰ পৰাই হ'বলগা ৫০ বছৰ উৰ্ধৰ পুৰুষৰ ভেটাৰ্ণ এথলেটিকছ প্ৰতিযোগিতাৰ প্ৰথম স্থান প্ৰাপকক বুধেন ভাগৱতী সোঁৰণী ট্ৰফীসহ নগদ তিনি হাজাৰ টকা, দ্বিতীয়ক কবি চহৰীয়া সোঁৰণী ট্ৰফীসহ নগৰ দুহেজাৰ টকা আৰু তৃতীয়ক পুলিন চন্দ্ৰ ডেকা সোঁৰণী ট্ৰফীসহ নগদ ডেৰ হাজাৰ টকা প্ৰদান কৰা হ'ব। আনহাতে ১৮ এপ্ৰিলৰ পুৱা ৪-০০ বজাত ছিপাঝাৰৰ পৰা বড়িচৌকা, মহলিয়াপাৰা হৈ টংলাৰ টোকনকাটালৈ অনুষ্ঠিত হ'ব চাইক্লিং প্ৰতিযোগিতা। এই প্ৰতিযোগিতা উদ্বোধন কৰিব প্ৰাক্তন খেলুৱৈ তথা অৱসৰপ্ৰাপ্ত ক্ৰীড়া বিভাগৰ শিক্ষক গিৰিন্দ্ৰ প্ৰসাদ বৰুৱাই। প্ৰতিযোগিতাৰ প্ৰথম স্থান প্ৰাপকক হাচিনা বেগম সোঁৰণী ট্ৰফীসহ নগদ ১২ হাজাৰ টকা, দ্বিতীয়ক সুপ্ৰিয়া সৰকাৰ সোঁৰণী ট্ৰফীসহ নগদ আঠ হাজাৰ টকা আৰু তৃতীয়ক ইউথ ক্লাব ট্ৰফীসহ নগদ পাঁচ হাজাৰ টকা প্ৰদান কৰা হ'ব বুলি বিহু উদযাপন সমিতিৰ সাধাৰণ সম্পাদক মাৰ প্ৰতিম দাসে জনাইছে। এই দুয়োটা প্ৰতিযোগিতাৰ বিষয়ে সবিশেষ জানিবলৈ ৭০০২২০২৮১৮ নম্বৰত ফোঞ কৰিবলৈ উদ্যোক্তা সকলে জনাইছে।


**বিশ্বনাথ-বিহালী-গহপুৰৰ ৫,১৮,৬৪৪ গৰাকী ভোটাৰে ই.ভি. এমত বন্দী কৰিব তিনি বিধানসভা সমষ্টিৰ ১৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য**

# ৯ এপ্ৰিলত বিশ্বনাথ নিৰ্বাচনী জিলাৰ ৬৫৪টা কেন্দ্ৰত ভোটগ্ৰহণ

**অসম বাৰ্তা, বিহালী, ৮ এপ্ৰিল ঃ** বিশ্বনাথ নিৰ্বাচনী জিলাৰ অধীনৰ ৬৫৪টা ভোটকেন্দ্ৰত ৯ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ ভোট গ্ৰহণ কৰা হ'ব। এই বাৰ নিৰ্বাচনী জিলাখনৰ অধীনৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে ৭০ নং বিশ্বনাথ, ৭১ নং বিহালী(অনুসূচীত জাতি) আৰু ৭২নং গহপুৰ বিধানসভা সমষ্টিৰ মুঠ ৫১৮৬৪৪ গৰাকী ভোটদাতাই বিশ্বনাথ নিৰ্বাচনী জিলাৰ তিনিওটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰূপণত নিৰ্ণায়ক ভূমিকা পালন কৰিব। প্ৰাপ্ত তথ্য অনুযায়ী ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিত ১৮৯৩৬১ গৰাকী, ৭১ নং বিহালী (অনুসূচীত জাতি) বিধানসভা সমষ্টিত ১৫৫৮৪৬ গৰাকী আৰু ৭২ নং গহপুৰ বিধানসভা সমষ্টিত ১৭৩৪৩৭ গৰাকী ভোটাৰ আছে। তথ্য অনুসৰি বিশ্বনাথ বিধানসভা সমষ্টিত পুৰুষ ভোটাৰ ৯৩৯১১ গৰাকী, মহিলা ভোটাৰ ৯৫৪৫০ গৰাকী। একেদৰে বিহালী বিধানসভা সমষ্টিত পুৰুষ ভোটাৰ ৭৭২৯৫ গৰাকী, মহিলা ভোটাৰ ৭৮৫৫০ গৰাকী। সেইদৰে গহপুৰ বিধানসভা সমষ্টিত ৮৭৩৮৯ গৰাকী পুৰুষ ভোটাৰ আৰু ৮৬০৪৮ গৰাকী মহিলা ভোটাৰ। আনহাতে ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিত ৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰ মুঠ ১০৭ গৰাকী (৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ৮২ গৰাকী, বিশেষভাৱে সক্ষম ২৫ গৰাকী), ৭১ নং বিহালী(অনুসূচীত জাতি) বিধানসভা সমষ্টিত মুঠ ১০৬ গৰাকী (৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ৭৩ আৰু বিশেষভাৱে সক্ষম ৩৩ গৰাকী) আৰু ৭২ নং গহপুৰ বিধানসভা সমষ্টিত মুঠ ২৫৬ গৰাকী (৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ২০৫ আৰু বিশেষভাৱে সক্ষম ৫১ গৰাকী) ভোটাৰ। সেইদৰে চাৰ্ভিছ ভোটাৰ হৈছে জিলাখনত মুঠ ৭৮৭ গৰাকী। ইয়াৰে বিশ্বনাথ সমষ্টিত ২১৯ গৰাকী, বিহালীত ১৭৫ গৰাকী আৰু গহপুৰ বিধানসভা সমষ্টিত ৩৯৩ গৰাকী। উল্লেখযোগ্য যে, নিৰ্বাচনী জিলাখনৰ মুঠ ৬৫৪টা ভোটকেন্দ্ৰৰ ২৩৮টা বিশ্বনাথ সমষ্টিৰ, ১৯৮টা বিহালী সমষ্টিৰ আৰু ২১৮টা গহপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত। ইয়াৰে বিশ্বনাথ বিধানসভা সমষ্টিৰ ৬০ টা, বিহালী বিধানসভা সমষ্টিৰ ৫৩টা আৰু গহপুৰ বিধানসভা সমষ্টিৰ ৫৯টা ভোট গ্ৰহণ কেন্দ্ৰ গুৰুত্বপূৰ্ণ (Critical) বুলি নিৰ্বাচন কৰা হৈছে। উল্লেখযোগ্য যে, নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ বিশ্বনাথ বিধানসভা সমষ্টিত ৬ গৰাকী মাণ্ডলিক বিষয়া (Zonal Officer) আৰু ২৫ গৰাকী খণ্ড বিষয়া (Sector Officer)ক নিয়োগ কৰা হৈছে। একেদৰে বিহালী বিধানসভা সমষ্টিত ৫ গৰাকী মাণ্ডলিক বিষয়া আৰু ২১ গৰাকী খণ্ড বিষয়া নিয়োগ কৰা হৈছে। সেইদৰে গহপুৰ বিধানসভা সমষ্টিত ৬গৰাকী মাণ্ডলিক বিষয়া আৰু ২২ গৰাকী খণ্ড বিষয়া নিয়োগ কৰা হৈছে। এইবেলি নিৰ্বাচনত বিশ্বনাথ নিৰ্বাচন জিলাত মুঠ ২৮৭২ গৰাকী(পুৰুষ আৰু মহিলাসহ) প্ৰিজাইডিং, প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুলিং বিষয়া নিয়োগ কৰা হৈছে। ইয়াৰ ভিতৰত মুঠ ১২৪ গৰাকী মহিলা বিষয়া কৰ্মচাৰীও আছে। এই মহিলা বিষয়া কৰ্মচাৰী সকলে মুঠ ১১৩টা ভোট কেন্দ্ৰ পৰিচালিত কৰিব। ইয়াৰে ৫১টা বিশ্বনাথ বিধানসভা সমষ্টিৰ, ২২টা বিহালী বিধানসভা সমষ্টিৰ আৰু ৪০টা গহপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত। সেইদৰে নিৰ্বাচনী জিলাখনত ৩টা আদৰ্শ ভোট কেন্দ্ৰও স্থাপন কৰাৰ বাবে বিশ্বনাথৰ জিলা নিৰ্বাচনী বিষয়াই ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এইবেলি নিৰ্বাচনত আদৰ্শ ভোট কেন্দ্ৰ হিচাপে নিৰ্বাচিত কৰা ভোটগ্ৰহণ কেন্দ্ৰ তিনিটা হৈছে বিশ্বনাথ সমষ্টিৰ ১৭৪নং চাৰিআলি আদৰ্শ প্ৰাথমিক বিদ্যালয়, বিহালী সমষ্টিৰ ৩৯ নং বালিপুখুৰী এম ভি স্কুল আৰু গহপুৰ বিধানসভা সমষ্টিত ৬০ ছয়দুৱাৰ মহাবিদ্যালয় (পূৱ) ভোট গ্ৰহণ কেন্দ্ৰ।

# ৰাইজৰ নিৰ্ভীক ভোটদানৰ বাবে নলবাৰীত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ সজাগতা ৰেলী

**অসম বাৰ্তা, নলবাৰী, ৮ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক নিৰ্ভিকভাৱে ভোটদান কৰিবলৈ ওলাই আহিবলৈ উৎসাহিত কৰাৰ বাবে নলবাৰী জিলা প্ৰশাসন আৰু নলবাৰী আৰক্ষী প্ৰশাসনে আজি নলবাৰী সদৰ থানাৰ পৰা এটা সজাগতা ৰেলী উলিয়ায়। সজাগতা ৰেলীটো পতাকা জোকাৰি শুভাৰম্ভ কৰে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। তেওঁ ৰেলীত অংশগ্ৰহণো কৰে। আজিৰ এই সজাগতা ৰেলীত অংশগ্ৰহণ কৰে জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে। নিৰ্বাচন নিৰাপদে অনুষ্ঠিত কৰাৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষীৰ বাহিৰে ছিকিম পুলিচ, বি এচ এফ, এচ এচ বি, চি আই এচ এফ আদি বাহিনীয়েও এই সজাগতা ৰেলীত অংশগ্ৰহণ কৰে। ৰেলী শুভাৰম্ভ কৰি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কয় যে জনসাধাৰণে যাতে ভয়-শংকামুক্ত হৈ মুকলি মনেৰে ওলাই আহি কাৰো দ্বাৰা প্ৰৰোচিত নোহোৱাকৈ বিবেক ভোট দিব পাৰে সেয়া নিশ্চিত কৰাৰ উদ্দেশ্যে এই সজাগতা



ৰেলী উলিওৱা হৈছে। আজিৰ ৰেলীটো নলবাৰী সদৰৰ থানাৰ সন্মুখৰ পৰা চহৰৰ মাজেৰে গৈ সোণপুৰত অন্ত পৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে জানিবলৈ দিয়া মতে জিলাখনৰ সকলো আৰক্ষী থানাৰ পৰাই এনেকুৱা সজাগতা ৰেলী উলিওৱাৰ ব্যৱস্থা কৰা হৈছে।

# ৯ এপ্ৰিলত মৰিগাঁও নিৰ্বাচন জিলাত স্থানীয় বন্ধ ঘোষণা

**অসম বাৰ্তা, মৰিগাঁও, ৮ এপ্ৰিল ঃ** ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগে আসন্ন বিধান সভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি মৰিগাঁও নিৰ্বাচন জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিত অহা ৯ এপ্ৰিলৰ দিনটো ৰাজহুৱা বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে। সেই অনুসৰি এন আই এক্ট ১৮৮১ৰ ২৫ নং ধাৰা অনুসৰি ৯ এপ্ৰিলৰ দিনা মৰিগাঁও নিৰ্বাচন জিলাৰ অধীনৰ ৫২ নং জাগীৰোড(অঃজাঃ), ৫৩ নং লাহৰীঘাট আৰু ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টি এলেকাৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, পঞ্চায়ত আৰু স্থানীয় নগৰ নিকায়, শিক্ষানুষ্ঠান, বেংককে ধৰি সকলো ব্যৱসায় আৰু বাণিজ্যিক প্ৰতিষ্ঠান, চাহ বাগিচা, উদ্যোগ আদি বন্ধ থাকিব।

# মাকুম বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সংঘমিত্ৰা বৰুৱা আৰু সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন

**অসম বাৰ্তা, মাকুম, ৭ এপ্ৰিল ঃ** তিনিচুকীয়া নিৰ্বাচনী জিলাত বিধানসভা নিৰ্বাচন ২০২৬ সুচাৰুৰূপে সম্পন্ন কৰিবৰ বাবে জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী শাখাই ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। ৯ এপ্ৰিল তাৰিখে অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সুচাৰুৰূপে অনুষ্ঠিত কৰিবৰ বাবে জিলা নিৰ্বাচনী বিষয়া সুমিত ছাত্তাৱানে তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত তিনিচুকীয়া, মাকুম, ডুমডুমা, ডিগবৈ, মাৰ্ঘেৰিটা আৰু শদিয়া বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াসকলৰ লগতে সহকাৰী ৰিটাৰ্ণিং বিষয়াসকলক প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ সন্দৰ্ভত বিতংভাৱে বুজ লবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি মাকুম বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সংঘমিত্ৰা বৰুৱাৰ নেতৃত্বত সহকাৰী ৰিটাৰ্ণিং বিষয়া ক্ৰমে অভিজিত বৰা আৰু জাংমিৰ ৰংফাৰপী তথা অন্যান্য বিষয়াসকলে বিধানসভা সমষ্টিটোৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈ যাৱতীয় সা-সুবিধা যেনে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, অনাময়ৰ সুব্যৱস্থা, বিজুলী সংযোগ তথা পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা, বিশেষভাৱে সক্ষম ভোটাৰৰ বাবে ৰেম্প তথা কাৰ্যক্ষম হুইলচেয়াৰৰ উপলব্ধতা, সঠিক পথনিৰ্দেশক চিহ্নৰ ব্যৱস্থা, যাৱতীয় আচবাব তথা ভোট কেন্দ্ৰৰ যাৱতীয় পৰিকল্পনা, ভোটাৰৰ বাবে সুবিধাজনক প্ৰতীক্ষালয়ৰ ব্যৱস্থা ইত্যাদি সন্দৰ্ভত বিতংভাৱে বুজ লয়। স্মাৰ্তব্য যে, ৯ এপ্ৰিল তাৰিখে মাকুম বিধানসভা সমষ্টিৰ ২০৪টা ভোটগ্ৰহণ কেন্দ্ৰত ১, ৫৮, ৪৩০ গৰাকী ভোটাৰে ভোটদান কৰিব। তিনিচুকীয়া নিৰ্বাচনী জিলাত সুচাৰুৰূপে নিৰ্বাচন আয়োজন কৰিবৰ বাবে জিলা প্ৰশাসন দায়বদ্ধ আৰু প্ৰতিশ্ৰুতিবদ্ধ। মাকুম বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সংঘমিত্ৰা বৰুৱাই সকলো যোগ্য ভোটাৰক গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

# ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক খৈৰাবাৰী অধিৱেশনৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ৭ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ পশ্চিম খৈৰাবাৰী প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত ৪ আৰু ৫ এপ্ৰিল ২০২৬ শনি আৰু দেওবাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায় ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক খৈৰাবাৰী অধিৱেশনখনি। মৃৎশিল্পৰ সৈতে জড়িত কুমাৰ জনগোষ্ঠীৰ ওদালগুৰি জিলা কুমাৰ সন্মিলনখনি ৪ এপ্ৰিল শনিবাৰে বন্তি প্ৰজলন আৰু প্ৰতিনিধি সভা অনুষ্ঠিত কৰে। ৫ এপ্ৰিল দেওবাৰে ৰাতিপুৱা ভাগৱত পাঠ, ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ পতাকা উত্তোলন, স্মৃতি তৰ্পন, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন, গছপুলি ৰোপণ অনুষ্ঠিত কৰে। দুপৰীয়া ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ কাৰ্যকৰী সভাপতি অৰুণ শইকীয়াৰ সঞ্চালনায়ত 'কুমাৰ সম্প্ৰদায়ৰ সামগ্ৰীক উন্নয়ত সন্মিলনৰ ভূমিকাৰ' ওপৰত আলোচনা চক্ৰত অনুষ্ঠিত কৰে। অনুষ্ঠানত টংলা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক দুগ্ধ কুমাৰ, ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ প্ৰাক্তন সভাপতি দুৰ্গেশ্বৰ কুমাৰ, চিৰাং জিলাৰ ২নং অ'গুৰি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বিপুল কুমাৰ, ওদালগুৰিৰ বিদ্যুৎ বিভাগৰ গাণনিক বিষয়া নৱজিৎ কুমাৰ, দলগাঁও ৩ নং গলন্দি প্ৰথমিক বিদ্যালয়ৰ শিক্ষক কৰুণা কুমাৰ উপস্থিত থাকে। অন্যহাতে ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ সভাপতি সোণাৰাম কুমাৰৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাত প্ৰয়াত "প্ৰশান্ত কুমাৰৰ পবিত্ৰ সোঁৱৰণত" মৃৎশিল্পী, জ্যেষ্ঠ নাগৰিক আৰু কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। সদৌ অসম কুমাৰ সন্মিলনৰ সম্পাদক হেমন্ত কুমাৰ দাসে উদ্বোধন কৰা মুকলি সভাত নিৰ্দিষ্ট ব্যক্তাৰ ভাষণ প্ৰদান কৰে সদৌ অসম কুমাৰ সন্মিলনৰ প্ৰধান সম্পাদক মাজবাটৰ গোপাল হাজৰিকাই। সভাত মুখ্য অতিথি আসন অলংকৃত কৰে টংলাৰ প্ৰাঞ্জল প্ৰতীম কুমাৰ আৰু ওদালগুৰি জিলা বিদ্যুৎ বিভাগৰ একাউনটেণ্ট নৱ কুমাৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দলগাওঁ ৩নং মাধৱ গোসাই প্ৰথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বীনা পাল, ৰৌতা গৰৈমাৰি প্ৰথমিক বিদ্যালয়ৰ শিক্ষক অচ্যুত কুমাৰে। সভাত সন্মানীয় অতিথিৰ আসনত বহে সদৌ অসম কুমাৰ সন্মিলনৰ উপ সভাপতি শৰৎ চন্দ্ৰ দাস, ভেৰগাওঁ জিলা অনান্য পিছপৰা শ্ৰেণীৰ সভাপতি দুৰ্গেশ্বৰ কুমাৰ, কুমাৰ উন্নয়ন পৰিষদৰ সদস্য উমেশ কুমাৰ দাস, ওদালগুৰি জিলা কুমাৰ সন্মিলনৰ উপ সভাপতি শৰৎ কুমাৰ। আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰে দৰং জিলা কুমাৰ সন্মিলনৰ সভাপতি জিতেন কুমাৰ দাস, দৰং জিলা কুমাৰ সন্মিলনৰ সম্পাদক নীল কুমাৰ মেধি, পশ্চিম খৈৰাবাৰী প্ৰথমিক বিদ্যালয়ৰ শিক্ষক কমল আচাৰ্য্য, ওদালগুৰি জিলা আৰ, এচ, এচৰ ব্যৱস্থা প্ৰমুখ ধ্ৰুৱজ্যোতি বড়োৰ, লগতে ডাক সেৱা অৱসৰী কৰ্মচাৰী প্ৰবিন দাস। সভাত নিৰ্দিষ্ট ব্যক্তাৰ ভাষণত গোপাল হাজৰিকাই উপাধিয়ে জাতিৰ চিনাকি দিয়াৰ লগতে ব্যক্তিগত চিনাকি দাঙি ধৰে বুলি বক্তব্য প্ৰদান কৰে। নিজৰ জাতিৰ জ্ঞাতি নহলে মুক্তি পোৱা নাযায় সেয়ে সৰ্বপ্ৰথমে নিজৰ জাতিক ভাল পাব লাগিব তাৰ পিছত নিজৰ ল'ৰা ছোৱালীক নিজৰ জাতিক ভাল পাবলৈ শিকাব লাগিব আৰু তেতিয়াহে সমন্বয়ৰে আগবাঢ়ি এখন সুস্থ সমাজ গঢ়ি উঠিব। লগতে হাজৰিকাই কুমাৰ জাতিক আহ্বান জনাই কয় যে মৃতশিল্পৰ জৰিয়তে কুমাৰ জাতিৰ পৰিচয় দাঙি ধৰি সমাজত মুৰ দাঙি চৰকাৰৰ ফালৰ পৰা সুকীয়া আসন গ্ৰহণ কৰিবলৈ সক্ষম হব পাৰিব লাগিব গতিকে মৃৎশিল্পৰ সৈতে জড়িত হৈ থাকিবলৈ সকলো কুমাৰ পৰিয়ালক আহ্বান জনায়।

**সকলো নিয়ম কঠোৰভাৱে পালনৰ নিৰ্দেশ**

# নিৰ্বাচনক কেন্দ্ৰ কৰি নগাঁৱত নিৰাপত্তা বিষয়ক উচ্চস্তৰীয় বৈঠক

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ এপ্ৰিল ঃ** চলিত বিধানসভা নিৰ্বাচনৰ নিৰাপত্তা বিষয়ক লৈ অতি তৎপৰ হৈ পৰিছে নগাঁও জিলা প্ৰশাসন। নিৰাপত্তাৰক্ষী বাহিনী সমূহকৈলে ইখনৰ পিছত সিখনকৈ বৈঠক আৰু পদ-যাত্ৰা কৰি জিলাখনত শান্তি শৃংখলা বজাই ৰখাৰ আপ্ৰাণ প্ৰচেষ্টা চলাইছে জিলা প্ৰশাসনে। তাৰেই অংশ হিচাপে আজি আবেলি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, দণ্ডাধীশ শাখাৰ অতিৰিক্ত আয়ুক্ত, ৰহা আৰু কলিয়াবৰৰ সম-জিলা আয়ুক্তসকলৰ উপৰিও জিলাখনত নিয়োজিত কেন্দ্ৰীয় নিৰাপত্তাৰক্ষী বাহিনীসমূহৰ জ্যেষ্ঠ বিষয়াসকলো উপস্থিত থাকে। সভাত জিলাখনৰ সামগ্ৰিক আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয় আৰু অধিক স্পৰ্শকাতৰ অঞ্চলসমূহত কেন্দ্ৰীয় বাহিনীৰ মোতায়েন বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি, অহা ৯ এপ্ৰিলত হ'বলগীয়া ভোটগ্ৰহণৰ সময়ত নিৰ্বাচনৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীৰ বাহিৰে আন কোনো লোকে ভোটগ্ৰহণ কেন্দ্ৰলৈ মোবাইল ফোন নিব যাতে নোৱাৰে সেই বিষয়টো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি ভোটগ্ৰহণ কেন্দ্ৰৰ ২০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো ৰাজনৈতিক দলৰ প্ৰচাৰ কাৰ্যালয় যাতে স্থাপন কৰা নহয় সেই বিষয়টোও গুৰুত্বসহকাৰে ল'বলৈ কোৱা হৈছে। সংবাদ সেৱাৰ বাবে নিৰ্বাচন আয়োগৰ পৰা কৰ্তৃত্ব লাভ কৰা পৰিচয় পত্ৰৰ অবিহনে কোনো সাংবাদিকক ভোটগ্ৰহণ কেন্দ্ৰ বা গণনা কেন্দ্ৰৰ বাতৰি পৰিবেশনৰ অনুমতি প্ৰদান কৰা নহ'ব বুলিও সভাত সিদ্ধান্ত লোৱা হয়। জিলাখনত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ স্বাৰ্থত জিলাখনৰ সামগ্ৰিক নিৰাপত্তাৰ পৰিবেশ বৰ্তাই ৰখাৰ ওপৰত সভাই মতপোষণ কৰে।

## ৰাঙ্গিৰখাড়ি আৰক্ষীৰ জালত ৫ কুখ্যাত চোৰ; চুৰি সামগ্ৰী উদ্ধাৰ

# শিলচৰত আৰক্ষীৰ বৃহৎ অভিযান

**শিলচৰ, ৭ এপ্ৰিল ঃ** চোৰচক্ৰৰ বিৰুদ্ধে এক বৃহৎ সফলতা লাভ কৰিছে শিলচৰৰ ৰাঙ্গিৰখাড়ি আৰক্ষীয়ে। গোপন সূত্ৰৰ ভিত্তিত চলোৱা এক সু-সংগঠিত অভিযানত আৰক্ষীয়ে চহৰখনৰ বিভিন্ন স্থানত তীব্ৰ তল্লাশি চলাই পাঁচজন কুখ্যাত চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এই অভিযানত নেতৃত্ব প্ৰদান কৰে ৰাঙ্গিৰখাড়ি ফাঁড়ীৰ ইনচাৰ্জে, যাৰ সৈতে আছিল আৰক্ষীৰ এক বিশেষ দলে। পৰিকল্পিতভাৱে চলোৱা এই অভিযানত আৰক্ষীৰ তৎপৰতাই পুনৰ এবাৰ প্ৰমাণ কৰিলে আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ দৃঢ়তা। আৰক্ষীৰ সূত্ৰ অনুসৰি, ধৃত ব্যক্তিসকলৰ পৰা বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা সামগ্ৰীৰ ভিতৰত আছে— ৪৭টা মোবাইল ফোন, ৪টা লেপটপ, ১টা টেবলেট, নগদ ৭৩ হাজাৰ টকা, ৯টা ঘড়ী, সোণৰ এযোৰ কাণৰ দুল, ৩টা আঙুঠি, ১টা চাইকেল, ১টা ইনভাৰ্টাৰ মেচিন, ৪টা অটো চাৰ্জাৰ আৰু ৩টা হাইড্ৰ'লিক কাটাৰকে ধৰি আন বহুতো মূল্যৱান সামগ্ৰী। গ্ৰেপ্তাৰ কৰা ব্যক্তিসকল হৈছে— আব্দুল বাসিত চৌধুৰী, জয়দীপ দাস, প্ৰদীপ দাস, আৰিফ উদ্দিন লস্কৰ আৰু ৰাহুল চৰকাৰ। আৰক্ষীৰ তথ্য অনুসৰি, তেওঁলোক সকলো শিলচৰ চহৰৰ বাসিন্দা। আৰক্ষীয়ে আৰু জনাইছে যে, এই চোৰচক্ৰটোৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নে নাই সেই বিষয়ে গভীৰ অনুসন্ধান অব্যাহত আছে। আগন্তুক সময়তো এনে ধৰণৰ অপৰাধৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্টকৈ জনাইছে ৰাঙ্গিৰখাড়ি আৰক্ষীয়ে। এই সফল অভিযানত স্থানীয় জনসাধাৰণৰ মাজত স্বস্তিৰ বাতাৱৰণ সৃষ্টি হৈছে আৰু আৰক্ষীৰ প্ৰতি আস্থা পুনৰ দৃঢ় হৈছে।

# মাজুলীৰ ঢেকিয়াজুলিত অসম গণ পৰিষদত যোগদান

**অসম বাৰ্তা, উজনী মাজুলী, ৭ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৯৮ নং মাজুলী বিধানসভা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। মাজুলীত মূল যুঁজখন ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভুবন গাম আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুৰ মাজতে অনুষ্ঠিত হ'ব। ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি -অসম'ৰ নেতা কৰ্মীয়ে ভুবন গামৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। আনহাতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুয়ে অতি পৰিকল্পিতভাৱে নিৰ্বাচনী প্ৰচাৰ চলাইছে। অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি -অসম'ৰ নেতা কৰ্মীয়ে ভুবন গামক বিপুল ভোটত জয়ী কৰাবলৈ ব্যাপক প্ৰস্তুতি চলোৱা দেখা গৈছে। আজি মাজুলীৰ ঢেকিয়াজুলিত অসম গণ পৰিষদৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন দলৰ পৰা ত্ৰিশ গৰাকী লোকে আনুষ্ঠানিকভাৱে অসম গণ পৰিষদত যোগদান কৰে। অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি ব্ৰজেন গামৰ উপস্থিতিত আজি দুপৰীয়া উক্ত লোকসকলে অসম গণ পৰিষদত যোগদান কৰে। নতুনকৈ অসম গণ পৰিষদত যোগদান কৰা লোকসকলক মাজুলী জিলা সমিতিৰ সভাপতি ব্ৰজেন গামে অসম গণ পৰিষদৰ দলীয় পতাকা পিন্ধাই আদৰণী জনায়। মাজুলী যুৱ পৰিষদৰ সভাপতি মজিন দাসৰ গৃহত অনুষ্ঠিত হোৱা উক্ত যোগদান কাৰ্যসূচীত মাজুলী জিলা অসম গণ পৰিষদৰ সাধাৰণ সম্পাদক জিতু ভূঞা, অসম গণ পৰিষদৰ প্ৰশাসনিক সম্পাদক অনিৰুদ্ধ দত্তৰ লগতে অসম গণ পৰিষদৰ কেইবাগৰাকী নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## নিৰ্বাচনৰ পূৰ্বে কটকটীয়া নিৰাপত্তা প্ৰশাসনৰ

# দুধনৈত আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ পথ সঞ্চালন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৭ এপ্ৰিল ঃ** আগন্তুক ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা জিলাৰ দুধনৈ সমষ্টিত নিৰাপত্তা ব্যৱস্থা অভেদ্য কৰি তোলা হৈছে। নিৰ্বাচনৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি বা কুটাঘাতমূলক কাৰ্য সংঘটিত হ'বলৈ নাপায় আৰু শান্তিপূৰ্ণভাৱে ভোটদান প্ৰক্ৰিয়া সম্পন্ন হয়, তাৰ বাবে প্ৰশাসনে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। ৰাইজৰ মনত নিৰাপত্তাৰ ভাৱ গঢ়ি তোলা আৰু দুষ্কৃতিকাৰীক সঁকিয়নী দিয়াৰ উদ্দেশ্যে আজি দুধনৈ চহৰত আকাশ-বতাহ কঁপাই নিৰাপত্তা বাহিনীৰ জোৱানসকলে এক বিশাল 'ৰোড মাৰ্চ' (Road March) বাহিৰ কৰে। দুধনৈ সমজিলাৰ আৰক্ষী অধীক্ষক নূপুৰ ৰঞ্জন নেওঁগ আৰু দুধনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাৰ্গব বৰবৰাৰ নেতৃত্ব অসম আৰক্ষীৰ জোৱান, পাঞ্জাৱ আৰক্ষী, আই টি বি পি (ITBP)ৰ জোৱান আৰু চি আই এচ এফ (CISF)ৰ জোৱান সকলে এই পথ সঞ্চালনত অংশগ্ৰহণ কৰে। প্ৰশাসনৰ তৰফৰ পৰা জনোৱা মতে, প্ৰতিটো বিধানসভা সমষ্টিতে বৰ্তমান নিশ্চিদ্ৰ নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে। আজিৰ এই ৰোড মাৰ্চৰ জৰিয়তে সাধাৰণ ভোটাৰসকলক নিৰ্ভয়ে ভোটদান কৰিবলৈ আহ্বান জনোৱাৰ লগতে শান্তি-শৃংখলা ভংগ কৰিব খোজা শক্তিক কঠোৰ সকীয়নী প্ৰদান কৰা হয়। নিৰ্বাচনৰ সময়ত শান্তি বজাই ৰখাটো আমাৰ প্ৰথম লক্ষ্য। কোনো শক্তিয়েই যাতে গণতন্ত্ৰৰ এই উৎসৱত বাধাৰ সৃষ্টি কৰিব নোৱাৰে, তাৰ বাবে আমি সম্পূৰ্ণ সাজু। উল্লেখযোগ্য যে, নিৰ্বাচন চমু চাপি অহাৰ লগে লগে দুধনৈৰ স্পৰ্শকাতৰ অঞ্চলসমূহত নিৰাপত্তা বাহিনীৰ টহল অধিক তীব্ৰতৰ কৰি তোলা হৈছে। চহৰখনৰ মুখ্য পথৰ লগতে বিভিন্ন সংযোগকাৰী পথসমূহতো আজি জোৱানসকলে মাৰ্চ কৰি জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰে।

# ডুমডুমা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া নুজহাৎ নাছৰিন আৰু সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৭ এপ্ৰিল ঃ** তিনিচুকীয়া নিৰ্বাচনী জিলাত বিধানসভা নিৰ্বাচন ২০২৬ সুচাৰুৰূপে সম্পন্ন কৰিবৰ বাবে জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী শাখাই ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। ৯ এপ্ৰিল তাৰিখে অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সুচাৰুৰূপে অনুষ্ঠিত কৰিবৰ বাবে জিলা নিৰ্বাচনী বিষয়া সুমিত ছাত্তাৱানে তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত তিনিচুকীয়া, মাকুম, ডুমডুমা, ডিগবৈ, মাৰ্ঘেৰিটা আৰু শদিয়া বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াসকলৰ লগতে সহকাৰী ৰিটাৰ্ণিং বিষয়াসকলক প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতি সন্দৰ্ভত বিতংভাৱে বুজ ল'বলৈ নিৰ্দেশ দিছে। সেই অনুসৰি আজি ডুমডুমা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া নুজহাৎ নাছৰিনৰ নেতৃত্বত সহকাৰী ৰিটাৰ্ণিং বিষয়া তথা অন্যান্য বিষয়াসকলে বিধানসভা সমষ্টিটোৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈ যাৱতীয় সা-সুবিধা যেনে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, অনাময়ৰ সুব্যৱস্থা, বিজুলী সংযোগ তথা পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা, বিশেষভাৱে সক্ষম ভোটাৰৰ বাবে ৰেম্প তথা কাৰ্যক্ষম হুইলচেয়াৰৰ উপলব্ধতা, সঠিক পথনিৰ্দেশক চিহ্নৰ ব্যৱস্থা, যাৱতীয় আচবাব তথা ভোট কেন্দ্ৰৰ যাৱতীয় পৰিকল্পনা, ভোটাৰৰ বাবে সুবিধাজনক প্ৰতীক্ষালয়ৰ ব্যৱস্থা ইত্যাদি সন্দৰ্ভত বিতং ভাৱে বুজ লয়। স্মাৰ্তব্য যে, ৯ এপ্ৰিল তাৰিখে ডুমডুমা বিধানসভা সমষ্টিৰ ১৮১টা ভোটগ্ৰহণ কেন্দ্ৰত ১৪৭৯৯০ গৰাকী ভোটাৰে ভোটদান কৰিব। তিনিচুকীয়া নিৰ্বাচনী জিলাত সুচাৰুৰূপে নিৰ্বাচন আয়োজন কৰিবৰ বাবে জিলা প্ৰশাসন দায়বদ্ধ আৰু প্ৰতিশ্ৰুতিবদ্ধ। ডুমডুমা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া নুজহত ন'ছৰিনে সকলো যোগ্য ভোটাৰক গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

**নলবাৰীত এছ. ইউ. চি. আই (কমিউনিষ্ট) প্ৰাৰ্থীৰ ওপৰত আক্ৰমণৰ অভিযোগ**

# নলবাৰীত ৰাজনৈতিক হিংসা

**অসম বাৰ্তা, নলবাৰী, ৭ এপ্ৰিল ঃ** সোমবাৰে সন্ধিয়া প্ৰায় ৫ বজাত ৩৮ নং বিধানসভা (বৰক্ষেত্ৰী) সমষ্টিৰ এছ. ইউ. চি. আই (কমিউনিষ্ট) দলৰ প্ৰাৰ্থী মুনিন্দ্ৰ দলে'ৰ ওপৰত আক্ৰমণ চলোৱা হৈছে বুলি অভিযোগ উত্থাপন কৰিছে দলটোৱে। প্ৰাপ্ত তথ্য অনুসৰি, জাগাৰা চ'কত অনুষ্ঠিত নিৰ্বাচনী পদ সভাত ভাষণ প্ৰদান কৰি থকা সময়তে বিজেপি দলৰ সমৰ্থক বুলি দাবী কৰা একাংশ লোকে সভা বিঘ্নিত কৰাৰ চেষ্টা কৰে আৰু ভাষণ বন্ধ কৰিবলৈ ভাবুকি প্ৰদান কৰে। প্ৰাৰ্থী মুনিন্দ্ৰ দলে'ই তেনে বাধা অগ্ৰাহ্য কৰি ভাষণ অব্যাহত ৰাখিবলৈ চেষ্টা কৰাত একাংশ দুৰ্বৃত্তই তেওঁক আক্ৰমণ কৰে বুলি অভিযোগ কৰা হৈছে। জানিব পৰা মতে উক্ত ঘটনাত প্ৰাৰ্থীৰ লগত থকা মেজিক গাড়ীৰ চালক জনেও আক্ৰমণৰ শিকাৰ হয়। প্ৰাৰ্থীক ৰক্ষা কৰিবলৈ চেষ্টা কৰোঁতে চালকজনকো প্ৰহাৰ কৰা হয় আৰু তেওঁৰ পৰিধান কৰা কমিজ ফালি পেলোৱা হয় বুলি দলীয় কৰ্মীৰ পৰা জানিব পৰা গৈছে। এই ঘটনাক লৈ এছ. ইউ. চি. আই (কমিউনিষ্ট), নলবাৰী জিলা সমিতিয়ে তীব্ৰ প্ৰতিবাদ জনাইছে। দলটোৱে এনে ঘটনাক গণতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত আঘাত বুলি অভিহিত কৰি দোষীক কঠোৰ শাস্তি দাবী কৰিছে। দলৰ পক্ষৰ পৰা জানোৱা হৈছে যে, এনে ঘটনা সত্ত্বেও তেওঁলোকে ভয় নাখাই আগন্তুক দিনত অধিক শক্তিৰে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিব আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ চলাই যাব।

# মৰিগাঁৱত ভোটাৰ সজাগতাৰ বাৰ্তা লৈ ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে পিতৃ-মাতৃলৈ লিখিলে চিঠি



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৭ এপ্ৰিল ঃ** সমাগত অসম বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মৰিগাঁও নিৰ্বাচন জিলাৰ ভোটদাতাসকলক আকৰ্ষিত কৰাৰ উদ্দেশ্যে ভোটাৰৰ প্ৰণালীবদ্ধ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ চমুকৈ স্বীপ কোষৰ উদ্যোগত ব্যাপক সজাগতা কাৰ্যসূচী অব্যাহত আছে। স্বীপ কোষৰ উদ্যোগত আৰু জিলা শিক্ষা বিভাগৰ সহযোগত জিলাখনৰ শিক্ষাৰ্থীসকলৰ মাজত এক পত্ৰলেখন কাৰ্যসূচী সম্পন্ন হয়। কাৰ্যসূচীৰ অধীনত মৰিগাঁও জিলাৰ ৭৮০খন বিদ্যালয়ৰ অংশগ্ৰহণেৰে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পিতৃ-মাতৃ আৰু অভিভাৱকলৈ ৫০ হাজাৰখন পত্ৰ লিখে। ভোটাৰ সজাগতাৰ বাৰ্তাৰে লিখা পত্ৰখনত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অভিভাৱকক অহা ৯ এপ্ৰিলৰ দিনা ভোট দিবলৈ যাবলৈ অনুৰোধ জনায়। উল্লেখ্য যে মৰিগাঁৱত স্বীপ কোষৰ উদ্যোগত ভোটাৰৰ মাজত ব্যাপক সজাগতা কাৰ্যসূচী অব্যাহত আছে। এজনো যোগ্য নাগৰিক যাতে এই বৃহৎ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ পৰা বাদ নপৰে সেয়া সুনিশ্চিত কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ভোটাৰসকলক আকৰ্ষিত কৰি ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ বাবে অলপতে 'অমূল্য' শীৰ্ষক এটি শুভংকৰ মুকলি কৰা হয়। লগতে "আমাৰ ভোট অমূল্য ভোট" শীৰ্ষক প্ৰচাৰবাক্য, প্ৰতীক চিহ্ন আৰু শীৰ্ষগীত উন্মোচন কৰা হয়। স্বীপ কোষৰ উদ্যোগত নিৰ্বাচনী বিহুগীত মুকলি কৰি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। তদুপৰি সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক তথা উত্তৰ-পূৰ্বাঞ্চলত মূকাভিনয়ৰ পথ প্ৰদৰ্শকস্বৰূপ মইনুল হকৰ মূকাভিনয়েৰে ভোটাৰ সজাগতা অভিযান চলোৱা হৈছে। ইয়াৰোপৰি স্বীপ কোষৰ উদ্যোগত বলিউডৰ জনপ্ৰিয় ছবিৰ সংলাপ ব্যৱহাৰ কৰি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। সময়ে-সময়ে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি ভোটাৰৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে।

# 'অসমী বহাগী মেলা ২০২৬'ৰ আয়োজন

**অসম বাৰ্তা, বান্দৰদেৱা, ৭ এপ্ৰিল ঃ** 'অসমী বহাগী মেলা'২০২৬ প্ৰতিবছৰৰ দৰে এই বছৰো অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ)ৰ সৌজন্যত লখিমপুৰ জিলাৰ পহুমৰা গণেশ মন্দিৰৰ সন্মুখত থকা খেল পথাৰত অহা ইং ১১ এপ্ৰিলৰ পৰা ১৩ এপ্ৰিল তাৰিখলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লখিমপুৰ জিলাখনৰ অন্তৰ্গত আত্ম সহায়ক গোটৰ সহায়ত অসমীয়া থলুৱা খাদ্য সম্ভাৰৰ লগতে পিঠাপনা, চিৰা, মুৰি, সাজ-পাৰ আদিৰে অসমী বহাগী মেলা ২০২৬ নামকৰণ কৰি আয়োজন কৰা হৈছে বুলি লখিমপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই জানিবলৈ দিছে। সেয়েহে উক্ত অসমী বহাগী মেলাৰ সকলো কাৰ্য্যসূচীতে জিলাখনৰ সকলো ৰাইজৰ উপস্থিতিৰ লগতে সহায় সহযোগিতা আগবঢ়াই মেলাখনি সুন্দৰ সাফল্যমণ্ডিত কৰি তুলিবলৈ অনুৰোধ জনাইছে কাৰ্য্যবাহী বিষয়াগৰাকীয়ে।

# নাজিৰা অ'এনজিচি আৱাসিক এলেকাত বিহু কৰ্মশালা

**অসম বাৰ্তা, নামতি, ৭ এপ্ৰিল ঃ** নিৰ্বাচনী গৰম বতাহে স্নান কৰিব পৰা নাই অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰস্তুতি। অসম সম্পদ অ এন জি চি কৰ্মচাৰী কল্যাণ সমিতিৰ উদ্যোগত বিহু নাচ আৰু ঢোলৰ কৰ্মশালা। বিগত বৰ্ষৰ দৰে এইবাৰো নাজিৰা অ এন জি চি অসম সম্পদৰ কৰ্মচাৰী কল্যাণ সমিতিৰ উদ্যোগত ৫ এপ্ৰিল তাৰিখৰ পৰা ১২ এপ্ৰিললৈ আঠদিনীয়াকৈ নাজিৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিহু নাচ আৰু ঢোলৰ কৰ্মশালা নাজিৰা কৰ্মচাৰী কল্যাণ সমিতিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। নাজিৰা অ এন জি চি ৰ কৰ্মচাৰী কল্যাণ সমিতিয়ে সম্পূৰ্ণ বিনামূলীয়াকৈ বিহুৰ স্বকীয়তাক অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। নাজিৰাৰ বিভিন্ন ঠাইৰ পৰা আহি প্ৰায় পাঁচ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালাত। আজি শুভাৰম্ভ কৰা এই কৰ্মশালাত মুখ্য অতিথি হিচাপে অ এন জি চি ৰ মুখ্য পৰিচালক বিষয়া ৰিজৱানা নাকভি আৰু পৃষ্ঠ পৰিচালক আভছু দত্ত। বিহু নাচ আৰু ঢোল বাদন কৰ্মশালাৰ প্ৰশিক্ষক হিচাপে অনন্ত কুমাৰ গগৈ, মাৰ্টিনা বৰা, ৰেখা বৰুৱা, অভিলাষা গগৈ, প্ৰজ্ঞা প্ৰত্যক্ষী গগৈ, কপিল দত্ত, অনুৰাগ দত্ত, হেমন্ত ৰাইদঙীয়া, দি পাঞ্জীত গগৈ, আয়ুষ্মান শইকীয়াকে ধৰি ১০গৰাকী প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানটোৰ সম্পাদক গৌৰী শংকৰ লাচিত, উপ-সভাপতি নিত্যা দত্তৰ লগতে কৰ্মচাৰী কল্যাণ সমিতিৰ সমূহ বিষয়ববীয়া এই সাতদিনীয়া কৰ্মশালাত সকলোৰে সহযোগিতা কামনা কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন